ASSAM
LEGISLATIVE ASSEMBLY
DEBATES



OFFICIAL REPORT

EIGHTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

NO. 5

The 26th March, 1999

Price. 100.00

ASSAM
LEGISLATIVE ASSEMBLY
DEBATES



OFFICIAL REPORT

EIGHTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION)

NO. 5

The 26th March, 1999

Price Rs. 100.00

CONTENTS

BUDGET SESSION
No. 5

Dated, the 26th March, 1999.

	Page
1. Point of order regarding the irregular power supply	1-2
2. Questions and Answers.	3-60
3. Discussion on the supplementary statement of Expenditure charged on the consolidated Fund of the state.	61
4. Voting on supplementary Demands for Grants.	62-110
5. Introduction, Consideration and Passing of the Assam Appropriation (N0-1) Bill, 1999.	111-113
6. Statement by Chief Minister.	114-118
7. Adjournment.	119
8. Annexures I to XI	120- 416

—— × ——

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Friday, the 26th March, 1999

The House met at 4 P.M. of the Clock in the Assembly Chamber at Dispur with Mr. Ganesh Kutum, Speaker in the Chair.

STARRED

Questions and Answers

(To which oral replies were given)

POINT OF ORDER REGARDING THE IRREGULAR POWER SUPPLY

Before starting of the Question hour, some Hon'ble Members from opposition bench of treasury Bench raised protest for acute shortage of light on 25.3.99

★ **শ্রী ভৰত চন্দ্র নৰহ ঃ** মাননীয় সভাপতি মহোদয়, পইণ্ট অব অর্ডাৰ, যোৱাকালি গধূলিৰ পৰা গোটেই গুৱাহাটী মহানগৰীত লাইট নাই। বিধান সভাৰ অধিৱেশন চলাই থকা হৈছে যদিও প্রচিডিংচ্ লিখিব পৰা নাই। গতিকে আজিৰ প্রশ্নোত্তৰ কাল স্থগিত ৰাখি এই বিষয়টোত এটা আলোচনা হ'ব লাগে।

★ **শ্রী দিলীপ কুমাৰ শইকীয়া ঃ** সভাপতি মহোদয়, লাইট কিয় নাই সেই বিষয়ে আধা ঘণ্টা আলোচনা হ'ব লাগে। এইটো বৰ চিৰিয়াচ মেটাৰ। ইয়াত আপুনিও ভুক্তভোগী।

★ **শ্রী ভৰত চন্দ্র নৰহ ঃ** সভাপতি মহোদয়, পাৱাৰ মিনিষ্টাৰ হাউচলৈ আহি এই বিষয়ত এটা ষ্টেটমেণ্ট দিব লাগে নহ'লে তেওঁ ৰিজাইন দিব লাগে। চাৰ, আপুনি কুৱেচন আৱাৰ চাচ্পেণ্ড কৰক। ইয়াত এটা বিশেষ পৰিস্থিতি উদ্ভৱ হৈছে। আমি জনাত যোৱা কালিও এচেম্বলিৰ প্রচিডিংচ্ লিখিব পৰা নাই আৰু আজিও নোৱাৰিব। ৫ মিনিট লাইট আহি আকৌ যায়। সেই কাৰণে এনেকুৱা এটা পৰিস্থিতিত প্রচিডিংচ্ লিখিব নোৱাৰিলে আমি বিধান সভা চলাই থকাৰ কোনো অর্থ নাই। গতিকে পাৱাৰ মিনিষ্টাৰ আহি এই বিষয়ত এটা ষ্টেটমেণ্ট

★ *Speech not corrected*

দিব লাগে নহ'লে তেওঁ বিজাইন দিব লাগে।

★ **শ্রীদিলীপ কুমাৰ শইকীয়া** ঃ এই ক্ষেত্রত পাৱাৰ মিনিষ্টাৰতকৈ এ. এছ. ই. বি. বেছি জগৰীয়া। পাৱাৰ মিনিষ্টাৰৰ পাৱাৰ ১০ শতাংশহে। গতিকে তেওঁক এশ শতাংশ পাৱাৰ দিব লাগে।

Mr. Chairman : This is a question hour. We the Hon'ble Members are to abide by the Rules and Procedure and Conduct of Business of the Assam Legislative Assembly. There must be a proper notice before raising any issue.

★ **Dr. Ardhendu Kumar Dey** : Sir, if any extra-ordinary nature of problem arised then that matter is to be discussed first. There is a precedent. If there is earthquake whether the proceedings in respects of questions will be continued.

Mr. Chairman : This is a question hour so you cannot raise any point now. Now Question No. 61, Shri Derhagra Muchahary. Shri Derhagra Muchahari is absent. Now Question No.62. Shri Sukhendu Shekhar Dutta.

Re:– Water Supply plant.

Shri Sukhendu Shekhar Dutta asked :

★ 62. Will the Minister of public Health Engineering be pleased to state :

(a) Is there any non-functioning Water supply Plant in Patherkandi in the district of Karimganj?

(b) If yes, whether there is any Govt. employee attached to non-functioning plants till date?

(c) Is there any incomplete/half done project in Patherkandi?

(d) If yes, please give the names of the places alongwith reasons for this remaining incomplete project?

Shri Utpal Dutta (Minister of Public Health Engineering) replied:

(a) Yes. There are 2 (two) Nos. Non-functioning Water Supply Scheme under Patherkandi L.A.C. in the District of Karimganj namely-(a) Kataltali P.W.S.S. (Completed)

(b) Zurbari P.W.S.S. (Commissioned).

(b) 4 Nos. Govt. Employees are attached to the Non-functioning plants till date.

(c) Yes, There are 20 (twenty) Nos. of incomplete scheme and 5 (five) Nos. halfdone scheme under Patherkandi L.A.C.

(d) Names of the incomplete & halfdone schemes alongwith reasons for remaining incomplete mentioned below-

1. Deffolala P.W.S.S.	]	Even though some of the minor works are incomplete, the schemes are Commissioned and now functioning.
2. Chandkhira P.W.S.S.		
3. Baithakhal P.W.S.S.		
4. Kalkalighat P.W.S.S.		
5. Jurbari P.w.S.S.	-	Not functioning due to insufficient yield of D.T.W.
6. Purbagood P.W.S.S.	-	D. T. W. failure
7. Duhalia P.W.S.S.	-	on progress.
8. Mairangaon P.W.S.S.	-	Land not finalised.
9. Narayanpur P.W.S.S.	-	On progress.
10. Kaylaghat P.W.S.S.	-	Land finalised, work being started.
11. Kachubari P.W.S.S	-	On progress.

12. Adamtilla. P.W.S.S	-	On progress.
13. Gopalpur P.W.S.S	-	On progress.
14. Solguri P.W.S.S	-	On progress.
15. Kurtia P.W.S.S	-	On progress.
16. Bagao P.W.S.S	-	Yet to be started.
17. Marugaon P.W.S.S.	-	Yet to be started.
18. Karikani P.W.S.S.	-	Yet to be started.
19. Longaibazar P.W.S.S	-	Yet to be started.
20. Jerjeri P.W.S.S	-	Yet to be started.
21. Manikbond P.W.S.S	-	Yet to be started.
22. Chagalmerbond P.W.S.S	-	Yet to be started.
23. Gopalpur (Achainghat) P.W.S.S	-	Yet to be started.
24. Islampur P.W.S.S	-	Yet to be started.
25. Issabeel P.W.S.S	-	Yet to be started.

★ **Shri Sukhendu Shekhar Dutta :** - Mr. Chairman. Sir, in reply to question (a) Minister has replied that there are two non-functioning Water Supply Schemes. So, my question will be what measures are being taken to make the schemes functioning and then in regard to (b) he has replied that there are 4 Nos of Government employees. So, my question is what they are doing when the plants are not functioning?

★ **শ্রী উৎপল দত্ত (মন্ত্রী) ঃ** মাননীয় সভাপতি মহোদয়, এই স্কীমকেইটাত ৪ জন মানুহ নিযুক্তি দিয়া কথাটো সত্য। মানুহ কেইজন তাত আছে। তাত স্কীম সম্পূর্ণ হোৱা নাই, কিন্তু বস্তুখিনি আছে, সেইখিনি ৰখি থাকিবলৈ দিয়া হৈছে। তাত অসম্পূর্ণ কামৰ বস্তু থকাৰ কাৰণেই ৰখিবলগীয়া হৈছে।

★ *Speech not corrected*

★ **Shri Sukhendu Shekhar Dutta :** Sri, I want to help Hno'ble Minister. He has said that it was not completed. In fact, in answer, he has said it is completed. I know it is not completed. Even today not a drop of water is being supplied, naturally it is not completed. Question will come who gave the technical feasibility report and why the money was spent for that purpose if water is not available from that source. If it is completed then it is dead and how the employees are getting their salaries. It is a very very serious matter. I want a specific reply whether it will start functioning or noting will be done for this purpose. Let the Government give a report on this and let the Government take the employees elsewhere because they are getting their salaries without doing any work there. Let me put something more regarding question. (c) Minister has replied that there are 20 Nos of incomplete scheme and 5 Nos of halfdone scheme under Patharkandi L.A.C. Incomplete scheme and halfdone scheme is the same thing. So, my question is when it will be completed? I want a categorical reply from the Hon'ble Minister. Regarding (d) Minister has furnished a long list. In some cases it has remained incomplete, in some cases it is due to insufficient yield of DTW, in some cases land finalised, work being started, in some cases work is on progress and in some case yet to be started. This shows anomalous position. I think Hon'ble Minister is not very much sure about the picture. It is in a mess. So, please enquire into the matter and do the needful so that the people get water which is very much needed. I want categorical answers from the Hon'ble Minister regarding (a). (b). (c) and (d).

★ **শ্রী উৎপল দত্ত (মন্ত্রী) ঃ** চেয়াৰমেন মহোদয়, কোনটো স্কীম কি পর্যায়ত আছে গোটেই কথাখিনি দিয়া হৈছে। মই উত্তৰ দিছোৱেই, সম্পূর্ণ হোৱা স্কীম কি কাৰণত ফাঙচন হোৱা নাই এই বিষয়ে মই তেখেতক বিতংভাৱে দিব নোৱাৰিম।

★ *Speech not corrected*

★ শ্রী ভৰত চন্দ্র নৰহ ঃ মাননীয় সভাপতি মহোদয়, মাননীয় মন্ত্রী মহোদয়ে কি কাৰণে উত্তৰ দিব পৰা নাই? তেখেতে কৈছে পাথাৰকান্দিত সম্পূর্ণ হোৱা স্কীম নন-ফাঙচনিং হৈ আছে। এই বিষয়ে মন্ত্রী মহোদয়ে নাজানে নেকি?

★ শ্রী পুলকেশ বৰুৱা (সভাপতি) ঃ স্কীম সম্পূর্ণ হৈছে, কিন্তু পানী নাই। সেইটো অনুসন্ধান কৰি কৈ দিব লাগে।

★ শ্রী ভৰত চন্দ্র নৰহ ঃমাননীয় সভাপতি মহোদয়, বিভাগীয় আয়ুক্ত, ছীফ ইঞ্জিনীয়াৰ আছে, তেখেতসকল থাকোতে মন্ত্রী মহোদয়ে কিয় এনেকৈ ক'ব লগা হ'ল মই নাজানো।

★ শ্রী উৎপল দত্ত (মন্ত্রী) ঃ মাননীয় সভাপতি মহোদয়, সেই স্কীম সম্পূর্ণ হৈছে, তাত পানী যোগান ধৰিব পৰা নাই। তাত কাৰিকৰী দোষ আছে, সেই কাৰণে এনকুৱাৰী কৰি পিছত জনাম বুলি কৈছিলো। মই জনাত তাত দীপ টিউব-ওৱেল ফেইলৰ হৈছে, সেই কাৰণেই পানী যোগান ধৰিব পৰা নাই। বাকী যি অসম্পূর্ণ স্কীম আছে সম্পূর্ণ কৰিবলৈ ব্যৱস্থা ল'ম, এইটো মই প্রতিশ্রুতি দিছো।

★ ডাঃ অৰ্ধেন্দু কুমাৰ দে ঃ মাননীয় সভাপতি মহোদয়, আপুনি ৰুলিং দিয়ক—

Minister should be well prepared before coming to the House. They are not applying their mind that this supplementary may come. They are taking very casually. There Should be ruling from the chairman's side. So that Minister must be prepared before coming to the House.

★ শ্রী ভৰত চন্দ্র নৰহ ঃ সভাপতি মহোদয়, ৰুলিং দিয়ক, মিনিষ্টাৰে পিছত জনাম বুলি কিয় কৈছে? প্রতিদিনে মন্ত্রীসকলে এনেকুৱা কথা কৈ আছে। এই ক্ষেত্রত এটা ডাইৰেকশ্বন দিব লাগে। মিনিষ্টাৰ সকলে হাউচত আহোতে হোম ওৱৰ্ক কৰি আহিব লাগে।

★ **Shri Sukhendu Shekhar Dutta :** Sir, I asked the question and Minister has said that the area is not getting water supply due to failure of DTW. Sir, I am a man of that locality and I know Sir water shall never be available in that area. Sir, I want to know who gave the technical feasibility report.

This is not a fun.. Hon'ble Minister should examine the matter. If Hon'ble Minister wants I can show him much more anomalies about the functioning of the department. Let the Minister announce that he will enquire in to the non-functioning of Kataltali water plant and he will give a report in the house.

★ **শ্রী উৎপল দত্ত** ঃ সভাপতি মহোদয়, পানী যোগান আঁচনি ১৯৬২ চনত কৰা হৈছিল। তেতিয়াও ৯.১৩ লাখ টকাৰ বিপৰীতে এই স্কীম কৰা হৈছিল। ১৯৬০ চনত প্ৰায় ২৯ বছৰ চলাৰ পিছত জনসংখ্যা বঢ়াৰ কাৰণে পানী যোগান সম্ভৱ নহয়। এইটো ৩০.২৯ লাখ টকা প্ৰশাসনৰ অনুদানৰ কাৰণে দিয়া হৈছে। এই অনুদান হ'লে কামটো হাতত ল'ব পাৰি। যিবিলাক অসম্পূৰ্ণ স্কীম আছে কি কি অৱস্থাত আছে তাক যাতে তৎকালীন ব্যৱস্থা ল'ব পাৰো তাৰ কাৰণে চোৱা হ'ব।

(Starred question No. 63 Questioner was not present. However, the said question deemed to have been lapsed.)

Mr. Speaker : Now Starred Question No. 64, Hon'ble member Shri Ali Akbar Miah, Hon'ble Minister health is to reply:

বিষয় = লেবৰেটৰী টেকনিছিয়ানৰ নিযুক্তি

শ্ৰী আলী আকবৰ মিঞাই সুধিছে ঃ

★ ৬৪। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

অসমত যোৱা পাঁচটা বছৰত জিলা ভিত্তিত কিমানজনক "লেবৰেটৰী টেকনিছিয়ান" পদত নিযুক্তি দিয়া হ'ল? আৰু তেওঁলোক কোন কোন অনুষ্ঠান/প্ৰতিষ্ঠানৰ পৰা পাছ কৰিছে? (নামৰ বিপৰীতে যি অনুষ্ঠান-বা প্ৰতিষ্ঠানৰ পৰা পাছ কৰিছে আৰু উক্ত অনুষ্ঠান/প্ৰতিষ্ঠানবোৰ ৰিকগনাইজ নে নন ৰিকগনাইজ তাক দেখুৱাই তালিকা প্ৰস্তুত কৰি সদনৰ মেজত দাখিল কৰিব লাগে।)

★ *Speech not corrected*

★ ডাঃ কমলা কলিতা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রী) য়ে উত্তৰ দিছে ঃ অসমত যোৱা পাঁচটা বছৰত মুঠ ৯৮ জন লোকক লেবৰেটৰী টেকনিছিয়ান পদত নিযুক্তি দিয়া হৈছে। প্রতিখন জিলাৰ বিপৰীতে নিযুক্তি দিয়া লোকৰ তালিকা এখন সদনৰ মেজত দাখিল কৰা হ'ল। এই লোকসকলে যিবিলাক অনুষ্ঠানৰ পৰা প্রশিক্ষণ লৈ উত্তীর্ণ হোৱা প্রমাণ পত্র দাখিল কৰিছে, সেই অনুষ্ঠানসমূহৰ নাম ব্যক্তিৰ নামৰ বিপৰীতে উল্লেখ কৰা হৈছে। এই আটাইবোৰ অনুষ্ঠানেই Recognised অর্হতাৰ মানদণ্ড ৰক্ষাৰ খাতিৰত অসমৰ তিনিওখন মেডিকেল কলেজৰ পৰা উত্তীর্ণ হোৱা প্রার্থীক নিয়োগৰ ক্ষেত্রত প্রাধান্য দিয়া হয়। (See the Annexure-I)

★ শ্রী আলী আকবৰ মিঞা ঃ মাননীয় সভাপতি মহোদয়, মাননীয় মন্ত্রী মহোদয়ে কৈছে যে যিসকলক নিয়োগ কৰা হৈছে সেইসকল ৰিকগনাইজ অনুষ্ঠানৰ পৰা পাছ কৰা। এতিয়া মোৰ প্রশ্ন হৈছে ১৭/৭/৯৫ তাৰিখে এখন চিঠি দিছে। সেই চিঠিৰ নং হ'ল এইচ এচ ই/৩৭/৯৫/১০০০৯১-১১৩, তাৰিখ ১৭।৭।৯৫। সেই চিঠিখনত কৈছে—What action will be taken on the employees who have obtained certificates from the non-recognised institute of Laboratory technician? এই চিঠিখন ডাইৰেকটৰে দিছে। নন ৰিকগনাইজ অনুষ্ঠানৰ পৰা পাছ কৰা প্রার্থী কিমানজনক কেনচেল কৰা হ'ল। মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

★ ডাঃ কমলা কলিতা (মন্ত্রী) ঃ মাননীয় সভাপতি মহোদয়, আমাৰ কার্যকালচোৱাত এজনো বাহিৰৰ লেবৰেটৰী টেকনিচিয়ানক নিযুক্তি দিয়া নাই। আৰু যিখন চিঠিৰ কথা কৈছে সেইখন স্বাস্থ্য বিভাগৰ চিঠি নহয়। কাৰণ আমাৰ চিঠিৰ আগত এইচ এচ ই নাই। পূর্বৰ চৰকাৰৰ দিনত ধুবুৰী জিলাৰ তিনিজন বাহিৰৰ প্রশিক্ষণপ্রাপ্তক নিযুক্তি দিছিল। আমি পৰীক্ষা কৰিবলৈ দিছো। বাহিৰত প্রশিক্ষণপ্রাপ্ত লেবৰেটৰী টেকনিচিয়ানক নিযুক্তি দিয়া নহয়। বাহিৰত কিছুমান ইনষ্টিটিউট আছে তাৰ পৰা অহা লেবৰেটৰী টেকনিচিয়ান আছে টকা দি চার্টিফিকেট আনিব পাৰে। সেই কাৰণে আমি তেনেকুৱা এজনো নিযুক্তি দিয়া নাই। আগতে যিখিনি দিছিল সেইখিনি পৰীক্ষা কৰি দেখা গৈছে তেওঁলোক ৰিকগনাইজ অনুষ্ঠানৰ। গতিকে ব্যৱস্থা লোৱা নাই।

★ শ্রী আলী আকবৰ মিঞা ঃ মাননীয় সভাপতি মহোদয়, মাননীয় মন্ত্রীয়ে কৈছে

সেইখন চিঠি আমাৰ নহয়। আপোনাৰ জৰিয়তে চিঠিখন মন্ত্ৰীক দিছো। এই চিঠিখন স্বাস্থ্য বিভাগৰ উপ-সঞ্চালকে দিছে আৰু সঞ্চালকে চহী কৰিছে। নন ৰিকগনাইজ অনুষ্ঠানৰ পৰা পাছ কৰা প্ৰাৰ্থীক নিয়োগ কৰিছে।

মাননীয় সভাপতি ঃ আপোনাৰ প্ৰশ্নটো কি?

★ **শ্ৰী আলী আকবৰ মিঞা ঃ** সভাপতি মহোদয়, যিবিলাক নন ৰিকগনাইজ অনুষ্ঠানৰ পৰা আহিছে তেওঁলোকৰ নিয়োগ বাতিল কৰিব নেকি?

★ **ডাঃ কমলা কলিতা (মন্ত্ৰী) ঃ** সভাপতি মহোদয়, মই কৈছো যে আমাৰ চৰকাৰৰ দিনত এনে নিযুক্তি হোৱা নাই। ১৯৯৬ চনতে এই সম্পৰ্কত এখন চাৰ্কুলাৰ দিছিল। এতিয়া ডি-ৰিকগনাইড অনুষ্ঠানৰ পৰা অহা বুলি প্ৰমাণ হ'লে তৎক্ষণাত বাতিল কৰাৰ কাৰণে সাজু আছো।

Mr. Speaker : Now Starred Question No. 65, Hon'ble member Shri Mohan Das, Hon'ble Minister P.W.D. is to reply.

বিষয়- পথৰ মেৰামতি

শ্ৰী মোহন দাসে, সুধিছে ঃ

★ ৬৫। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পাঠশালাৰ উত্তৰৰ কঠোৰ আলিটো সমগ্ৰ উত্তৰাঞ্চলৰ সৈতে মূল যোগাযোগৰ পথ হোৱা সত্ত্বেও মেৰামতিৰ অভাৱত ই সম্পূৰ্ণ জৰাজীৰ্ণ হৈ যাতায়াতৰ অনুপযোগী হৈ পৰাৰ সম্পৰ্কে চৰকাৰ অৱগত নে?

(খ) যদি অৱগত তেন্তে পথটো যাতায়াতৰ উপযোগী কৰি ৰখাৰ ব্যৱস্থা চৰকাৰে হাতত ল'বনে?

(গ) পাঠশালাৰ পৰা ভূটানৰ নাংলামলৈ কঠোৰ আলি হৈ যোৱা পথচোৱা B.R.T.F. বা তেনে কোনো আঁচনি চৰকাৰৰ আছে নিকি? যদি আছে, ইয়াক কেতিয়া ৰূপায়ণ কৰিব?

(ঘ) অনুগ্ৰহ কৰি এই সম্পৰ্কে তথ্য যদি আছে, সদনৰ মজিয়াত দাখিল কৰিবনে?

★ *Speech not corrected*

শ্রী নগেন শর্মা (গড়কাপ্তানি মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) যিহেতু পথটো উন্নতিকৰণৰ কাৰণে বর্ডাৰ ৰড় অ'র্গেনাইজেনক হস্তান্তৰ কৰাৰ যাৱতীয় নথিসমূহত চহী কৰা হৈছে সেই হেতুকে গড়কাপ্তানি বিভাগে পথটোৰ মেৰামতি বা উন্নতিকৰণৰ ব্যৱস্থা হাতত লোৱাৰ প্ৰশ্ন নুঠে।

(গ) এই পথচোৱা ভূটানৰ নাংলাম চিমেণ্ট ফেক্টৰী নির্মাণৰ যোগাযোগৰ সুবিধাৰ কাৰণে ভাৰত চৰকাৰৰ অনুৰোধক্ৰমে ইতিমধ্যে বর্ডাৰ ৰড় অ'র্গেনাইজেনক দিয়াৰ সিদ্ধান্ত লৈছে।

(ঘ) এই সম্পর্কে তথ্যৰ এটা টোকা সদনৰ মজিয়াত দাখিল কৰা হ'ল।

★ **শ্রী মোহন দাস ঃ** মাননীয় সভাপতি মহোদয়, অতি দুখ আৰু ক্ষোভেৰে মই এই প্ৰশ্নটো কৰিবলগীয়া হৈছে। কাৰণ ৰাস্তা-ঘাটৰ অৱস্থা এনেয়ে শোচনীয়। তথাপিও এই ৰাস্তাটোৰ ক্ষেত্ৰত বিশেষকৈ সমস্যাৰ সন্মুখীন হৈছো আৰু সেই কাৰণে প্ৰশ্নৰ উত্থাপন কৰিছো। মন্ত্রীয়ে যিটো উত্তৰ দিছে সেই সম্পর্কত জানিবলগীয়া আছে। মই জনাত যদি ভুল হোৱা নাই ১৯৯৮ চনৰ ২৮ তাৰিখে বর্ডাৰ ৰোড অ'র্গেনাইজেশ্বনক এই ৰাস্তাটো ৪ বছৰৰ কাৰণে লিজত দিয়াৰ অর্ডাৰ হৈছে। কথাটো হ'ল হেণ্ডঅভাৰ আৰু টেক্অভাৰৰ কাৰণে কি হৈছে। ইমান মাহ যোৱাৰ পিছতো বর্ডাৰ অ'র্গেনাইজেচনৰ ফালৰ পৰা টেকঅভাৰ কৰা নাই. এতিয়া কথা হ'ল সেই ৰাস্তাটো গড়কাপ্তানি বিভাগেও কোনো মেৰামতি কৰাৰ ব্যৱস্থা নল'লে। আমি ক'লে কয় তেওঁলোকক দিয়া হৈছে। আমি সেই অ'র্গেনাইজেচনৰ কোনো আগ্রহ দেখা নাই। আমাৰ বিভাগৰ ফালৰ পৰাও ভাল কৰাৰ কোনো ব্যৱস্থা কৰা হোৱা নাই। বিধায়ক উন্নয়ন পুঁজিৰ পৰা অলপ টকা দি অলপ ভাল কৰিছো। সেই কাৰণে মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো তেওঁলোকৰ ফালৰ পৰা ৰাস্তাটো কেতিয়া টেকঅভাৰ কৰে। বাৰিষা আহিলেই। বৰষুণ দিয়াৰ আগতে ভাল কৰাৰ আশ্বাস দিলে নিশ্চিত হ'ব পাৰিম।

★ **শ্রী নগেন শর্মা (মন্ত্রী) ঃ** মাননীয় সভাপতি মহোদয়, মাননীয় সদস্যগৰাকীয়ে যিটো প্রশ্ন কৰিছে আমি ইতিমধ্যে বি, আৰ, টি অ'র্গেনাজেচনক নির্দেশ দিছো। তেখেতসকলক স্পষ্টভাৱে জনোৱা হৈছে। যদি সময়মতে উত্তৰ নিদিয়ে তেতিয়াহ'লে আমাৰ ফালৰ পৰা ব্যৱস্থা লোৱা হ'ব।

★ **শ্রী জগ মোহন বসুমতাৰী** ঃ মাননীয় সভাপতি মহোদয়, মাননীয় সদস্যই যিটো পাঠশালাৰ উত্তৰৰ কঠোৰ আলিটো সঁচাকৈ ক'বলৈ হ'লে অতি শোচনীয় অৱস্থা। তাত বৰ্তমান লঘু যান-বাহন যাব পাৰিলেও বাৰিষা হোৱাৰ পিছত তাত চাইকেলহে নালাগে মানুহ খোজকাঢ়ি যোৱাটো অসুবিধা হ'ব। সেই ৰাস্তাটো হৈ নুঠিলে মানুহৰ যাতায়াতৰ লগতে বিভিন্ন সমস্যা হ'ব। এই ৰাস্তাটো বিভাগৰ ফালৰ পৰা মেৰামতি কৰাৰ ব্যৱস্থা হাতত ল'বনে?

★ **শ্রী নগেন শর্মা** ঃ মাননীয় সভাপতি মহোদয়, মই আগৰ প্ৰশ্নতেই কৈছিলো যে এইটো বি, আৰ, টি অ'র্গেনাইজেচনক দিয়া হৈছে। তেখেতসকলে নকৰিলে শেহতীয়াকৈ চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা লোৱা হ'ব।

★ **Shri Jogmohan Basumatary :** We have come to know from the border road organisation that they have not received any instruction for constructing this road. Will Hon'ble Minister, P.W.D. take serious action about this matter. Otherwise the people of this whole area will extremely suffered.

★ **Shri Nagen Sarma, (Minister, P.W.D.) :** I will take necessary action.

(Starred question No. 66, was not raised as the questioner was not present. However, the said question deemed to have been lapsed.)

Re. : Metalling & blacktopping scheme.

Shri Binod Gayary asked :

★ 67. Will the Minister of P.W.D. be pleased to state :

(a) Whether the Government has any proposal for metalling and blacktopping scheme on Sarupeta Bhuyapara P.W.D. road?

(b) If so what measures have been taken to improve the said road?

Shri Nagen Sarma (Minister P.W.D.) replied :

(a) No proposal for metalling and blacktopping scheme has yet been proposed by the Govt., at preset.

(b) Does not arise.

★ **Shri Binod Gayary** : Hon'ble Chairman, Sir, I am really sorry to note from Hon'ble Minister, P.W.D. that no proposal has been taken for metalling and blacktopping of this particular road. This is the single and oldest road of that locality. So this is a very old road. So, I would like to know from the Hon'ble Minister, P.W.D., what action he has contemplating to do for metalling and blacktopping this particular road. Because he has already said that no proposal has been given for metalling and blacktopping. So what step would be taken.

★ **Shri Nagen Sarma, (Minister, P.W.D.)** : Particularly that is under BAC area. So metalling & blacktopping of this road is required to be done by Bodoland Autonomous Council.

★ **Shri Binod Gayary** : This is not totally true. This is not totally in BAC area. I would like to know from the Minister that who will look after the portion which is not covered by BAC e.g. Bhabanipur and many other places. What will be the measures Govt. will take in other roads which is not covered under BAC.

★ **Shri Nagen Sarma, (Minister, P.W.D.)** : I have already taken action on those areas which are not under BAC.

Mr. Chairman : Now Starred question No. 68. Hon'ble member Shri Devakanta Ramchiary.

★ *Speech not corrected*

বিষয়— ওদালগুৰি চিকিৎসালয়

শ্রী দেৱকান্ত ৰামচিয়াৰীয়ে সুধিছে ঃ

★ ৬৮। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রীয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ওদালগুৰিৰ ১০০ খন বিচনাযুক্ত চিকিৎসালয়খনৰ নির্মাণৰ কাম সম্পূর্ণ হৈছেনে?

(খ) যদি হোৱা নাই কেতিয়া সম্পূর্ণ কৰিব?

(গ) যদি সম্পূর্ণ হৈছে কেতিয়াৰ পৰা চিকিৎসা সেৱা আৰম্ভ কৰিব জনাবনে?

ডাঃ কমলা কলিতা, (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ওদালগুৰিৰ ১০০ খন বিচনাযুক্ত চিকিৎসালয়খনৰ নির্মাণৰ কাম এতিয়ালৈকে সম্পূর্ণ হৈ উঠা নাই।

(খ) কামটো অগ্রাধিকাৰ ভিত্তিত সম্পূর্ণ কৰি দিবলৈ গড়কাপ্তানি বিভাগক অনুৰোধ/ তাগিদা দি থকা হৈছে।

(গ) প্রশ্ন নুঠে।

★ **শ্রী দেৱকান্ত ৰামচিয়াৰী ঃ** মাননীয় সভাপতি মহোদয়, আজি বহুদিন ধৰি এই চিকিৎসালয়ৰ কামটো সম্পূর্ণ হৈ উঠা নাই। ৪০ শতাংশ কাম কৰিব পৰা নাই। কিন্তু ইতিমধ্যে তাত আর্মিয়ে কেম্প কৰি আছে। আর্মিৰ কেম্প থাকিলে ইয়াৰ কাম কেনেকৈ সম্পূর্ণ হ'ব। মাননীয় মুখ্যমন্ত্রীৰ লগত আলোচনা কৰি সেই আর্মি কেম্পটো উঠাই দিয়াৰ ব্যৱস্থা কৰিব নেকি? আমি এইটো জানিবলৈ পাইছো যে কেম্পত থকা আর্মিবিলাক বদলি হ'লে কেম্পৰ টিং বিলাক খুলি ট্রাঙ্ক বনাই লৈ যায়। এই কথাটো মন্ত্রীৰ অৱগত নে যদি অৱগত তাৰ এটা বিশেষ ব্যৱস্থা ল'ব লাগে।

★ **ডাঃ কমলা কলিতা(মন্ত্রী) ঃ** মাননীয় সভাপতি মহোদয়, এইখন এখন চিভিল হস্পিতেল। ইয়াৰ কাম প্রায় ৮০ শতাংশ হৈছে। এতিয়া তাত ও, পি, ডি, ডাক্তৰৰ কোৱার্টাৰ, নার্চৰ কোৱার্টাৰ আৰু পানী যোগান ব্যৱস্থা কৰিবলৈ বাকী আছে। আমাৰ গড়কাপ্তানি বিভাগৰ মন্ত্রী আৰু বিষয়াসকলৰ লগত এক আলোচনা কৰি

★ *Speech not corrected*

ইয়াৰ বাকীখিনি কাম সম্পূৰ্ণ কৰা হ'ব। আমি ওদালগুৰি চিভিল হস্পিতেল আৰু দুটামান অনুষ্ঠান অগ্ৰাধিকাৰ ভিত্তিত কৰিবলৈ লৈছো। সেইটো আমি গড়কাপ্তানি বিভাগৰ লগত আলোচনা কৰি আগবাঢ়িছো আৰু সোনকালে কাৰ্যকৰী কৰিবলৈ ব্যৱস্থা ল'ম।

★ **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় সভাপতি মহোদয়, মাননীয় সদস্য ৰামচিয়াৰী ডাঙৰীয়াই যিটো অভিযোগ আনিছে- আৰ্মিয়ে কেম্পৰ টিংপাত খুলি ট্ৰাঙ্ক বনাই লৈ গৈছে সেইটো অতি গুৰুতৰ অভিযোগ। এইটো এটা ডিচপ্লেনেৰী অ'র্গেনাইজেচন। এওঁলোকে এনেবিলাক কাম কৰে। আমি অন্য ঠাইতো দেখিছো গছ কাটি তহিলং কৰি দিছে। তেওঁলোকে ইয়াৰ পৰা কাঠ লৈ গৈ আছে। চৰকাৰে ইয়াৰ এটা সুব্যৱস্থা ল'ব লাগে।

★ **শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ** মাননীয় সভাপতি মহোদয়, এইটো ইম্পৰ্টেণ্ট কথা। হস্পিতেলবিলাক আৰ্মিয়ে দখল কৰি আছে। তেওঁলোকক তাত কিয় তাত থাকিবলৈ দিয়া হৈছে? কিছুদিনৰ আগতে গম পাইছিলো যে মৰিগাঁৱৰ জেইলত আৰ্মি থাকিবলৈ দিয়া হৈছিল। মাননীয় বিধায়কে অভিযোগ কৰা মতে ওদালগুৰি হস্পিতালৰ পৰা টিংপাত খুলি আৰ্মিয়ে ট্ৰাংক বনাই নিছে। সেইটো পৰিতাপৰ কথা। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নিজেই গৃহ বিভাগৰ দায়িত্বত থকা মন্ত্ৰী তেনেস্থলত ভৱিষ্যতে তেনে কাৰ্য নকৰিবলৈ নিৰ্দেশ দিব পাৰে। আৰ্মিয়ে বেছি কৰিছে।

★ **ডাঃ কমলা কলিতা (মন্ত্ৰী) ঃ** মাননীয় সভাপতি মহোদয়, মই কৈছো যে ওদালগুৰি চিকিৎসালয়খন নিৰ্মাণৰ কাম অগ্ৰাধিকাৰৰ ভিত্তিত সম্পূৰ্ণ কৰি ইয়াক কাৰ্যক্ৰম কৰাৰ কাৰণে সিদ্ধান্ত লৈছো আৰু তেনে ঠাইবিলাকত আৰ্মিক থাকিবলৈ দিয়া নহ'ব।

★ **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় সভাপতি মহোদয়, গড়কাপ্তানি বিভাগে এই হস্পিতালখনক স্বাস্থ্য বিভাগলৈ হস্তান্তৰ কৰা নাই।

★ **ডাঃ কমলা কলিতা (মন্ত্ৰী) ঃ** মাননীয় সভাপতি মহোদয়, তেনে কোনো অভিযোগ মই গড়কাপ্তানি বিভাগৰ পৰা পোৱা নাই। মই ভাবো বিষয়টোৰ প্ৰতি লক্ষ্য ৰাখি এই সম্পৰ্কত মই জিলা উপায়ুক্তৰ পৰা প্ৰতিবেদন ল'ম।

★ **Dr. Ardhendu Kumar Dey :** Mr. Chairman Sir, point of order. Two Hon'ble Ministers read news paper during the question hour and which is objectionable.

Mr. Chairman : Now question No. 69.

Re. : P.W.D. Bridges

Shri Bimolangshu Roy asked :

★ **69.** Will the Minister of P.W.D. be pleased to state :

(a) How many bridges have been taken-up in Cachar P.W.D., division under R.I.D.F.? (Please furnish the names of bridges constituency-wise in the district of Cachar).

(b) Is it a fact that condition of Chincoorie bridge in Silchar is extremely deplorable and though work order was issued long back for construction of said bridge but for non-placement of fund contractor has not executed the work?

(c) Will the Govt. execute the work urgently in the public interest?

(d) Will the Govt. also improve the Silchar central University road and Kathal Road?

(e) It so, when?

Shri Nagen Sarma (Minister, P.W.D.) replied :

(a) Nil.

(b) No, it is traffic-worthy for light vehicles. For non-availability of adequate fund the work could not be started.

(c) Yes, when funds can be allocated.

(d) Yes, when funds can be allocated.

(e) As soon as adequate fund is received under proper head of account.

☆ **Shri Bimolangshu Roy :** The replies of the Hon'ble

☆ *Speech not corrected*

Minister are very unfortunate. Hon'ble Minister reply No. (a) how many bridges have been taken up in Cachar P.W.D. division under R.I.D.F.-replied as nil.

R.I.D.F.I, R.I.D.F.II, R.I.D.F.III, and new R.I.D.F.IV, is to be taken up and crores of rupees have been utilised for construction of R.I.D.F. but not a single bridge on Cachar district. Now, may I Know Sir, how many bridges have been constructed under R.I.D.F.1, R.I.D.F.2, & R.I.D.F.3, in the state?

★ **Shri Nagen Sarma, (Minister) :**

The total number of R.I.D.F. 2 = 33 bridges.

The total number of R.I.D.F. 3 = 11 bridges.

In total = 44 nos. of bridges.

★ **Shri Bimolangshu Roy :** How much funds have been utilised for the construction of these bridges?

✱ **Shri Nagen Sarma, (Minister) :** The total amount spent is Rs. 66 crores 29.1 lakhs.

Shri Bimolangshu Roy : Not a single bridge under R.I.D.F. has been taken up in the district Cachar. It is unfortunate the reply with regard to Chengkossie bridge is dismal. This is the 4th time I am asking the question and all the time I have been favoured with the same type of reply. Sir, whether this scheme will be taken up during the tenure of my M.L.A.ship or during my life time?

✱ **Shri Nagen Sarma, (Minister) :** I have taken up the matter. Next year they will start work.

★ **শ্রী গৌতম ৰয় ঃ** মাননীয় সভাপতি মহোদয়, আমাৰ কাছাৰত আৰ, আই, ডি, এফ হোৱা নাই বুলি মাননীয় মন্ত্রী মহোদয়ে উত্তৰ দিছে। এই বিষয়ে মই খুব ভাল পাইছো। পিছৰ বাৰ ল'লে হাইলাকান্দিত ল'ব। কাছাৰত দিব নালাগে।

* **Shri Nagen Sarma (Minister) :** There is some norms for works. There are two schemes- , one for world Bank and another is NABARD. Particularly in Cachar District in world Bank scheme is going on. RIDF, 4 taken up but not yet completed. We will take up Hilakandi also. So, it is not overlapped by RIDF.

Shri Bimolangshu Roy : Not a single project was taken up in Silchar neither under RIDF nor under World Bank. Nothing has been taking up. About the improvement of Silchar Central University Road and Kathal Road I am to inform that the road goes to Medical college, Regional Engineering College, Polytechnic institutions, Central University etc. The condition of this Road is extremely deplorable. The University students resorted to strike and also heat for 'Rasta Rukkoo' on 17.3.99 demanding improvement of this road. Where the D.C., S.P. and S. E. had to rush for requesting the students to call off the strike. The students were are very much aggrieved & agilated as they have to go to University under great risk of life. They did not accede to their request. Whether any amount has been sanctioned for improvement of this Road and if sanctioned when work will be executed?

* **Shri Nagen Sarma (Minister) :** Hon'ble Chairman Sir, RIDF II and RIDF III and now particularly Silchar Central University Road, I think very recently we repaired the road.

Sri Bimolangshu Roy : So, Minister P.W.D. it appears is quite unaware of this. No work worth the name has been executed beyond Medical College Point. Will the Minister assure to execute the work?

* **শ্রী ভৰত চন্দ্র নৰহ ঃ** মাননীয় সভাপতি মহোদয়, মন্ত্রী ডাঙৰীয়াই কৈছে যে আই, আৰ, ডি, এফৰ আণ্ডাৰত গোটেই অসমত ৪৪ খন দলং বনাই থকা হৈছে। সেই দলংকেইখনৰ নির্মাণ কার্য্য কেতিয়া সম্পূর্ণ হ'ব?

☆ Speech not Corrected.

Shri Nagen Sarma (Minister) : It will be completed within one year 6 months. ডেৰ বছৰ মান লাগিব।

★ **শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ** ডেৰ বছৰ সময় লাগিব।

★ **শ্ৰী গহীন চন্দ্ৰ দাস ঃ** মাননীয় সভাপতি মহোদয়, আমাৰ নগাঁও জিলাখনো ওৱৰ্ল্ড বেংকৰ অধীনত পৰিছে। তাত দলং আৰু ৰাস্তাৰ কাৰণে কোনো চাৰ্ভে হোৱা নাই আৰু নিৰ্মাণৰ কামতো আগবঢ়া নাই। সেয়েহে মাননীয় সভাপতি মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

★ **শ্ৰী নগেন শৰ্মা, (মন্ত্ৰী) ঃ** মাননীয় সভাপতি মহোদয়, সদস্যগৰাকীক উত্তৰ দিবলৈ বেলেগ প্ৰশ্নৰ প্ৰয়োজন হ'ব?

Mr. Chairman : Now Question No.70. Questioner Hon'ble member Shri Kali Ranjan Dev, Hon'ble Minister Health to reply.

Re. : Upgradation of post.

Shri Kali Ranjan Deb, asked :

★ **70** : Will the Minister of Health and Family Welfare be pleased to state :

(a) In reply to my starred question no. 309 dated 15.5.98 Hon'ble Minister of Health and Family Welfare replied that steps have already been taken to upgrade the senior drug inspector's office at Silchar to assistant Drug Controller's Office.

(b) In view of above reply of Hon'ble Minister whether Assistant Drug Controller's Office has already been setup at Silchar?

Dr. Kamala Kalita, (Minister Health & F. W.) replied :

(a) The post of senior inspector of Drugs at Silchar has already been upgraded to assistant Drug Controller vied notification NO. HLA.584/97/60dtd. 23.2.99

(b) Steps have been taken to fill up the post of Assistant Drug

Controller and it is being done very soon. As soon as the Assistants. The Drug Controllers joins the office will start functioning.

Shri Kali Ranjan Deb : Honourable Chairman, Sir, in reply to the Question, Hon'ble Minister, has informed that the post of Sr. Inspector (Drugs) at Silchar has already been up-graded as Assistant Drug Controller. I think him very much for the same. But Sir, the post has not yet been filled up and has been lying vacent. In this connection, I beg to inform you that the, people, of Silchar, Hailakandi and Karimganj District i.e.Barak Valley as well as N.C. Hills have to go to Dibrugarh for their works etc. and as a result, they are getting a lot of sufferings. As the post of Asst.. Drug Controller is lying vacant at Silchar, and with a view to mitigating the sufferings of people, could I know from the Honourable Minister whether the post will be filled up and if so, when?

Dr. Kamala Kalita, (Minister) : Sir, the post of senior Inspector of Drugs at Silchar has already been upgraded to Assistant Drug Controller in view of the fact that there is a long-standing demand of the people there. The post will be filled up within next April.

Mr. Chairman : Next Question, Honourable Member, Smti. Pranati Phukan, Honourable Minister, P.W.D. is to reply.

বিষয় ঃ P.&.T. ৰ কেবুল

শ্ৰীমতী প্ৰণতি ফুকনে সুধিছে ঃ

★ ৭১। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ গুৱাহাটী Road Division ত ১৯৯৫ চনৰ মে' মাহৰ পৰা বৰ্তমানলৈকে P.&.T ৰ কেবুল বহুৱাবৰ কাৰণে উক্ত ডিভিজনত কিমান টকা দিয়া হৈছে তাৰ বাবে কোন কোন ঠিকাদাৰক কিমান টকা দিয়া হৈছে সম্পূৰ্ণ বিৱৰণ সদনৰ মজিয়াত দাখিল কৰিব ?

শ্রী নগেন শর্মা (গড়কাপ্তানি মন্ত্রী) য়ে উত্তৰ দিছে ঃ

গুৱাহাটী Road Division ত ১৯৯৫ চনৰ মে' মাহৰ পৰা বর্তমানলৈকে P.&.T ৰ কেবুল বহুওৱাৰ কাৰণে মুঠ ৭,৮৪,৬০৩.০০ টকা দিয়া হৈছে। উক্ত টকাৰ পৰা নিম্নলিখিত ঠিকাদাৰসকলক আদায় দিয়া ধন তলত উল্লেখ কৰা হ'ল।

(১) শ্রী গৌতম শর্মা	-	২,১২,৯৯৪.০০ টকা
(২) শ্রী পৰাগ শর্মা	-	৯৮,৭০৩.০০ "
(৩) শ্রী নিৰজ দাস	-	৯৮,৩৫৪.০০ "
(৪) শ্রী ৰমেন দাস	-	২,২৮,৩৫০.০০ "
(৫) শ্রী কৰুণা দেৱান	-	৮১,২২৭.০০ "
(৬) শ্রী মনোৰঞ্জন ওঝা	-	৬৪,৩০০.০০ "
		মুঠ - ৭,৮৩,৯২৮.০০ টকা

★ **শ্রী মতী প্রণতি ফুকন** ঃ গুৱাহাটী ৰোড ডিভিজনত কেবুলৰ কাম লোৱাৰ ক্ষেত্রত কোনোবা বিষয়া, ঠিকাদাৰ ইত্যাদি কেলেংকাৰীত পতিত হৈছিল নেকি আৰু এই সম্পর্কত কিবা অভিযোগ উঠিছিল নেকি? যদিহে উঠিছে কোনোবা এজন ইঞ্জিনীয়াৰক গ্রেপ্তাৰ কৰা হৈছিল নিকি আৰু বেইলত দিয়া হৈছিল নিকি? এই বিষয়ে জ্ঞাতনে?

★ **শ্রী নগেন শর্মা (গড়কাপ্তানি মন্ত্রী)** ঃ এই সম্পর্কত জ্ঞাত। এই সম্পর্কত মুখ্যমন্ত্রীৰ ভিজিলেন্সৰ দ্বাৰা অনুসন্ধান কৰা হৈছে আৰু এজন ইঞ্জিনীয়াৰক গ্রেপ্তাৰ কৰা হৈছে আৰু বেইলত দিয়া হৈছে।

★ **শ্রী ভৰত চন্দ্র নৰহ** ঃ চেয়াৰমেন মহোদয়, এই যে মুখ্যমন্ত্রীৰ ভিজিলেন্স কমিটিয়ে যিটো অনুসন্ধান কৰিছে সেইটো কেতিয়া মানে শেষ হ'ব? যদি এটা ডিভিজনতেই অনুসন্ধান কৰোতে ৪/৫ মাহ সময় লাগে তেতিয়াহ'লে ইমান বিলাক ডিভিজনৰ অনুসন্ধান কৰোতে আৰু কিমান সময় লাগিব? গতিকে মুখ্যমন্ত্রীৰ লগত এই বিষয়ে আলোচনা কৰি অনুসন্ধানৰ কামটো শেষ কৰিবনে?

★ শ্রী নগেন শর্মা (গড়কাপ্তানি মন্ত্রী) ঃ এই বিষয়ে মুখ্যমন্ত্রী মহোদয়ৰ লগত আলোচনা কৰি অনুসন্ধান শেষ কৰাৰ কাৰণে চেষ্টা কৰিম।

Mr. Chairman : Now starred Question No 72, Hon'ble Member Shri Sarat Barkataki is the Questioner- Minister, P.W.D. is to reply.

ৰিষয় ঃ ধোদৰ আলিৰ অৱস্থা

শ্রী শৰৎ বৰকটকীয়ে সুধিছে ঃ

★ ৭২। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) সোণাৰীৰ পৰা দিল্লিঘাটলৈকে ধোদৰ আলিৰ ও দলংসমূহৰ অৱস্থা অতি শোচনীয়, চৰকাৰ অৱগত নে?

(খ) যদি অৱগত এই দলংসমূহ আৰু ৰাস্তা নির্মাণ ও মেৰামতি কেতিয়া কৰা হ'ব জনাবনে?

শ্রী নগেন শর্মা (গড়কাপ্তানি বিভাগৰ মন্ত্রী),য়ে উত্তৰ দিছে ঃ

(ক) অৱগত।

(খ) মেৰামতি কৰিবলৈ আৱশ্যকীয় ব্যৱস্থা গ্রহণ কৰা হৈছে।

★ **শ্রী শৰৎ বৰকটকী** ঃ মাননীয় চেয়াৰমেন মহোদয়, মাননীয় মন্ত্রী ডাঙৰীয়াই উত্তৰত কৈছে যে অৱগত আৰু ব্যৱস্থা লোৱা হৈছে, ধোদৰ আলি ৰাস্তাটোত কেইবাখনো কাঠৰ দলং আছে। সেইকেইখন ৰিপিয়াৰিং নকৰিলে ধোদৰ আলিটো যাতায়াতৰ কাৰণে বন্ধ হৈ থাকিব, এই ৰাস্তাটো এতিয়া অচল হৈ আছে, ৰিপিয়াৰিঙৰ কাম হোৱা নাই। গতিকে ইয়াৰ কাম কেতিয়া আৰম্ভ হ'ব আৰু সম্পূর্ণ হ'ব মন্ত্রী মহোদয়ে জনাবনে?

★ **শ্রী নগেন শর্মা (মন্ত্রী গড়কাপ্তানি)** ঃ চেয়াৰমেন মহোদয়, এই ধোদৰ আলিটো ২১২ কিঃ মিঃ ইয়াৰে ১০০ কিঃ মিঃ এন, ই, চিৰ তলত কাম চলি আছে। ৰাস্তাৰ কাম ক্রমান্বয়ে হোৱা নাই, বিভিন্ন ঠাইত ইয়াৰ কাম চলি আছে

★ *Speech not corrected*

আৰু সেই কাৰণেই অসুবিধা হৈছে, এতিয়া ১০০ কিঃ মিঃ কাম চলি আছে তাৰোপৰি তাত ৪খন কাঠৰ দলং আছে। সেইটো জৰীপ কৰি থকা হৈছে, জৰীপৰ পিছত এই বছৰত নহ'লেও অহা বছৰৰ আৰম্ভণিতে শেষ কৰা হ'ব।

★ **শ্ৰী শৰৎ বৰকটকী** ঃ চেয়াৰমেন মহোদয়, এন, ই, চিৰ ৰাস্তাটোৰ কাম বন্ধ হৈ আছে। ৪/৫ মাহ হৈ গ'ল কোনো কাম হোৱা নাই, যিজন ঠিকাদাৰক এই কামটো দিয়া হৈছে তেওঁ আগতেও এনেধৰণৰ খেলিমেলি কৰি আছে, সেই কাৰণে তেওঁক বন্ধ কৰিছিলো। এতিয়া ৫/৬ মাহ পাৰ হ'ল একো কাম কৰিব পৰা নাই। তাত কেৱল কিছুমান বল্ডাৰ পৰি আছে, গতিকে ইয়াৰ কাম কেতিয়া আৰম্ভ কৰা হ'ব জনাবনে?

★ **শ্ৰী নগেন শৰ্মা (মন্ত্ৰী, গড়কাপ্তানি)** ঃ চেয়াৰমেন মহোদয়, টেণ্ডাৰ পেপাৰ স্বাক্ষৰ কৰাৰ সময়তে সেই ঠিকাদাৰসকলক নিৰ্দেশ দিয়া হয় যদি তেওঁলোকে নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত কামখিনি শেষ কৰিব নোৱাৰে তেতিয়াহ'লে তেওঁলোকৰ ওপৰত পেনাল্টি কৰা হয়। এই ক্ষেত্ৰতো যদি ঠিকাদাৰজনৰ সময় ওকলি যায় তেতিয়হ'লে তেওঁক অৱগত কৰা হ'ব যদি তেতিয়াও নোৱাৰে তেওঁক বদলি কৰি আন এজনক কামটো দিয়া হ'ব। এই কামটোৰ পৰা তেওঁক নাকচ কৰা হ'ব।

Mr. Chairman : Now Question No. 73, Hon'ble Member Shri Pradyut Bordoloi is the questioner, Minister P.W.D. is to reply

বিষয় ঃ ৰাস্তা-ঘাট মেৰামতি।

শ্ৰী প্ৰদ্যুৎ বৰদলৈয়ে সুধিছে ঃ

★ ৭৩। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তিনিচুকীয়াৰ P.W.D (Roads) Divesionক ১৯৯৭-৯৮ আৰু ১৯৯৮-৯৯ বছৰ কেইটাৰ বাবে ৰাস্তা-ঘাট মেৰামতি আৰু সাজিবলৈ মুঠতে কিমান টকা মুকলাই দিয়া হৈছিল?

(খ) এই টকাৰ ভিতৰত কোনকেইটা ৰাস্তা মেৰামতি কৰা হৈছে জনাবনে?

শ্রী নগেন শর্মা (গড়কাপ্তানি মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) নির্মাণ শিতানত ঃ

১৯৯৭-৯৮ চনত- ১০২.০০ লাখ টকা

১৯৯৮-৯৯ চনত- ১০৬.৩১ লাখ টকা

মেৰামতি শিতানত ঃ ১৯৯৭-৯৮ চনত- ১৭.২৫ লাখ টকা

১৯৯৮-৯৯ চনত- ৩২.৫০ লাখ টকা

(খ) ৰাস্তা মেৰামতিৰ তালিকা এখন মাননীয় সদনৰ মেজত উপস্থাপন কৰা হ'ল।

(See the Annexure I-A)

শ্রী প্রদ্যুৎ বৰদলৈ ঃ মাননীয় চেয়াৰমেন মহোদয়, ১৯৯৭-৯৮ চনৰ ভিতৰত ৰাস্তা-ঘাট আৰু মেৰামতিৰ বাবদত ৰোড ডিভিজন বিলাকত গড়ে কিমান টকা দিয়া হৈছিল?

শ্রী নগেন শর্মা (মন্ত্রী, গড়কাপ্তানি) ঃ চেয়াৰমেন মহোদয়, গোটেইবিলাক ডিভিজনৰ ক্ষেত্রত কিমান টকা দিয়া হৈছে গড়ে, তাৰ উত্তৰ দিবলৈ সুকীয়া প্রশ্নৰ প্রয়োজন হ'ব, আপোনাৰ প্রশ্নৰ এটা ডিভিজনৰ উত্তৰ দিয়া হৈছে। বাকীবোৰৰ কাৰণে সুকীয়া প্রশ্ন কৰিলে ভাল হয়।

(কুৱেশ্যন আৱাৰ ইজ অভাৰ)

(Starred Question No. 74 to 80 could not be taken up for disposal as the Question hour was over. However, the replies of the said Questons deemed to have been laid on the table of the House.)

বিষয় ঃ হাজো P.W.D. Sub-Division

শ্রী পৃথিৰী মাঝিয়ে সুধিছে?

★ ৭৪। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

★ *Speech not corrected*

(ক) হাজো (P.W.D. Sub-Division) ত ১৯৮৫ চনৰ পৰা ১৯৯০ চনলৈকে কোন (S.D.O.) ই কার্যনির্বাহ কৰি আছিল?

(খ) উক্ত বছৰকেইটাত কোন কোন ৰাস্তা আৰু দলঙৰ বাবে টকা দিয়া হৈছিল?

(গ) উক্ত টকা কোন কোন ঠিকাদাৰক কামৰ বিপৰীতে দিয়া হৈছিল, (তালিকাসহ সদনৰ মেজত দিব)

শ্রী নগেন শর্মা (গড়কাপ্তানি মন্ত্রী),য়ে উত্তৰ দিছে ঃ

(ক) হাজো (P.W.D. Sub-Division) ত ১৯৮৫ চনৰ পৰা ১৯৯০ চনলৈকে শ্রী আফতাব হুছেইন আৰু শ্রী ধীৰেশ্বৰ বৰঠাকুৰ-য়ে S.D.O.(Asstt. Executive Engineer) হিচাবে কার্য নির্বাহ কৰিছিল।

(খ) উপ-সংমণ্ডলৰ কোনো বিশেষ ৰাস্তা বা দলঙৰ বিপৰীতে ধন আবণ্টন কৰা নহয়।

(গ) কামৰ নাম, ঠিকাদাৰৰ নাম আৰু তেওঁলোকে পোৱা টকাৰ পৰিমাণৰ এখন তালিকা মাননীয় সদনৰ মেজত উপস্থাপন কৰা হ'ল। (See the Annxure - I-B)

বিষয় ঃ প্রশিক্ষণ কেন্দ্র

শ্রী মোহিনী বসুমতাৰীয়ে সুধিছে ঃ

★৭৫। মাননীয় **স্বাস্থ্য আৰু পৰিয়াল কল্যাণ** বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বঙাইগাঁও জিলাত বর্তমানলৈকে (ANM) ওৰ প্রশিক্ষণ কেন্দ্র স্থাপন হোৱা নাই, যাৰ বাবে শিক্ষার্থীসকলে আজি প্রায় চাৰি বছৰ ধৰি প্রশিক্ষণৰ পৰা বঞ্চিত হৈ আছে, চৰকাৰ অৱগতনে?

(খ) চৰকাৰে ইয়াৰ বাবে কিবা বিহিত ব্যৱস্থা লৈছেনে? যদি লোৱা নাই, কিয়?

ডাঃ কমলা কলিতা, (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বঙাইগাওঁ জিলাত বর্তমানলৈকে (ANM) ৰ প্রশিক্ষণ কেন্দ্র স্থাপন হোৱা নাই সঁচা, কিন্তু বঙাইগাওঁ জিলাৰ শিক্ষার্থী এই প্রশিক্ষণৰ পৰা বঞ্চিত হোৱা নাই।

(খ) চৰকাৰে বঙাইগাঁও জিলাত এটা প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনৰ বাবে ব্যৱস্থা হাতত লৈছে। ইতিমধ্যে বঙাইগাওঁ জিলাৰ অৰ্হতাসম্পন্ন ৩০ গৰাকী শিক্ষাৰ্থীক কোকৰাঝাৰ আৰু গোৱালপাৰা জিলাৰ (ANM) ট্ৰেইনিং চেণ্টাৰত ব্যৱস্থা কৰা হৈছে।

বিষয় ঃ শিতানৰ টকা

শ্ৰী নিজামুদ্দিন খানে সুধিছে ঃ

★৭৬। মানীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯৮-৯৯ বিত্তীয় বৰ্ষত বৰপেটা জিলালৈ কোন শিতানত কিমান টকা মোকলাই দিয়া হৈছে?

(খ) এই টকা কোন কোন আঁচনিৰ বাবে কিমানকৈ আদায় দিয়া হৈছে?

(গ) কাম নকৰাকৈয়ে কোনো কোনো আঁচনিৰ নামত টকা আদায় দিয়া কথাটো সঁচানে?

(ঘ) আঁচনি অনুযায়ী আদায় দিয়া টকাৰ বাবে তদন্ত মৰ্মে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবনে?

শ্ৰী নগেন শৰ্মা (গড়কাপ্তানি মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯৮-৯৯ বিত্তীয় বৰ্ষত তলত দিয়া ধৰণে বৰপেটা জিলালৈ টকা মোকলাই দিয়া হৈছে—

(১) 3054-R&B-non-plan = ১৮.৪৪ লাখ

(২) 5054-Co-on-R&B-plan-(MNP) = ৮৬.০০ লাখ

(৩) 5054-Co-on-R&B-plan-(OMNP)= ৭৬.১৪ লাখ

(৪) 2245-FDR = ২৩.৬৩ লাখ

(খ) আঁচনিৰ নামৰ বিপৰীতে আদায় দিয়া টকাৰ এখন তালিকা মাননীয় সদনৰ মেজত উপস্থাপন কৰা হ'ল। (See the Annexure-II)

(গ) সঁচা নহয়।

(ঘ) প্ৰশ্ন নুঠে।

বিষয় ঃ চিকিৎসালয় নির্মাণ ঃ

শ্রী বৃন্দাবন গোস্বামীয়ে সুধিছে ঃ

★ ৭৭। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ তেজপুৰৰ কনকলতা অসামৰিক চিকিৎসালয় পুনৰ্নির্মাণৰ কাৰণে ব্যৱস্থা লোৱা হৈছে নেকি?

ডাঃ কমলা কলিতা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

হয়, হৈছে। তেজপুৰ চহৰৰ গাতে লাগি থকা পৰুৱাত এখন ২০০ খন বিচনাযুক্ত অসামৰিক চিকিৎসালয় স্থাপনৰ বাবে মুঠ দুই কোটি এক লাখ এঘাৰ হেজাৰ দুশ টকাৰ প্রশাসনীয় অনুমোদন দিয়া হৈছে। উক্ত গৃহ নির্মাণৰ কাম চলি আছে আৰু কামৰ বর্তমানৰ অগ্রগতি চৌৱিশ শতাংশ।

বিষয় ঃ মাষ্টাৰৰোল কর্মচাৰীৰ সংখ্যা।

শ্রী মুনিন মহন্তয়ে সুধিছে ঃ

★ **৭৮/ মাননীয় গড়কাপ্তানি মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) গড়কাপ্তানি বিভাগত মাষ্টাৰৰোলত থকা শ্রমিকৰ সংখ্যা কিমান? (Divisionwise সংখ্যাটো সদনৰ মেজত দিব।)

(খ) চৰকাৰী নীতি মতে নিয়মীয়াকৰণ (Regulization) হ'ব পৰাকৈ ১৫ বছৰ M.R. হিচাবে সম্পূর্ণ কৰা মাষ্টাৰৰোল শ্রমিকৰ সংখ্যা কিমান? (Divisionwise সংখ্যাটো সদনৰ মেজত দিব।)

(গ) নিয়মীয়া মাষ্টাৰৰোল শ্রমিক Confirm নোহোৱাকৈ থকাৰ সংখ্যা কিমান? (Divisionwise সংখ্যাটো সদনৰ মেজত দিব।)

শ্রী নগেন শর্মা (গড়কাপ্তানি মন্ত্রী,)য়ে উত্তৰ দিছে ঃ

(ক) ৮০১৯ জন (Divisionwise) তালিকা লগত গাঁথি দিয়া হ'ল।)

(খ) ১২৫৬ জন (১-৩-৯৭ লৈকে)। (Divisionwise) তালিকা লগত গাঁথি দিয়া হ'ল।

(গ) ২৭১০ জন। Divisionwise তলত গাঁথি দিয়া হ'ল।

(See the Annexure- III)

Re. : Annual repairing Expenditure on Roads.

Shri Dilip Kr. Saikia asked :

★ 79. Will the Minister, P.W.D. be pleased to state :–

(a) What are the annual repairing and periodical repairing expenditure under roads incurred by the department as a whole throughout the State of Assam during the year, 1996-97, 1997-98 and 98-99? (Furnish year - wise and divn. - wise expenditure of the above years.) (See the Annexure IV)

(b) Is there any saving/deficit as provided in the Budget during the above mentioned years?

(c) What are expenses incuerred on F.D.R. during the financial year viz, in 1996-97, 1997-98 and 1998-99 in state as a whole?

(d) Is there any saving/deficit amount to the fund provided in the Budget for the above mentioned years? (Furnished year wise and Divisionwise position including Division of Dhakuakhana, Jonai and Dhemaji)

(e) If the works remained incomplete what action have been taken by the Govt. to complete the flood damaged works?

Shri Nagen Sarma (Minister, P.W.D.) replied :

(a) Expenditure against annual repairing of state Roads as a whole during the year 1996-97, 1997-98 & 1998-99 is as shown below. As regards periodical repairing in case of state Roads there is no separate provision in the Budget and it is done from normal repairing provision.

★ *Speech not corrected*

Year	Budget Provision	Expenditure	Saving/Deficit
1	2	3	4
1996-97	Rs. 880.00 L.	505.04 L.	(-) Rs.374.96 L.
1997-98	Rs. 2000.00 L.	1002.31 L.	(-) Rs. 997.96 L.
1998-99	Rs. 2700.00 L.	1567.33 L.	(-) Rs. 1132.67 L.

A List of yearwise and divisiowise expenditure is placed on the table of the August House.

(b) Saving/Deficit is reflected in reply at (a) above in column No.4.

(c) The expenses incurred on F.D.R. during the financial year 1996-97, 97-98 & 1998-99 are as shown below.

Year	Budget Provision	Expenditure	Saving/Deficit
1996-97	There is no Budget provision for F.D.R.	Rs. 1000.00 L.	-
1997-98	- do	Nil	-
1998-99	- do-	Rs.774.60 L.	-

During 1997-98 expenditure for F.D.R. was made through the Deputy Commissioners.

(d) As the F.D.R. fund is provided by Revenue Dept.. Saving/Deficit as per Budget could not be shown. A list of yearwise and Division-wise position including Dhakuakhana, Jonai and Dhemaji Civil sub-Division is placed on the table of the August House. (See the Annexure – IV-A)

(e) The incomplete works under F.D.R. will be taken up and completed as soon as fund is received.

বিষয় ঃ চিকিৎসালয়ৰ সামগ্ৰী ঃ

শ্ৰী মতি সুশীলা হাজৰিকাই সুধিছে ঃ

★ ৮০। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডেৰগাঁৱৰ ধেমাজিত ৩০ খন বিচনাযুক্ত চিকিৎসালয়ৰ প্ৰয়োজনীয় সামগ্ৰী আৰু বিভিন্ন বিভাগত চিকিৎসক নিযুক্তি দিয়া হৈছেনে?

(খ) যদি হোৱা নাই, প্ৰয়োজনীয় সামগ্ৰীসমূহ কেতিয়া যোগান ধৰা হ'ব তথা চিকিৎসক নিযুক্তি দিয়া হ'ব?

ডাঃ কমলা কলিতা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ ডেৰগাঁৱৰ ধেমাজিত অৱস্থিত ৩০ খন বিচনাযুক্ত চিকিৎসালয়ৰ প্ৰয়োজনীয় সামগ্ৰী আংশিকভাৱে যোগান ধৰা হৈছে— একেদৰে সংমোদিত পদৰ বিপৰীতে চিকিৎসক নিযুক্তি দিয়া হৈছে। বৰ্তমান তিনিজন চিকিৎসকৰ এজন বদলি হোৱাৰ বাবে পদটো পূৰণ কৰিবলৈ বাকী আছে।

(খ) বাকী থকা সামগ্ৰীসমূহ পুঁজি সাপেক্ষে সময়ত যোগান ধৰা হ'ব।

Unstarred Questions and Answers

বিষয় ঃ ফেৰী ঘাট পট্টন।

শ্ৰী শুকুৰ আলী,য়ে সুধিছে ঃ

৪৭/ মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত আভ্যন্তৰীণ জলপৰিবহন বিভাগৰ অধীনত কিমানটা ফেৰী ঘাট আছে।

(খ) উক্ত ফেৰী ঘাটৰ পৰা ১৯৯৮-৯৯ চনত চৰকাৰৰ কিমান টকা আয় হৈছে?

(গ) ১৯৯৯-২০০০ চনৰ বাবে নিবিদা আহ্বান কৰা হৈছে নে?

(ঘ) যদি হৈছে তেন্তে ৩১ মাৰ্চৰ ভিতৰত পট্টন দিয়া হ'বনে?

শ্ৰী প্ৰদীপ হাজৰিকা (পৰিবহন মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসম আভ্যন্তৰীণ জলপৰিবহন বিভাগৰ অধীনত মুঠ ৭২ টা ফেৰী ঘাট আছে।

(খ) উক্ত পাৰ ঘাটৰ পৰা ১৯৯৮-৯৯ চনৰ ফেব্রুৱাৰী মাহলৈ চৰকাৰৰ মুঠ ১,৮৭,৩৩,৯৪৩ টকা আয় হৈছে।

(গ) মুঠ ৭১ টা ফেৰী ঘাটৰ নিবিদা আহ্বান কৰা হৈছে।

(ঘ) পটুন দিয়াৰ প্ৰচেষ্টা চলোৱা হৈছে।

বিষয় ঃ I.C.D.S. কেন্দ্ৰ।

শ্ৰী আলাউদ্দিন সৰকাৰে সুধিছে ঃ

৪৮/ মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যৰ বিভিন্ন সমষ্টিত মুঠ কিমানটা I..C.D.S. কেন্দ্ৰ খোলাৰ বাবে চৰকাৰে আঁচনি যুগুতাইছিল? (সমষ্টিসমূহৰ সতে কেন্দ্ৰৰ সংখ্যা উনুকিয়াব)

(খ) উক্ত কেন্দ্ৰসমূহ নোখোলাৰ কাৰণ কি?

(গ) বৰ্তমানে উক্ত কেন্দ্ৰসমূহ খোলাৰ বাবে চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰীমতী ৰেখাৰাণী দাস বড়ো (সমাজ কল্যাণ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৬ টা ব্লকৰ বাবে আঁচনি যুগুতোৱা হৈছিল। শিশু উন্নয়ন প্ৰকল্পবোৰ উন্নয়ন খণ্ড ভিত্তিত লোৱা হয়। সমষ্টি ভিত্তিত নহয়।

(খ) প্ৰস্তাৱিত ১৯৬ টা প্ৰকল্পৰ ভিতৰত ১০৭ প্ৰকল্প এতিয়া কাৰ্যক্ষম হৈ আছে। অৱশিষ্ট ৮৯টা প্ৰকল্পৰ ভিতৰত ৩২ টা প্ৰকল্প ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে মঞ্জুৰী দিছে যদিও উক্ত প্ৰকল্পসমূহৰ ৰূপায়ণ কেন্দ্ৰীয় চৰকাৰে সদ্যহতে স্থগিত ৰাখিছে। ৰাজ্য চৰকাৰৰ দ্বাৰা প্ৰস্তাৱিত বাকী থকা ৫৭ টা প্ৰকল্পৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ মঞ্জুৰী অপেক্ষা কৰি থকা হৈছে।

(গ) ইতিমধ্যে ১০৭ টা প্ৰকল্প কাৰ্যক্ষম হৈ আছে। তথা অৱশিষ্ট প্ৰকল্পসমূহ খোলাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে।

Re. : Cases of Contractor.

Shri Nazibul Umar asked :

49. Will the Minister of P.W.D. be pleased to state :

(a) Is it a fact that in some cases names of particular Contractors or particular roads are mentioned in issuing the L.O.C.

(b) It so why particular Contractor or particular roads are given preference in respect of payment?

Shri Nagen Sarma (Minister, P.W.D.) replied :

(a) Yes, the names of some particular roads only mentioned in the L.O.C. (F.O.C.) but, not the names of some particular Contractors are mentioned.

(b) This has to be only in some exceptional cases, with a view to completing some important schemes/Roads in the greater public interest as per-Govt. Commitments from time to time.

Re. : 30 Bedded Hospital at Udharbond.

Shri Ajit Singh asked :

50. Will the Minister of Health be pleased to state :

(a) Why the construction work of 30 bedded Hospital at Udarbond has not yet started?

(b) When the construction work of 30 bedded Hospital at Tikal (Salgonga) will be completed?

Dr. Kamala Kalita (Minister Health & F.W.) replied :

(a) The construction works of 30 bedded hospital at Udarbond has not been taken up for lake of adequate fund.

(b) The construction works of 30 bedded hospital at Tikal (Salgonga) also has not been taken up for lake of adequate fund.

Re. : Handing over of Buildings

Shri Misbahul Islam Laskar asked :

51. Will the Minister of P.W.D. be pleased to state :

(a) Why Public Works Dept. has not yet handed over the Buildings of P.H.C. at Srinagar under Chotodudh Patil G.P. of Borkhola L.A.C. though the construction work is completed?

(b) When the Electrification of the said Building will be completed?

Shri Nagen Sarma (Minister, P.W.D.) replied :

(a) The project of P.H.C. at Chotodudhpatil Grant has not yet been completed. Only Main Hospital Building and Doctor's Quarters completed.

(b) Internal wiring of the Main Hospital Building and Doctor's Quarters (construction work of which has already been completed) has been completed, the Service connection is being provided by ASEB. For which the ASEB. Has already been paid Rs. 9635/- against the Service connection bill.

Re. : Veterinary Scheme.

Shri Bimalangshu Roy asked :

52. Will the Minister of Veterinary be pleased to state :

(a) Is it a fact that for establishing a slaughter house at Ghoonger, Silchar few lakhs of rupees was utilised particularly about two years back but no progress has so for been made and scheme is virtually abandoned resulting in total wastage of the fund?

(b) If so, what step Government has taken to Commission on the project early?

Shri Hiranya Kumar Konwar (Minister, Veterinary) replied:

(a) No.

(b) On completion of the building work machineries will be installed and the slaughter House will commissioned.

শ্রী দিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

বিষয় ঃ জাহাজ নির্মাণত কিমান কোটি টকাৰ অনুমোদন।

৫৩/ মাননীয় পৰিবহন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৮৭ চনৰ পৰা ১৯৯৯ চনলৈকে অসম চৰকাৰে আভ্যন্তৰীণ জল পৰিবহন বিভাগক জাহাজ নির্মাণৰ বাবে কিমান কোটি টকা অনুমোদন দিয়ে আৰু বিভাগে কিমান টকা পায় জনাবনে?

(খ) এই ধনেৰে ১৯৮৭ চনৰ পৰা ১৯৯৯ চনলৈ বিভাগে কিমানখন জাহাজ নির্মাণ কৰি উলিয়াইছে জনাবনে? এই জাহাজ সমূহ নির্মাণৰ ব্যয় কিমান জনাবনে?

(গ) ১৯৮৭ চনৰ পৰা আজিৰ তাৰিখলৈ পৰিবহন বিভাগৰ কিমানখন নির্মাণৰত আৰু চলিত জাহাজ ডুব গৈছে জনাবনে? দুখন নির্মাণৰত জাহাজ ডুব যোৱাটো সত্যনে? এই জাহাজ দুখন কেতিয়া আৰু ক'ত নির্মাণ হৈছিল? কোন কোম্পানীয়ে নির্মাণ কৰিছিল?

(ঘ) সম্প্রতি জাহাজ নির্মাণৰ কিবা আঁচনি হাতত লৈছে নেকি?

শ্রী প্রদীপ হাজৰিকা (পৰিবহন মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৮৭ চনৰ পৰা ১৯৯৯ চনলৈ অসম চৰকাৰে আভ্যন্তৰীণ জল পৰিবহন বিভাগক জাহাজ নির্মাণৰ বাবে মুঠ ৩১৯৪.১৬ লাখ টকাৰ অনুমোদন দিছে, বর্তমানলৈকে এই বিভাগে ৩০১৭.১৩ লাখ টকা পাইছে।

(খ) ১৯৮৭চনৰ পৰা ১৯৯৯ চনলৈ এই বিভাগে মুঠ ১১০ খন জাহাজ নির্মাণ কৰি উলিয়াইছে আৰু ৬৫ খন নির্মাণৰত অৱস্থাত আছে, এই জাহাজসমূহ নির্মাণৰ বাবে বর্তমানলৈকে ২৭৭১.৪৪ লাখ টকা ব্যয় হৈছে, বছৰ ভিত্তিত তালিকা দাখিল কৰা হ'ল।

(গ) ১৯৮৭ চনৰ পৰা আজিৰ তাৰিখলৈ জল পৰিবহন বিভাগৰ ২ খন নির্মাণৰত জাহাজ ডুব গৈছে। বিভাগৰ দুখন 'ছিংগল' বোট নির্মাণৰত অৱস্থাত ডুব যোৱা কথাটো সত্য। এই জাহাজ দুখন শিলচৰৰ মাচিমপুৰত থকা নির্মাণ কেন্দ্রত ১৯৮৯ ৰ পৰা নির্মাণৰত অৱস্থাত আছিল। এই জাহাজ দুখন মেচার্চ ষ্টাকচাৰেল এণ্ড কংক্রিট নামৰ এটা প্রতিষ্ঠানক নির্মাণ কার্যৰ দায়িত্ব দিয়া হৈছিল।

(ঘ) ১৯৯৮-৯৯ চনত জাহাজ নির্মাণৰ আঁচনি লোৱা নাই।

(Rupees in Lakhs)

Sl. No.	Financial Year	Sanction Amount	Expenditure
1.	1987-88	Rs. 164.80	164.80
2.	1988-89	Rs. 190.47	190.47
3.	1989-90	Rs.135.34	135.34
4.	1990-91	Rs.719.80	719.80
5.	1991-92	Rs.127.30	127.30
6.	1992-93	Rs. 423.60	383.03
7.	1993-94	Rs. 481.43	415.45
8.	1994-95	Rs.334.36	195.34
9.	1995-96	Rs. 319.04	319.04
10.	1996-97	Rs. 110.00	110.87
11.	1997-98	Rs. 10.00	10.00
12.	1998-99	Rs. Nil	Nil
		Rs. 3017.13	Rs.2771.44

Re : Rural Health Centre.

Shri Derhagra Mochahary asked :

54. Will the Minister of Health and Family Welfare be please to state :

(a) Whether Government is aware that departmental authority are use to stay aware from the Health Centres of the rural areas frequently?

(b) If yes, whether Govt, has taken any remedial measures to improve the present condition?

Dr. Kamala Kalita, (Minister, Health & F.W.) replied :

(a) It is not a fact with few exceptions where residential accommodation is either not available or in living condition.

(b) Does not arise.

বিষয় ঃ মহকুমা চিকিৎসা বিষয়াৰ কার্যালয়

শ্রী মোহন দাসে সুধিছে ঃ

৫৫/ মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বজালী মহকুমাৰ পাটাছাৰকুছিত মহকুমা চিকিৎসা বিষয়াৰ কার্যালয় (SDMO'S OFFICE) স্থাপন কৰাৰ কেবা বছৰো অতিক্রম কৰাৰ পিছতো, মহকুমা পর্যায়ৰ কাম-কাজবোৰ এই কার্যালয়ৰ যোগেদি সম্পাদন হোৱা পৰিলক্ষিত হোৱা নাই। এই সম্পর্কে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেনেহ'লে নিয়মীয়া কাম-কাজখিনিও সম্পাদন নোহোৱাৰ কাৰণ কি?

(গ) মহকুমাটোৰ চিকিৎসক/কর্মচাৰী তথা ৰাইজৰ সুবিধার্থে এই কার্যালয়টোৰ গৃহ মেৰামতিকে ধৰি ইয়াক পূর্ণ পর্যায়ৰ কার্যালয়লৈ উন্নীত কৰাৰ ব্যৱস্থা চৰকাৰে গ্রহণ কৰিবনে?

ডাঃ কমলা কলিতা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বজালী মহকুমাৰ বাবে কেৱল মহকুমাৰ স্বাস্থ্য বি,য়াৰ পদটোহে সৃষ্টি কৰা হৈছে। মহকুমা কার্যালয় স্থাপনৰ বাবে প্রয়োজনীয় পদসমূহ এতিয়ালৈকে সৃষ্টি কৰা হোৱা নাই। প্রশ্নত উত্থাপন কৰাৰ দৰে বজালী মহকুমাত এতিয়ালৈকে পূর্ণাঙ্গ মহকুমা স্বাস্থ্য বিষয়াৰ কার্যালয় স্থাপন হোৱা নাই। সেই কাৰণে মহকুমা পর্যায়ৰ কাম-কাজবোৰ তাৰ কোনো কার্যালয়ৰ দ্বাৰা সম্পাদন হোৱা পৰিলক্ষিত হোৱা নাই।

(খ) প্রশ্ন নুঠে।

(গ) পুঁজি সাপেক্ষে সময়ত ব্যৱস্থা লোৱা হ'ব।

Re : A.S.T.C. Revenue :

Shri Abu Saleh Najmuddin asked :

56. Will the Minister of Transport be pleased to state :

(a) What amount of Revenue A.S.T.C. has received during the year 1996-97, 1997-98 and 19998-99?

(Furnish the Revenue Statement zone-wise)

(b) What amount of Revenue the A.S.T.C. is receiving from Silchar, Karimganj & Hailakandi during the said years?

Shri Pradip Hazarika (Minister of Transport) replied:

(a) (i) 1996-97 - Rs. 20.25 Crores

(ii) 1997-98 - Rs. 21.58 Crores

(iii) 1998-99 - Rs. 15.87 Crores

(See the Annexure-V)

(b) Amount of Revenue received as follows :

	1996-97	1997-98	1998-99 upto February
1. Silchar-	Rs. 74.94 lakhs	Rs. 77.66 lakhs	Rs. 63.24 lakhs
2. Karimganj	Rs. 33.20 lakhs	Rs. 33.68 lakhs	Rs. 27.02 lakhs
3. Hailakandi	Rs. 17.84 lakhs	Rs. 14.11 lakhs	Rs. 5.10 lakhs

বিষয় ঃ কর্মচাৰীৰ সংখ্যা

শ্রী দেৱকান্ত ৰামচিয়াৰীয়ে সুধিছে ঃ

৫৭। মানীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ওদালগুৰিত অৱস্থিত C.D.P.O. অফিচত কিমান কর্মচাৰী আছে জনাবনে?

(খ) C.D.P.O. এজনে দৰাচলতে কি কি কর্তব্যত নিয়োজিত?

(গ) ওদালগুৰি C.D.P.O. অফিচৰ অধীনত কিমানটা অংগনবাদী কেন্দ্র আছে জনাবনে?

শ্রী ৰেখা ৰাণী দাস বড়ো (সমাজ কল্যাণ মন্ত্রী,)য়ে উত্তৰ দিছে ঃ

(ক) ১৭ জন কর্মচাৰী আছে।

(খ) প্রকল্পৰ বিষয়াজন প্রকল্পৰ অধীনত আঁচনিভুক্ত (I.C.D.S.) আঁচনিবোৰৰ ৰূপায়ণৰ বাবে দায়বদ্ধ।

(গ) ১৯৪ টা অঙ্গনবাদী কেন্দ্র আছে।

Re : Reconstruction of Roads.

Shri Kali Ranjan Deb asked :

58. Will the Minister of P.W.D. be pleased to state :

(a) When reconstruction of works of following P.W.D. Roads in Katigora P.W.D. Sub-Division will be stared under World Bank programme.

(i) Tilain-Roynagar- Katigorh Road.

(ii) Katigorh-Horitikor Road.

(iii) Gumra-Leverputa Road.

(iv) Gumra-Natanpur Road.

(b) Whether all necessary formalities for starting of construction work of those roads have since been

completed?

(c) How much time it will take to complete construction work of Silchar-Jaintia Road from Babar Bazar to Khambar Bazar in Katigora constituency?

Shri Nagen Sarma (Minister, P.W.D.) replied :

(a) Reconstruction of Katigora Harinaga Road is likely to be started by May, 1999. The works on the other roads are not included in the World Bank approve list of schemes.

(b) No except for Katigora Harinagar Road.

(c) 18 (eighteen) months from the start of construction.

বিষয় ঃ নাহৰণী স্বাস্থ্য কেন্দ্ৰ

শ্ৰী মতী প্ৰণতি ফুকনে সুধিছে ঃ

৫৯। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নাহৰকটীয়া সমষ্টিৰ অন্তৰ্গত নাহৰণী স্বাস্থ্য কেন্দ্ৰটোৰ সম্পৰ্কে জ্ঞাতনে?

(খ) চলিত বছৰত ইয়াৰ মেৰামতিৰ কাম আৰম্ভ কৰিবলৈ কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

ডাঃ কমলা কলিতা, (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) জ্ঞাত।

(খ) চলিত বিত্তীয় বছৰত (১৯৯৮-৯৯) পুঁজিৰ অভাৱত মেৰামতিৰ কাম সম্ভৱ নহ'ব।

Re : Tinsukia Road Division.

Shri Pradyut Bordoloi : asked :

60. Will the Minister of P.W.D. be pleased to State :

(a) As to how much money has been spent by Tinsukia Roads Division under FDR head during 1997-98 and 1998-1999 in Margherita Sub-Division?

(Please furnish a list of roads names and locations which have been repaired by Tinsukia Road Division in Margherita Sub-Division during 1997-1998 and 1998-1999).

Shri Nagen Sarma (Minister, P.W.D.) replied :

(a) 1997-98- Nil.

1998-99- Nil.

A list of Roads repaired under F.D.R. scheme in Margherita Road Sub-Division.

During 1997-98

1. Pengaree Phillobari Road. Br. No.4/3
2. Margherita Pengaree Road (At 4th to 12th km)
3. Digboi Pengaree Road (At 1st to 8th km)

During 1998-99

1. Digboi-Lakhipathar Road (1st to 3rd km)
2. Digboi-Pengaree Road (9th to 12 km)

বিষয় ঃ গুৱাহাটী Road Division.

শ্রী পৃথিৱী মাঝি, য়ে সুধিছে ঃ

৬১। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী Road Division মে' মাহ ১৯৯৫ চনৰ পৰা বর্তমানলৈকে কোন অভিযন্তাই কার্যনির্বাহ কৰি আছে?

(খ) ১৯৯৫ চনৰ মে' মাহৰ পৰা ফেব্রুৱাৰী ১৯৯৯ চনলৈকে L. O. C: দিয়া হৈছে আৰু কোন কোন শিতানৰ পৰা দিয়া হৈছে?

(গ) এই কালছোৱাত কিমান ৰাস্তা কিমান SPT দলং মেৰামতি ৰখা হৈছে?

(ঘ) উক্ত Division ত World Bank আৰু (NABARD) ৰ পৰা কিমান টকা লোৱা হৈছে আৰু ক'ত খৰচ কৰা হৈছে কোন কোন ঠিকাদাৰক কিমান টকা দিয়া হৈছে? (সম্পূৰ্ণ তালিকা সদনৰ মজিয়াত দাখিল কৰিব)

শ্ৰী নগেন শৰ্মা (গড়কাপ্তানি মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) শ্ৰী এইচ, চি, ভূঞা (E E, P.W.D.) এ ৬-৬-৯৫ লৈ আৰু ৬-৬-৯৫ ৰ পৰা বৰ্তমানলৈকে শ্ৰী আনন্দ প্ৰসাদ বৰগোহাঁইয়ে গুৱাহাটী Road Division ত (E E, P.W.D.) হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে।

(খ) ১৯৯৫-৯৬ চনত মুঠ ১৫৩৬.৩১ লাখ টকা দিয়া হয়, তাৰ ভিতৰত ৪২২.০৫ লাখ টকা অসমৰ বিভিন্ন সংমণ্ডলৰ বাবে ভঁৰাল সামগ্ৰী (Stock Materials) কিনিবৰ বাবে দিয়া হয়।

১৯৯৬-৯৭ চনত মুঠ = ১৯৬৯.৮২ লাখ টকা দিয়া হয়। ইয়াৰ ভিতৰত অসমৰ বিভিন্ন সংমণ্ডলৰ বাবে ভঁৰাল সামগ্ৰী (Stock Materials) কিনিবৰ বাবে ১৩৬.৩৭ লাখ টকা আৰু বিভিন্ন সংমণ্ডলৰ বাবে ৰাজহ শিতানত জমা দিয়া হয় মুঠ =১৩৬৫.০০ লাখ টকা।

১৯৯৭-৯৮ চনত মুঠ = ৯০০.০০ লাখ টকা দিয়া হয়। ইয়াৰে ১০০.০০ লাখ টকা বিভিন্ন সংমণ্ডলৰ বাবে ভঁৰাল সামগ্ৰী (Stock Materials) কিনিবৰ বাবে দিয়া হয়।

১৯৯৮-৯৯ (ফেব্ৰুৱাৰী মাইলৈকে) মুঠ = ৮২৬.২০ লাখ টকা দিয়া হয়। ইয়াৰে মুঠ = ৩১০.০০ লাখ টকা অসমৰ বিভিন্ন সংমণ্ডলৰ বাবে কাঠ আৰু আলকাটাৰা কিনিবৰ বাবে দিয়া হয় আৰু ১.৮৫ লাখ টকা উচ্চ ন্যায়ালয়ৰ আদেশ মৰ্মে ঠিকাদাৰক পুৰণা কামৰ বিপৰীতে আদায় দিয়া হয়।

(গ) এই কালছোৱাত মুঠ ৬৭৯ কিলোমিটাৰ পথ আৰু ২৩৪ খন দলং মেৰামতি কৰা হয়।

(ঘ) গুৱাহাটী গড়কাপ্তানি পথ সংমণ্ডলত 5054-Co-on-R&B-ARIASP (WBP) শিতানত মুঠ =২৪৪.৬৮ লাখ টকা পোৱা হয় আৰু (5054-Co-on-R&B-NABARD) শিতানত ১১.০০ লাখ টকা পোৱা হয়। উক্ত টকা (World Bank) ৰ পুঁজি আঁচনি প্ৰস্তুতকৰণ আৰু কাঠৰ দলং, পকী দলং

লৈ সলনিকৰণত খৰচ কৰা হয় আৰু (NABARD) ৰ ধন পকী দলং নির্মাণত খৰচ কৰা হয়। (ঠিকাদাৰৰ নাম আৰু তেওঁলোকে পোৱা ধনৰ পৰিমাণ সন্নিৱিষ্ট এখন তালিকা মাননীয় সদনৰ মেজত উপস্থাপন কৰা হ'ল। (See the Annexure VI)

বিষয় ঃ কলবাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ

শ্ৰীমতী সুশিলা হাজৰিকাই সুধিছে ঃ

৬২/ মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডেৰগাঁও সমষ্টিৰ অন্তৰ্গত কলবাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত আজি প্ৰায় ২ বছৰ ধৰি কোনো ডাক্তৰ নাই, এই কথা চৰকাৰৰ অৱগতনে?

(খ) স্বাস্থ্য কেন্দ্ৰটোত স্থায়ী ডাক্তৰ নিযুক্তিৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছেনে?

(গ) যদি হোৱা নাই, কি কাৰণে হোৱা নাই, অনুগ্ৰহ কৰি জনাবনে?

ডাঃ কমলা কলিতা, (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ ক) কলবাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত নিয়োজিত ডাঃ পুলকেশ ভাগৱতী স্নাতকোত্তৰ ডিগ্ৰীৰ বাবে অধ্যয়নলৈ যোৱাত প্ৰায় ২ বছৰ ধৰি নিময়ীয়া ডাক্তৰ নথকা কথা সঁচা। এই সময়ছোৱাত ওচৰৰ চিকিৎসা কেন্দ্ৰৰ ডাক্তৰে উক্ত স্বাস্থ্যকেন্দ্ৰৰ যোগেদি চিকিৎসা সেৱা আগবঢ়াইছিল। ডাঃ ভাগৱতীয়ে পাঠ্যক্ৰম সমাপ্ত কৰি চৰকাৰক অৱগত কৰিছে আৰু চৰকাৰৰ ২২/২/৯৯ তাৰিখৰ হুকুম মৰ্মে তেওঁক কলবাৰী চিকিৎসালয়ত পুনৰ যোগদানৰ নির্দেশ দিছে।

খ) আৰু গ)] প্ৰশ্ন নুঠে

বিষয় ঃ টকা মঞ্জুৰী

শ্ৰী নাজিবুল উমৰে সুধিছে ঃ

৬৩/ মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ১৯৯৮-১৯৯৯ চনৰ পৰা এতিয়ালৈকে F.D.R. (Temporary restration) শিতানত ধুবুৰী গড়কাপ্তানি সংমণ্ডলত কিমান টকা মঞ্জুৰী দিয়া হৈছিল?

(খ) উক্ত টকা কোন কোন ৰাস্তা মেৰামতিৰ বাবে খৰচ কৰা হ'ল? (ৰাস্তাৰ নামৰ বিপৰীতে কিমান টকা খৰচ হ'ল তালিকা সদনৰ মেজত দাখিল কৰিব।)

শ্রীনগেন শর্মা (গড়কাপ্তানী মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) মুঠ ১৪.৩৪ লাখ টকা মঞ্জুৰী দিয়া হৈছিল।

(খ) উক্ত টকাৰে মেৰামতি কৰা ৰাস্তাৰ তালিকা এখন সদনৰ মেজত দাখিল কৰা হ'ল।

(See the Annerure- VII)

Re :– Water Supply Projects.

Shri Ajit Sing asked :

64 : Will the Minister of P.H.E. pleased to state :

(a) How many water supply projects (pipe) were taken up for construction in Cacher district during last 3 years ?

(Give constituencywise list.)

(b) what steps were taken by Govt. for construction of sanctioned pipe water supply scheme in UdharbondConstituency?

Shri Utpal Dutta, (Minister, Public Health Engineering Deptt.) replied :

(a) During last three years 18 (eighteen) nos. pipe water supply schemes have been taken up in Cachar district.

The constituencywise list encolsed. (See the Annexure–VIII)

(b) Necessary steps have already been taken up for construction of sanctioned schemes phasewise subjects to the availability of fund. All total 21 nos. piped water supply scheme are sanctioned under Udarbond LAC out of which 11 nos. are completed. 7 nos commissioned and 3 nos. are ongoing

schemes. Out of 18 nos.completed and commissioned schemes 16 nos are functioning at present.

Re :– 30 Bedded Hospital at Borkhola

Shri Misbahul Islam Laskar, asked :

65. Will the Minister of Health be pleased to state :

(a) Why the construction work of 30 badded Hospital at Borkhola has not yet been started?

(b) Whether the Govt. has accorded sanction of required posts?

Dr. Kamala Kalita, (Minister Health & F.W.) replied :

(a) For lake of adequate fund provision, the construction works of 30 bedded hospital at Borkhola has not been taken up.

(b) Yes, Govt. have been already accorded sanction for the required posts.

বিষয় ঃ ৩৭ নং ৰাষ্ট্ৰীয় পথ।

ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ঃ

৬৬। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় নগৰ অসমৰ দ্বিতীয় বৃহত্তম নগৰ হোৱা স্বত্বেও ডিব্ৰুগড়ৰ মাজমজিয়াৰ মাজেদি যোৱা ৩৭ নং ৰাষ্ট্ৰীয় পথটো ডিব্ৰুগড়ৰ পৰা নিলগাই (বায়পাচ) নৰখাৰ কাৰণ কি?

(খ) যদি নিলগাই ৰখাৰ পৰিকল্পনা হাতত লৈছে তেন্তে ৰাষ্ট্ৰীয় ঘাই পথটো ডিব্ৰুগড়ৰ চহৰ বাদ দি কোন ফালেদি পঠিওৱাৰ চিন্তা কৰিছে জনাবনে?

শ্ৰী নগেন শর্মা (গড়কাপ্তানি মন্ত্ৰী), যে উত্তৰ দিছে ঃ

(ক) নিলগাই ৰখা পথৰ গতি পথৰ অনুমোদন নোহোৱাৰ কাৰণে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথটো ডিব্ৰুগড় চহৰৰ আঁতৰেদি নিব পৰা নাই।

(খ) ডিব্ৰুগড় চহৰ বাদ দি দক্ষিণ দিশেদি পঠিওৱাৰ চিন্তা কৰা হৈছে।

Re :– Deplorable condition of roads and bridges.

Shri Sambhusing Malla, asked :

67. Will the Minister of P.W.D. be pleased to state :–

(a) Whether Govt. is aware about the fact that the condition of P.W.D. roads and bridges connecting the places mentioned below are deplorable since long and inconvenient for movement of vehicular traffics?

(1) Anipur-Oliviacherra Road upto Cheragi.

(2) Dullabcherra-Vetarbond towards Katlicherra.

(3) Chorgolla-Singlacherra upto Maguracherra.

(4) Kalinagar to Kalibari Bazar.

(5) Anipur to Kadamtolla.

(6) Gamaria-Bhairabnagar.

(b) Whether any estimate has been prepared by the Department and sent to the Govt. for sanctioning the requisite fund? If Yes, whether Govt., will ensure that the schemes would be placed at the next departmental planning committee meeting for approval?

(c) What was the total amount spent during the year 1997-98, 1998-99 for improvement of the above mentioned roads?

(Placed a statement mentioning the schemes, category of works, amount spent against each item etc. separately including the name of contractor engaged with the works)

Shri Nagen Sarma (Minister P.W.D.) repied :–

(a) Yes.

(b) (1) Dullabcherra-Vetarbond towards Katlichrra. Road esti-

mate already sanctioned under MNP (SP) for 1996-97 and work in progress.

For other roads estimates are not prepared.

(c) Amount spent for improvement of the roads during 1997-98 and 1998-99 are furnished below :–

(1) Dullabcherra towards Katlicherra 1997-98 - Rs.1.30 lakhs

1998-99 - Rs.1.42 lakhs

A statement enclosed showing details of work done.

Name of Scheme	Category of works	Amount spent each item	
1. Improvement of Dullabcherra-Vetarbond towards Katlicherr Road	(i) Earth work (Cr. No. I)	Rs. 1.30 lakhs	Shri Jamallddin Ahmed.
	(ii) H.P. Culvert and collection (Gr. No.II)	Rs. 0.7712 lakhs	Shri Nayeemuddin Ahmed
	(iii) H.P. Culvert (Gr. No.III)	Rs. 0.65 lakhs	Shri Jamalluddin Ahmed.

বিষয় ঃ মহিলাৰ বাবে আসন সংৰক্ষণ।

শ্রী চন্দ্রকান্ত টৈৰাঙে সুধিছে ঃ

৬৮। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৩৩ শতাংশ মহিলাৰ বাবে আসন সংৰক্ষণৰ দাবীক অসম চৰকাৰৰ স্থিতি কি?

(খ) যদি ইতিবাচক সঁহাৰি জনাইছে, তেনেহ'লে চলিত অসম বিধান

সভাৰ অধিৱেশনত প্রস্তাৱ যোগে কেন্দ্রীয় চৰকাৰলৈ প্রেৰণ কৰাত কি অসুবিধা আছে অনুগ্রহ কৰি জনাবনে?

শ্রী মতী ৰেখাৰাণী দাস বড়ো (সমাজ কল্যাণ মন্ত্রী),য়ে উত্তৰ দিছে ঃ

(ক) মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণৰ ক্ষেত্রত সমাজ কল্যাণ বিভাগত আছুতীয়াকৈ কোনো নীতিৰ প্রস্তাৱ কৰা হোৱা নাই।

(খ) প্রশ্ন নুঠে।

Re. PURCHASE OF BUSES

69. Will the Minister of Transport be pleased to state :

(a) How many numbers of Delux & Ordinary Buses purchased by A.S.T.C. during the year 1997-98 & 1998-99?

(b) On which Road the New Delux Buses are playing?

(Pleased mention the name of the Road & Registration No. of Delux & Semi Delux (ordinary) Buses)

Shri Pradip Hazarika (Minister of Transport) replied :

(a) The total number of buses purchased in

1997-98	***1998-99***
1. Delux- 32 Nos.	1. Delux -15 Nos.
2. Semi Delux 3 Nos.	2. Delux (City 2 Nos).
3. Ordinary 22 Nos.	3. Ordinary 7 Nos.
4. City (Ordinary) 9 Nos.	

(b) As per enclosed. (See the Annexure- IX)

বিষয় ঃ ৰাস্তা-ঘাট-দলঙৰ অৱস্থা।

শ্রী দেৱকান্ত ৰামচিয়াৰীয়ে সুধিছে ঃ

৭০। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ওদালগুৰি মহকুমাৰ অন্তর্গত গড়কাপ্তানি বিভাগৰ অধীনৰ ৰাস্তা-ঘাট-দলং আদিৰ জৰাজীর্ণ অৱস্থাৰ বিষয়ে মন্ত্রী মহোদয় অৱগতনে?

(খ) যদি অৱগত তেন্তে অতি শীঘ্রে মেৰামতি কৰিবৰ বাবে ব্যৱস্থা গ্রহণ কৰিবনে?

শ্রী নগেন শর্মা (গড়কাপ্তানি মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) আৱশ্যকীয় পুঁজিৰ আবণ্টন পালে শীঘ্রে মেৰামতিৰ ব্যৱস্থা লোৱা হ'ব।

Re : Development of Medical Colleges.

Shri Bimalangshu Roy, asked :

71. Will the Minister of Health & Family Welfare be pleased to State.

(a) How much fund the state has received through N.E.C. for development of three Medical Colleges in Assam during 1997-98, 1998-99 and how the fund has been utilised?

(b) Will the Govt. open post graduate course in Orthopedics and Pediatrics in S.M.C. in the current year?

(c) If so, has the Govt. moved I.M.C. by depositing the requisite fees?

Dr. Kamala Kalita (Minister of Health & Welfare) replied. :

(a) During the 1997-98 the NEC released an amount of Rs. 156.00 lakhs. The amount was meant for the various construction in the 3 (three) Medical Colleges. The works

have been executed by the State , P.W.D. Most of the amount is partial released against schemes submitted to NEC. The major portion of the amount has been utilised by the P.W.D. for the construction.

During the year 1998-99 an amount of Rs. 268,59 lakhs have been received against Assam Medical College, Dibrugarh and Silchar Medical College, Silchar. More than two thirds of the amount has been utilised. The works for the balance is in progress and at different stages.

(b) The opening of P.G. course in a subject of the Medical College does not depend of the State Govt. alone. The MCI has the final say in this matter. This State Govt. is always interested to open P.G. Courses in more subject in the interest of creating super specially to improve the Health care system in the State.

(c) Does not arise.

Re : Government assurance for construction of road :

Shri Kali Ranjan Deb asked :

72. Will the Minister of P.W.D. be pleased to state :

(a) Whether Government is aware that in reply to my starred Question No. 271, dt. 5/4/95/ Hon'ble Minister informed that administrative approval has already been issued for construction of Haritikor Sadirkhal Road and work will be undertaken in 1995-96. Again, in reply to my unstarred question No. 384 dt. 20.12.96. Hon'ble Minister informed that action has been taken to undertake construction work of road and bridges of Haritikor-Sadirkhal road and bridge. But why uptil now, no work has been started for construction

of Bridge and Road, and that road is heavily damaged and in some places totally damaged?

(b) Whether Government will take at least some step to repair the road to make it fit for vehicular traffic from Rayatilla (Haritikor) to Sadirkhal, even it, Government is unable to construct the bridge over River Kinorkhal?

Shri Nagen Sarma. (Minister P.W.D.) replied :

(a) Yes, Govt. is aware. Construction work of the road (earth work) was started, but progress could not be achieved due to non receipt of fund. Regarding construction of Kinnarkhal bridge allotment of work is under progress.

(b) Due to pancity of fund under head of account pertaining to repair works, there is no possibility at present to take up the work.

বিষয় ঃ দলঙৰ শোচনীয় অৱস্থা।

শ্রী পৃথিৱী মাঝি,য়ে সুধিছে ঃ

৭৩। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ডিব্রুগড় জিলাৰ মানকটা গড়কাপ্তানি পথৰ ওপৰত থকা চেচা দলংখনৰ শোচনীয় অৱস্থা সম্পর্কে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত পুনঃ নির্মাণ কৰিবৰ বাবে চৰকাৰে ব্যৱস্থা হাতত লৈছে নে?

(গ) যদি লৈছে কেতিয়াৰ পৰা কার্যকৰী কৰা হ'ব?

(ঘ) দলংখন পকীকৰণ কৰাৰ ব্যৱস্থা চৰকাৰে হাতত ল'বনে?

শ্রী নগেন শর্মা (গড়কাপ্তানি মন্ত্রী),য়ে উত্তৰ দিছে ঃ

(ক) জ্ঞাত হয়।

(খ) দলং নির্মাণ কৰিবৰ বাবে ৬.২৫ লাখ টকাৰ প্ৰাক্কলন জিলাৰ উপায়ুক্তলৈ দাখিল কৰা হৈছে। যিহেতু এই টকা জিলাৰ উপায়ুক্তই যোগান ধৰাৰ ব্যৱস্থা কৰিছে।

(গ) অনুমোদন হ'লেই কার্যকৰী কৰা হ'ব।

(ঘ) দলংখন পকীকৰণৰ বাবে কোন আঁচনি চৰকাৰৰ হাতত বর্তমান নাই।

Re : Repairing of National Highway

Shri Dilip Kumar Saikia, asked :

74 : Will the Minister of P.W.D. be pleased to state :

(a) What are the Annual Repairing and periodical repairing expenditure incuried during 1996-97, 1997-98 and 1998-99 in National Highway Division of Assam?

(Furnished yearwise expenditure of the above National Highway covering the area from Baihata Chariali to Jonai)

(b) Is there any saving/deficit as provided in the Budget during the above mentioned years?

(c) What are the schemes that were taken up by the P.W.D. (Building) Division during the last three years viz 1996-97, 1997-98 and 1998-99.

(Furnish yearwise and Divisionwise expenditure of the above mentioned years)

(d) Is there any saving/deficit as provided in the Budget during the above mentioned years?

(e) what action has been taken by the Department regarding shifting of Ghilamora Road Division from Ghilamora to Dhemaji and Chouldhowa N. H. 52 Division to Dhemaji? What are the reasons for not shifting the working Division of Roads Chouldhowa N.H. 52 thereof?

Shri Nagen Sarma : (P.W.D.) replied.

(a) The expenditure incurred under Annual repairing and periodical repairing of the National Highway Division of Assam covering the area from Baihata Chariali to Jonai are as indicated below :–

Year	Annual repairing	Periodical repairing
1990-97	980.50	356.75
1997-98	1131.17	460.00
1998-99	2487.98	778.00

(b) There was no Saving or Deficits for the above mentioned years as the funds had been released by the Finance Department fully except Rs. 59.00 L. during 198-99 as provided in the Budget

(Details enclosed as per Annexure-I) (See the Annexure- X)

(c) Lists of schemes taken up for last three years are furnished for 15 Nos of P.W.D. (Building) Division. Lists of schemes for the remaining 5 (five) Division will be furnished after collection from Divisions. (See the Annexure – X)

(d)

Year	Budget provisions	F.O.C. received	Saving (Rs. in Lakhs)
1996-97	3525.5	1283.64	2211.86
1997-98	2246.45	1396.98	1069.47
1998-99	2791.35	1412.76	1378.59

(e) In this connection a note regarding shifting of Ghilamora Road Division Ghilamora to Dhemaji and Chouldhowaghat NH.52 Division to Dhemaji is enclosed as per Annexure – II)

শ্রী মতী সুশীলা হাজৰিকাই সুধিছে ঃ

৭৫। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) দেৱগাঁও সমষ্টিৰ অন্তর্গত খঙীয়া পানী যোগান আঁচনি কোন চনত আৰম্ভ কৰা হৈছিল?

(খ) আঁচনিখন সম্পূর্ণ ৰূপায়ণ কৰা হ'লনে?

(গ) যদি হোৱা নাই, কিয় হোৱা নাই।

(ঘ) আঁচনিটো কেতিয়া সম্পূর্ণ কৰি তোলা হ'ব?

শ্রী উৎপল দত্ত, (মন্ত্রী, জনস্বাস্থ্য-কাৰিকৰী)য়ে উত্তৰ দিছে ঃ

(ক) দেৱগাঁও সমষ্টিৰ অন্তর্গত খঙীয়া পানী যোগান আঁচনিখন ১৯৮৬-৮৭ চনত আৰম্ভ কৰা হৈছিল।

(খ) আঁচনিখন এতিয়াও সম্পূর্ণ হোৱা নাই।

(গ) পুঁজিৰ অভাৱতে আঁচনিখন সম্পূর্ণ হোৱা নাই।

(ঘ) পুঁজি সাপেক্ষে পর্যায়ক্রমে এই আঁচনিখন সম্পূর্ণ কৰাৰ বাবে ব্যৱস্থা লোৱা হ'ব।

বিষয় ঃ নাবার্ড ঋণ।

ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ঃ

৭৬। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ৰাজ্যৰ গড়কাপ্তানি বিভাগে পথ, দলং, মেৰামতিৰ নামত নাবার্ডৰ পৰা কিমান টকা ধণ হিচাপে লৈছে জনাবনে?

(খ) উক্ত ঋণ ক'ত কেনেকৈ খৰচ কৰা হৈছে জনাবনে?

(গ) বিশ্ব বেংকৰ পৰা লোৱা ঋণৰ কিমান টকা গড়কাপ্তানি বিভাগৰ নামত আবণ্টন দিয়া হয়।

(ঘ) উক্ত টকাৰ বিনিময়ত কিমান কিলোমিটাৰ গাঁওৰ পথ পকীকৰণ কৰা হয় আৰু কিমানখন কাঠৰ দলং পকীকৰণ কৰা হয় চৰকাৰে জনাবনে? (এখন সৰিশেষ তালিকা সদনৰ মেজত দিবৰ বাবে অনুৰোধ কৰা হ'ল)

শ্রী নগেন শর্মা (গড়কাপ্তানি মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যৰ গড়কাপ্তানি বিভাগে দলং আৰু দলঙৰ সংলগ্ন পথ নির্মাণৰ বাবে আৰ, আই, ডি এফ (২) প্রকল্পৰ বাবে ৬৩২৯.২১ লাখ টকা আৰু আৰ. আই ডি. এফ. (৩) প্রকল্পৰ বাবে ১৬০৭.২২ লাখ টকা ঋণ হিচাবে লৈছে।

(খ) উক্ত ঋণ বৰপেটা, নলবাৰী, কামৰূপ, মৰিগাঁও, নগাঁও আৰু শিৱসাগৰ জিলাৰ ৪৪ (চৌৰাল্লিচ) খন নতুন দলং নির্মাণ প্রকল্পত আৰু ১৩ (তেৰ) খন আধৰুৱা দলং আৰু দলঙৰ সংলগ্ন পথ নির্মাণৰ বাবে খৰচ কৰাৰ আঁচনি লোৱা হৈছে, আৰু উক্ত কামবোৰৰ অগ্রগতিৰ ভিত্তিত উক্ত ঋণৰ ধন খৰচ কৰি থকা হৈছে।

(গ) (Contigency) নোহোৱাকৈ সর্বমুঠ ১৮৭.৫২৪ কোটি আৰু (contingency) খৰচসহ ২৭৩.৫০ কোটি টকাৰ () শিতানত বিশ্ববেংকৰ পৰা ঋণ লোৱা হৈছে।

(ঘ) ২৩ খন পকী দলঙৰ কাম সম্পূর্ণ হৈছে। বর্তমানলৈ কোনো ৰাস্তাৰ পকীকৰণৰ কাম সম্পূর্ণ হোৱা নাই। সম্পূর্ণ হোৱা দলঙৰ তালিকা গাঁথি দিয়া হ'ল।

(See the Annerure- XI)

Re : 30 Bedded Hospital at R. K. Nagar.

Shri Sambhusing Mallah, asked :

77. Will the Minister of health & Family Welfare be pleased to state :

(a) On what reason the PWD (B) has failed to start the construction Work of 30 bedded Hospital at R. K. Nagar in Ratabari Constituency? When the Administrative

approval for the same was accorded?

(Give the present position)

(b) Is it a fact that Hon'ble High Court had also directed to Assam Govt. To expedite the construction works of the project about 3 (three) years ago? (Place a copy of the same in the houses)

(c) Has the PWD (Bidg.) submitted revised estimate to the concerned authority?" (Give the original sanctioned amount and revised amount for this Hospital).

(d) Whether Govt. will constitute a committee in Public interest to conduct and enquery to findout the reasons, which delayed implement the project?

(c) If yes, when?

Dr. Kamala Kalita (Minister Health & F. W.) replied :

(a) The Reason is lack of adequate fund provision. The original estimate also requires revisions due to price escalation.

(b) Yes it is a fact. A copy of the order is placed in the House. (See the Annexure -XII)

(c) The Health Department is yet to receive the revised estimate. The original sanctioned amount was Rs. 35,27,800.00 (Rupees thirty five lakhs twenty seven thousand & eight hundred) only.

(d) It is not felt necessary to constitute a committee.

(e) Does not arise.

Shri Ajit Singh asked :

Re : Deplorable condition of the PWD Roads

78. Will the Minister of P.W.D. be please to state :

(a) Whether the Govt. is aware of the deplorable condition of the P. W. D. Roads between Kumbirgram Airport to Silchar and for which the road blocked and 12 hours fast was undertaken by the M.L.A. Udharbond Assembly Constituency on 26th Jan. 1999?

(b) What stepe the Govt. is taking to make the roads road-worthy for smooth passage of vehicular traffic?

Shri Nagen Sarma, Minister, PWD. replied :

(a) Yes, aware.

(b) Repairing works of the road will be take up. On availability of adequate fund.

Re. Ratanpur Water Supply Scheme.

Shri ABU SALEH NAJMUDDIN asked :

79. Will the Minister of P.H.E. be pleased to state :

(a) When the Construction work of Ratanpur Water Supply Scheme was started Karimganj Division?

(b) When the construction works of the above scheme will be completed?

Shri Utpal Dutta, (Minister of Public Health Engineering) replied :

(a) The works of Ratanpur Water Supply Scheme (Karimganj) was started in the year 1990-91.

(b) Necessary steps are taken to complete the construction works within 1999-2000 subject to availability of fund.

বিষয় ঃ পৰিবহন আইনৰ সংশোধন।

৮০। শ্রী দেৱকান্ত ৰামচিয়াৰীয়ে সুধিছে ঃ

মাননীয় পৰিবহন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(Central Motor Vehicle Act. 1988) খনৰ বহুতো ধাৰা সংশোধন কৰি অইন ৰাজ্যত আইনত পৰিণত কৰাৰ পিছতো অসমত নকৰাৰ কাৰণ কি মন্ত্রী মহোদয়ে জনাবনে?

শ্রী প্রদীপ হাজৰিকা (পৰিবহন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

The Motor Vehicles Act, 1998 খনৰ আধাৰত The Assam Motor Vehicle Rules, 1940, খন সংশোধনীৰ বাবে ইতিমধ্যে চৰকাৰৰ বিবেচনাধীন হৈ আছে।

Re : Money allotted for Silchar Inter- State Bus.

Shri Bimlangshu Roy, asked :

81. Will the Minister of Transport be pleased to state :

(a) Is it a fact that the money allotted for Silchar inter-state bus terminus could not be utilised for non availability of land?

(b) Will the Govt. allot land for the purpose immediately?

(c) If so, when?

Shri Pradip Hazarika, (Minister, Transport) : replied,

(a) North Eastern Council has not yet released any fund. for the Inter-State Bus Terminus at Silchar.

(b) The Govt. has allotted 50 bighas of land for Inter State Bus Terminus at Silchar under Mauza Tarapur Part-5, paragana Barkpur, Patta No. 359. Dist. Chachar.

(c) Does not arise.

বিষয় ঃ পথৰ দুৰৱস্থা।

শ্রীপৃথিৰী মাঝি,য়ে সুধিছে ঃ

৮২। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ডিব্রুগড় জিলাৰ তলত দিয়া গড়কাপ্তানি পথসমূহৰ দুৰৱস্থাৰ সম্পর্কে চৰকাৰ অৱগত নে ঃ

১। মানকটা গড়কাপ্তানি পথ

২। ঘোৰামৰা বাচমতীয়া গড়কাপ্তানি পথ

৩। মোহনবাৰী বিমানঘাটি হেজেলৰেঙ গড়কাপ্তানি পথ

৪। মোকুলবাড়ী হেজেল বেঙ বহুমৰীয়া গড়কাপ্তানি পথ

৫। মাইজান হেলেধাৰী (মোহনবাৰী) গড়কাপ্তানি পথ

(খ) যদি অৱগত নির্মাণ/মেৰামতিৰ বাবে ব্যৱস্থা হাতত লৈছেনে?

(গ) যদি লৈছে নির্মাণ/মেৰামতিৰ বাবে কিমান টকা ধার্য কৰা হৈছে?

(ঘ) চলিত বছৰত নির্মাণ/মেৰামতিৰ কাম সম্পূর্ণ হ'ব নে?

শ্রী নগেন শর্মা (গড়কাপ্তানি মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) জ্ঞাত হয়।

(খ) উল্লেখিত পথসমূহৰ মানকটা পথটো ইতিমধ্যে মেৰামতি কৰা হৈছে। বাকী পথসমূহ পুঁজিৰ অভাৱত মেৰামতি কৰিব পৰা হোৱা নাই।

(গ) মানকটা ৰাস্তাৰ ৯/১ কাঠৰ দলংখন নির্মাণৰ বাবে ৬.২৫ লাখ টকাৰ প্রাককলন জিলাৰ উপায়ুক্তলৈ দাখিল কৰা হৈছে। উল্লেখিত বাকী ৰাস্তাৰ মেৰামতি বাবদ আনুমাণিক ২১.০০ লাখ টকাৰ প্রয়োজন হ'ব।

(ঘ) প্রয়োজনীয় ধনৰ আৱণ্টন পালে বাৰিষাৰ আগে আগেই মেৰামতিৰ কার্য সম্পূর্ণ কৰিব পৰা যাব।

বিষয় ঃ সোণাৰী টেকেলা পানী যোগান আঁচনি।

শ্ৰীমতী সুশীলা হাজৰিকাই সুধিছে ঃ

৮৩। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দেৱগাঁও সমষ্টিৰ অন্তৰ্গত সোণাৰী টেকেলা পানী যোগান আঁচনি কেতিয়া আৰম্ভ কৰা হয়?

(খ) ইয়াৰ কাম সম্পূৰ্ণ হৈছে নে?

(গ) যদি হোৱা নাই কেতিয়া সম্পূৰ্ণ হৈ উঠিব?

শ্ৰী উৎপল দত্ত, (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৮৭ চনৰ জানুৱাৰী মাহত আৰম্ভ কৰা হয়।

(খ) ইয়াৰ কাম এতিয়াও সম্পূৰ্ণ হোৱা নাই। বৰ্তমানলৈ ৩০% কাম সম্পূৰ্ণ কৰা হৈছে।

(গ) পুঁজি সাপেক্ষে পৰ্যায়ক্ৰমে সম্পূৰ্ণ কৰা হ'ব।

বিষয় ঃ পৰিবহণ নিগমৰ লোকচান।

ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ঃ

৮৪। মাননীয় পৰিবহণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ব্যক্তিগত খণ্ডৰ বাছবিলাক ইমান লাভৱান হোৱা সত্ত্বেও পৰিবহণ নিগমৰ বাছবিলাক প্ৰতি বছৰে লোকচান হোৱা মুখ্য কাৰণ বিভাগীয় দুৰ্নীতি হয়নে?

(খ) যদি হয়, এই দুৰ্নীতি ৰোধ কৰাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে জনাবনে?

(গ) কৰ্মচাৰীসকলৰ দৰমহা দিব নোৱৰাৰ মুখ্য কাৰণ কি জনাবনে?

(ঘ) যোৱা তিনিবছৰ ধৰি পৰিবহণ নিগমৰ আয় আৰু ব্যয় কিমান?

শ্ৰী প্ৰদীপ হাজৰিকা, (পৰিবহণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) নহয়।

(খ) প্রশ্ন নুঠে।

(গ) আয়াতকৈ ব্যয়ৰ পৰিমাণ বেছি হোৱা বাবে সময় মতে দৰমহা দিব পৰা হোৱা নাই।

(ঘ) যোৱা তিনি বছৰৰ আয় আৰু ব্যয়ৰ খতিয়ান এনেধৰণৰ ঃ-

বছৰ	আয়	ব্যয়
১৯৯৫-৯৬	২১২০.২৭ লাখ -	৩৬৫১.৭৩ লাখ।
১৯৯৬-৯৭	২০২৫.৩৪ লাখ -	৩৬৮২.১০ লাখ।
১৯৯৭-৯৮	২১৫৭.৯৬ লাখ -	৩৩১১.৭৯ লাখ।

Re. : Repairing of Veterinary Hospital

Shri Sambhusing Mallah, asked :

85. Will the Minister of Veterinary be pleased to state :

(a) Whether Govt. has got any proposal from the Questiener for namely repairing and construction of Veterinary Hospitals & Sub-Centres including Staff Quarters in Karimganj District?

(b) If yes, What is the reason for delay in implementation?

(c) Will the Govt. take initiative steps to construct the collapsed and dilapidated conditioned of following Veterinary Hospitals & Sub-Centres in Karimganj District on priority basis?

1. Dullavcherra State Veterinary Hospital/Staff quarters.
2. Cheragi Veterinary Sub-centre.
3. R. K. Nagar Veterinary Hospital/Office/Staff Quarters.
4. Dullavcherra Veterinary Sub-Centre/Staff Quarters.

(d) If yes. How & When? (Give details)

Shri Hiranya Kumar Konwar, Minister of State, Veterinary) Replied :

(a) Yes.

(b) Due to non-availability of fund.

(c) As and When fund qill be available.

(d) Subject to the availability of fund.

Re. : Cobalt Therapy Machine etc.

Shri Ajit Singh, asked :

86. Will the Ministers of health be pleased to state :

(a) Whether implementation of the promises made by the Health Minister about six months back to intall to cobalt therapy machine for cancer patient, city scan machine appointment of teaching staff in the Silchar Hospital against vacancies are given a go by ?

(b) If not, what concrete steps have been taken to keep the said promises to provided the above machine and giving date line there of?

Dr. Kamala Kalita (Minister of Health & Family Welfare) replied :

(a) There is no question of giving a go by to promises made if any.. The cobalt therapy Machine at Silchar Medical College has already been installed. The procurement of a C.T. Scan Machine at Silchar Medical College has been included in the plan proposal of fund to be received from N.E.C. The filling up of vacant posts of Silchar Medical

College has already been taken up with priority.

(b) As stated above.

Re: Shifting of Addl. Chief Engineer Office.

Shri Bimalangshu Roy, asked :

87. Will the Minister of P. H. E. be pleased to state :

a) Is it a fact that Addl. Chief Engineer office for Barak Valley has been shifted to Guwahati vide Notification dated 1st April 1998 ?

b) will the government establish/transfer the office to Silchar as assured by Hon'ble Minister to obviate difficulties ?

c) If so, when ? If not why?

Shri Utpal Dutta (Minister of Public Health Engineering) Replied :

a) yes, shifted to Bamunimaidam, Guwahati:-21

b) Not possible ,this office will also after the works of the four Autonomous council in addition .

c) Does not arise.

Discussion on the supplementary statement of Expenditure charged on the consolidated fund of the state .

Now, Item No. 2. Discussion if any on the supplementary statement of Expenditure charged on the consolidated Fund of the state for the year 1998-99 ,we have to be discussed. We may come to the next item .

Hon'ble Chief Minister to move. Grant No.3.

Voting on supplementary Demands for Grants

Shri Prafulla Kumar Mahanta, (Chief Minister) : On the recom mendation of the Governor of Assam. I beg, Sir, to move that an additional amount of Rs. 6.13 Lakhs be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending 31st March, 1999 in connection with the "Administration of Justice." **Mr. Chairman : -** There are two Cut Motion Notices in this Grant attending in the name of Hon. Members :

1. Shri Bharat Ch. Narah

   Dr. Kalyan Kr. Gogoi

   Shri Sudhangshu kumar De Sirkar

   Shri Etuwa Munda

2. Shri Bimalangahu Roy

   Shri Kali Ranjan Deb

I now request the moves of the Cut Motion to move their Cut Motion one by one. Now I request Shri Narah to move

Shri Bharat Ch. Narah : - No.

Mr. Chairman : - Mr. Roy, will you move the Cut Motion?

Shri Bimalangshu Roy :- No.

Mr. Chairman :- Cut Motions are moved. I now put the Motion before the House. The Motion is that an additional amount of Rs. 6. 13 Lakhs be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending 31st March, 1999 in connection with the "Administration of Justice. Those who

are in favour of the Motion, say Ayes, and those who are against the Motion, Say Noes. Ayes have it. Ayes have it, Ayes have it, the Motion is passed, Grant No. 3 is passed. Now Grant No. 14. Hon. Chief Minister to move.

Shri Prafulla Kumar Mahanta, (Chief Minister) :- On the recommendation of the Governor of Assam, I beg Sir, to move that an additional amount of Rs. 1400.00 Lakhs be granted to the Minister-in-Charge to defray certain charges which will come in the course of payment during the year ending 31st March, 1999 in connection with the administration of "Police".

Mr. Chairman : There are four Cut Motion Notices in this Grant standing in the name of following Hon'ble Members :

1. Shri Bharat Ch. Narah
   Dr. Kalyan Kr. Gogoi
   Shri Prithibi Majhi
   Shri Sudhanghu Coomer De Sirkar
   Smt. Pranati Phukan
   Shri Ajit Singh
   Smti. Rupam Kurmi
   Shri Etuwa Munda
   Shri Abu Saleh Najmuddin
   Shri Pradyut Bordoloi,
2. Shri Sheikh Abdul Hamid
   Shri Abdur Rouf,
3. Dr. Deva Kanta Ramchiary
   Shri Mohini Basumatary

Smti. Pramila Rani Brahma

Shri Andrias Hajoary

" Binod Gayary

" Hemendra Nath Brahma

" Kumud Chandra Das.

4. Shri Bimalangshu Roy

" Kali Ranjan Deb.

I Now request the movers of the the Cut Motions to move Their Cut Motion one by one. Now I request Shri Narah to move.

Shri Bharat Ch. Narah :- That the total provision of Rs. 1400.00 lakhs under Supplementary Demand for Grant No. 14 in respect of "Police" at gages 3-6 of the list of Supplementary Demands be reuced by Rs. 100.00, i.e., the amount of the whole supplementary Demand of Rs. 1400.00 Lakhs do stand reduced by Rs. 100.00

Chairman : - Now Shri Sheikh Abdul Hamid to move.

★ **Shri Sheikh Abdul Hamid** : - That the total provide on of Rs. 1400.00 lakhs under Supplementary Demand for Grant No. 14 in respect of "Police" at gages 3- of the list of Supplementary Demands be reduced by Rs. 100.00, i.e., the amount of the whole supplementary Demand of Rs. 1400.00 lakhs do stand reduced by Rs. 100.00.

Mr. Chairman : - Now Hond. Member Dr. Ramchirary to move.

★ **Dr. Deva Kanta Ramchiary** :- That the total provision of Rs. 1400.00 Lakhs under Supplementary Demand for Grant No. 14 in respect of "police" at gages 3- of the list of Supplementary Demands be reduced by Rs. 100.00, i. e.,

★ *Speech not corrected*

the amount of the whole Supplementary Demand of Rs. 1400.00 Lakhs do stand reduced by Rs. 100.00.

Mr. Chairman :- Now Shri Bimalangshu Roy to move.

★ **Shri Bimalangshu Roy :** That the total provision of Rs. 1400.00 lakhs under Supplementary Demand for Grant 14 in respect of "Police" at gages 3-6 of the list, of Supplementary Demands be reduced by Rs. 100.00, i.e., the amount of the whole Supplementary Demand of Rs. 1400.00 laksh do stand reduced by Rs. 100.00.

Mr. Chairman :- Now I request Shri Bharat Ch. Narah to speak.

★ **শ্রী ভৰত চন্দ্র নৰহ ঃ** ছাৰ, কণ্টিনজেন্সি ফাণ্ডৰ পৰা আজি আৰক্ষী বিভাগৰ যিটো চাপ্লিমেণ্টৰী ডিমাণ্ডৰ কাৰণে মাননীয় মুখ্যমন্ত্রী মহোদয়ে ১৪০০ লাখ টকা বিচাৰিছে এজ এ এডভাণ্ড, ইয়াত লিখা আছে...

Though the matter relates to supplementary Demand, its expenditure relates to Law and order and that is why we want to discuss on Law & Order, as existing provision is inadequate...

এম, এন, কাউল এণ্ড শাকধৰৰ প্রেক্টিছ এণ্ড প্রচিডিঅৰ মতে চাপ্লিমেণ্টৰী গ্রেণ্টত আমি আলোচনা কৰিব পাৰো...

Rule 152. The debate on the supplementary grants shall be confined to the items constituting the same and no discussion may be raised on the original grants nor policy underlying them save in so far asit may be necessary to explain or illustrate the particular items under discussion.

আৰু আমাৰ অসম বিধানসভাৰ যিটো বুলছ এণ্ড কণ্ডাক্ট এণ্ড প্রচিডিঅ'ৰ অৱ বিজনেছ ইয়াতো একেখিনি কথাকেই কৈছে। ..... ছাৰ, অৰিজিনেল গ্রেণ্টৰ ওপৰত আমি আলোচনা কৰিব নোৱাৰো। আজি মাননীয় মুখ্যমন্ত্রী মহোদয়ে ১৪০০ লাখ টকা খৰচ কৰিব বা কৰি বলৈ বিচাৰিছে আইন শৃংখলা ৰক্ষা কৰাৰ কাৰণে। 'ল' এণ্ড অর্ডাৰৰ ক্ষেত্রত যিহেতু এই টকা খৰচ কৰিব বিচৰা হৈছে

★ *Speech not corrected*

বা খৰচ কৰা হ'ব সেই কাৰণে এই বিষয়ে দুষাৰ ক'ব বিচাৰিছো। আইটেমতো যিহেতু 'ল' এণ্ড অর্ডাৰ' সেই কাৰণে এই বিষয়ে ক'ব বিচাৰিছো।

পলিচিৰ ওপৰত ক'ব নোৱাৰো। ১৪ লাখ টকা উইড্র কৰিছে- বিধানসভা আৰম্ভ হোৱাৰ পিছত এখন বাতৰি কাকতত ওলাইছে আলফাৰ উপ-সভাপতি শ্রীপ্রদীপ গগৈৰ লগত মুখ্যমন্ত্রীয়ে কাণে কাণে কথা পাতিছে। আমি সকলোৱে উপলব্ধি কৰিছো যে উগ্রপন্থী সমস্যা সমাধান নহ'লে অসমৰ অর্থনৈতিক সমস্যাৰ সমাধান হ'ব নোৱাৰে। লগতে প্রাইভেট চেক্টৰো নহয়। গতিকে এই সমস্যা নিয়ন্ত্রণ কৰিব লাগিব। পৰিপূৰক দাবী মঞ্জুৰীৰ ওপৰত আলোচনা হৈছে। গতিকে আলফাৰ উপ-সভাপতিৰ লগত কি কি আলোচনা হৈছে বিধায়কৰ জনাৰ অধিকাৰ আছে।

★ **শ্রী চন্দ্রমোহন পাটোৱাৰী (কৃষিমন্ত্রী) ঃ** মুখ্যমন্ত্রী জেইল মন্ত্রী হিচাবে জেইল পৰিদর্শন কৰিবলৈ গৈছে। গতিকে এইটো কেনেধৰণৰ ল' এণ্ড অর্ডাৰৰ ভিতৰত পৰিল।

শ্রী ভৰত চন্দ্র নৰহ ঃ আলফাৰ সমস্যাটো ল' এণ্ড অর্ডাৰৰ সমস্যা।

★ **শ্রী চন্দ্রমোহন পাটোৱাৰী (কৃষিমন্ত্রী) ঃ** জেইললৈ যোৱাটো আইন-শৃংখলাৰ কথা কেনেকৈ হ'ল। সভাপতি মহোদয়ে ডিৰেকচন দিব লাগে।

★ **শ্রী ভৰত চন্দ্র নৰহ ঃ** মই ইমানতে শেষ কৰিলো। মুখ্যমন্ত্রীয়ে মাজতে কৈছিল আলফাক নিমন্ত্রণ কৰিছে আলোচনালৈ নাহে।

সভাপতি ঃ এইটো পলিচি মেটাৰ।

★ **শ্রী ভৰত চন্দ্র নৰহ ঃ** আইন-শৃংখলা ৰাজনীতিৰ লগত লিংক আছে। এই টকাখিনি পুলিচৰ ইউনিফর্ম বা হাউচিঙৰ কাৰণে খৰচ কৰিলে একো নক'লোহেঁতেন। মুখ্যমন্ত্রীয়ে স্বীকাৰ কৰিছে যে এই টকাখিনি আইন-শৃংখলাৰ কাৰণে। আইন-শৃংখলা আজি আলফা, এন ডি এফ বিৰ লগত জড়িত হৈ পৰিছে।

Mr. Chairman : There will be a general discussion on the budget. Here you can say about the administration of justice not the policy matter.

★ *Speech not corrected*

★ **শ্রী ভৰত চন্দ্র নৰহ ঃ** বুলচ এণ্ড প্রচিডিঙৰ কথা মই নিজে কৈছো। মই জানিব বিচাৰিছো আইন-শৃংখলা নিয়ন্ত্রণ কৰিবৰ কাৰণে, শান্তিপূর্ণ পৰিৱেশ ঘূৰাই আনিবৰ কাৰণে আলোচনাৰ প্রক্রিয়া কিমান দূৰ আগবাঢ়িছে। আগতে কৈছিল যে মধ্যস্থতা কৰিবৰ কাৰণে অসম সাহিত্য সভাক দায়িত্বৰ দিয়া হৈছে।

মাননীয় মুখ্যমন্ত্রীৰ দৃষ্টি আকর্ষণ কৰিবৰ কাৰণে কর্তন প্রস্তাৱ আনিছো। সঠিক সংখ্যা ক'ব নোৱাৰিম ৰাজ্যখনত প্রায় ১৫ জন ব্যৱসায়ী উগ্রপন্থীৰ হাতত আছে। আমি স্বীকাৰ কৰিছো কংগ্রেছৰ দিনতো হৈছিলে। যিসকল লোকক উগ্রপন্থীয়ে অপহৰণ কৰিছে সেইসকলৰ এজনকো পুলিচ, চি.আৰ. পি. এফ., সেনাই উদ্ধাৰ কৰা নাই। কংগ্রেছৰ দিনত এনে ঘটনা হৈছিল। এ, জি, পিৰ দিনতো এনে ঘটনা হৈছে। আজি তিনি বছৰে আর্মি, চি আৰ পিৰে অপহৰণ কৰা ব্যক্তিক উদ্ধাৰ কৰিব পৰা নাই। ইংৰাজীত ...What is the need of unified Command Structutre.

★ **শ্রী হিতেন্দ্র নাথ গোস্বামী (মন্ত্রী) ঃ** তেখেতে মূল কথালৈ নহাত এনেয়ে সময় নষ্ট হৈছে। ডাক্তৰ কমলা কলিতাৰ ভাতৃক অপহৰণ কৰিছিল আৰু পুলিচে উদ্ধাৰ কৰিছে। গতিকে সদনক মিচলিদ কৰি সময় নষ্ট কৰিব নালাগে।

Mr. Chairman : The parliamentary convention and procedure is very much clear regarding discussion on the Supplementary Demands for grants. In page 648 of Kaul and Sakdher it is clearly written that in respect of schemes which have already sanctioned in the main Budget, no Discussion on any question or policy is allowed. General grievances cannot be ventilated on a supplementary grant. A member can only say whether the supplementary demand is necessary or not. This is very much clear, I think. We should confine to it.

★ **শ্রী ভৰত চন্দ্র নৰহ ঃ** মই দুখ প্রকাশ কৰিছো যে মন্ত্রী শ্রী গোস্বামী ডাঙৰীয়াই যিখিনি উত্থাপন কৰিছে তাত সময় নষ্ট কৰাৰ কথা নাহে। মই সকলো বুজিবলৈ চেষ্টা কৰো সেই কাৰণে শূন্য কালত বেছি নকওঁ। মই সদনক মিচলিদ কৰিব খোজা নাই। মই গোটেই ৰাতিটো আৰু ৰাতিপুৱা অধ্যয়ন কৰিছো। আপুনি কোৱাৰ আগতে মই নিজেও কৈছো।

অসমৰ আইন-শৃঙ্খলাৰ ৰক্ষাৰ অর্থে যি ১৪ শ লাখ টকাৰ চাপ্লিমেণ্টৰী ডিমাণ্ড আনিছে তাত মই সন্মতি দিব খোজা নাই। মাননীয় গোস্বামী ডাঙৰীয়াই যিটো কথা কৈছে আচলতে সেইটো নহয়। পুলিচ বাহিনীয়ে কাকো উদ্ধাৰ কৰা নাই। তেওঁএলাক নিজে নিজে ওলাই আহিছে আৰু তেনে অৱস্থাতেই পুলিচ বাহিনীয়ে গাত লৈছে তেওঁলোকেই কৰিছে। শান্তিলাল ডিপুৰ পুতেক নাইকীয়া হোৱাৰ চাৰিদিন পাছত যেতিয়া নিজে আহি ওলাইছে তেতিয়া পুলিচে তেওঁক পুলিচৰ গাড়ীৰে আগবঢ়াই থৈ যায় আৰু পুলিচে উদ্ধাৰ কৰা বুলি বাতৰি ওলাই। সেই ক্ষেত্রত মই ক'ব খোজো যে পুলিচ বাহিনীটো অধিক সক্রিয় কৰক। তাৰোপৰি ইউনিফাইড কমাণ্ডে কাম কৰিছে নে নাই সেইটো আমি চাব লাগে। মোৰ হাতত তথ্যপাতি নাই সেয়ে মোৰ ক'বলৈ কিছু অসুবিধা হৈছে। কিন্তু আৰক্ষীয়ে চিৰিয়াছলি উগ্রপন্থী ধৰিছে নে নাই সেইটো চাব লাগে। বাতৰি কাকতত আমি কেৱল পঢ়িবলৈ পাওঁ আর্মিয়ে অমুকত টকা উদ্ধাৰ কৰিছে, আজি ৰিজার্ভত টকা উদ্ধাৰ কৰিছে ইত্যাদি। আর্মিসকলে কেৱল টকাই বিচাৰিছে নে উগ্রপন্থী বিচাৰিছে এই কথাবিলাক চাব লাগে। এইখিনি কৈয়েই মই কাটমোচনটো সমর্থন কৰি কথাখিনি ক'লো। আমি ৰাইজৰ লগত আছো আর্মিৰ লগত নহয়।

★ **শ্রী শ্বেখ আব্দুল হামিদ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, দেশৰ আইন-শৃংখলাৰ উন্নতিৰ কাৰণে চাপ্লিমেণ্টৰী ডিমাণ্ডৰ জৰিয়তে যিটো টকা বিচৰা হৈছে তাৰ মই বিৰোধিতা কৰিছো। দেশৰ আইন- শৃখলাৰ নামত টকা খৰচ কৰিছে কিন্তু আইন-শৃঙ্খলা ৰক্ষা কৰিব পৰা নাই। অসমত হত্যা লুণ্ঠন আদি হমান বাঢ়ি গৈছে যে ইয়াৰ ৰক্ষণাৱেক্ষণ দিবলৈ পুলিচ বাহিনী ব্যর্থ হৈছে। উগ্রপন্থীসকলৰ যি কৌশল আৰু যেনেধৰণৰ আধুনিক অস্ত্র-শস্ত্র ব্যৱহাৰ কৰে তেনে ক্ষেত্রত আমাৰ পুলিচ বাহিনীয়ে একো কৰিব পৰা নাই। হত্যা, ডকাইতি আদি পুলিচে ধৰিব পৰা নাই। তাৰোপৰি পুলিচ বিষয়াই যদি তেওঁলোকৰ লগত থাকে তেন্তে দেশৰ কি আইন-শৃঙ্খলা ৰক্ষা পাব? পুলিচ বিষয়াৰ অপকর্মৰ কথা ক'বলৈ গ'লে বহুত আছে। বৰপেটা বাগবৰ সমষ্টিত যোৱা বছৰ ১০টা হত্যাকাণ্ড হৈছে। এজন পুলিচ বিষয়া থাকোতেই তাত ১০টা হত্যাকাণ্ড হৈছে। ১০ জন মানুহ মাৰিছে। তাৰ পাচতো সেইজন পুলিচ বিষয়াক তাতেই ৰখা হৈছে। যোৱা বিধানসভাত এই বিষয়ে মই উত্থাপন কৰিছিলো। ১৯৯৭ চনৰ আগৰ তিনি বছৰত ৫ জন আৰু ১৯৯৭-৯৮চনৰ পাচৰ তেৰ বছৰত এই বিষয়াজনে ১০জন মানুহ মাৰিছে।

★ *Speech not corrected*

বাগবৰত ৰিপোৰ্টত কৰিছে যদিও থানাখন বৰপেটা এচ, পিৰ আণ্ডাৰত পৰে। তাৰাবাৰী বুলি ঠাইত কুখ্যাত ডকাইটৰ দল আছে তাত গৈও পুলিচ বিষয়াজনে দুজন ভায়েকক হত্যা কৰে। এনেদৰে অপৰাধীৰ লগত লেনদেন কৰি থাকে। তাৰ পাছত তেওঁক বেলেগ ডিছট্ৰিকত ট্ৰেন্সফাৰ কৰা হ'ল। কিন্তু বৰপেটা থানাৰ আণ্ডাৰত দেবৰাতী গাঁৱৰ দুটা পার্টিৰ মাজত বাঁহ লৈ কাজিয়া আছে। কিন্তু সর্বেশ্বৰ আলিৰ ঘৰত সোমাই ১২ জন সশস্ত্ৰ পুলিচ বাহিনীয়ে বাপেক আৰু দুজনী জিয়েকক, তাৰ ভিতৰত এজনী জিয়েক গর্ভৱতী আছিল, হত্যা কৰে। তাৰ পাছত আমি বিচাৰিছিলো যে জুডিচিয়েৰী এনকুৱেৰী হওক। কিন্তু চৰকাৰে দণ্ডাধীশক এনকুৱেৰী ক�ৰিবলৈ দিয়ে। আজিৰ পুলিচ প্ৰশাসন এনেকুৱাই হৈছে। নিৰপৰাধী লোকক হত্যা কৰে। সভাপতি মহোদয়, মই বৰপেটাৰ এটা কথা কৈছো। তাৰাবাৰীত কুখ্যাত ডকাইতবিলাকে ডকাইতি কৰি থকাৰ ফলত তাৰ জনসাধাৰণ অতিষ্ঠ হৈ পৰিছিল। ইয়াৰ পৰা হাত সাৰিবলৈ জনসাধাৰণে এক গোট হৈ বিভিন্ন প্ৰকাৰে হেঁচা দিয়াৰ ফলত দহ বছৰমান শান্তিত আছিল। চোৰ-ডকাইতি কমিছিল। তাৰাবাৰীত চোৰ-ডকাইতি আকৌ হৈছে। নিৰলা চৰত, মন্দিয়া চৰত আকৌ ডকাইতি হৈছে। আৰক্ষী আকৌ নির্লিপ্ত হৈ আছে। এ কে-৪৭ এতিয়ালৈ ত্ৰাত পোৱা নাই। অলপতে পাব বুলি মোৰ ধাৰণা হৈছে। থ্ৰি নট থ্ৰি বন্দুক, ৰাইফল লৈ এই অপৰাধীসকলে মুক্তভাৱে বিচৰণ কৰি আছে। বৰপেটাৰ এছ পিক বাৰে বাৰে কৈছো। যোৱা ২০ তাৰিখে মই লিখিত আবেদন দিছো। তাত সাধাৰণ মানুহে যাব নোৱাৰে। নিৰলা চৰত অপৰাধীসকলে অস্ত্ৰ লৈ ঘূৰি ফুৰিছে। অঞ্চলটোত এতিয়ালৈকে উগ্ৰপন্থীয়ে অস্ত্ৰ কিনা নাছিল। মানুহৰ সন্ত্ৰাসবাদৰ কোনো কার্যকৰী হোৱা নাই। এতিয়া বাগবৰ সমষ্টিত হৈহে আছে। সমাজ বিৰোধী যুৱকসকলে হাতত অস্ত্ৰ লৈছে। তেওঁলোকৰ হাতত পিষ্টল আছে। এই আলোচনা কালত মই অনুৰোধ কৰো। এছ পিক আদেশ দিব লাগে নিৰলা চৰত অস্ত্ৰৰ ঝন্‌জননি বন্ধ কৰিব লাগে। এইটো বন্ধ কৰিব নোৱাৰিলে গোটেই সন্ত্ৰাসবাদী থলী হ'ব। সাধাৰণ মানুহৰ জীৱন আৰু সম্পত্তিৰ ক্ষতি হৈছে। মুখ্যমন্ত্ৰীয়ে নিশ্চয় বিহিত ব্যৱস্থা ল'ব। যোৱাকালি সদানত এটা অভূতপূর্ব ঘটনা হৈছে। কোকৰাঝাৰ আৰু গোসাঁই গাঁৱত যোৱা বছৰ বিছজন ধর্মীয় সংখ্যালঘু লোকক হত্যা কৰিছে। তাৰে এজন অপৰাধী, সন্ত্ৰাসবাদী। যিসকলে ৪০ জনক হত্যা কৰিছে ধৰিব পৰা নাই। মানুহৰ মনৰ পঞ্জীভূত ক্ষোভ কালি প্ৰকাশ পাইছে। কিন্তু পুলিচবিভাগত কোটি কোটি টকা খৰচ কৰি আছে। কোনো

ধৰণৰ কাম হোৱা নাই। মুখ্যমন্ত্রী মহোদয়ে কৈছে পুলিচ বাহিনীটো আধুনিকীকৰণ কৰি শক্তিশালী কৰা হৈছে। কিন্তু কাম হোৱা নাই। মানুহে সন্ত্রাসবাদৰ সংশয়ত জীৱন কটাবলগীয়া হৈছে। গৃহবিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্রীয়ে এই পুলিচ বাহিনীটো কার্যক্ষম কৰাৰ কাৰণে চেষ্টা কৰিব। চৰকাৰে যিখিনি টকা খৰচ কৰিছে সেই টকাখিনিৰ সদ্ব্যৱহাৰ হওক।

Mr. Chairman (Shri Pulakesh Barua) :- Now Hon'ble Member Dr. Devakanta Ramchiary to speak.

★ **ডা ঃ দেৱকান্ত ৰামচিয়াৰী ঃ** সভাপতি মহোদয় গৃহ বিভাগৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্রী মহোদয়ে পুলিচ বিভাগটো অধিক সক্রিয় কৰিবৰ কাৰণে যিটো পৰিপূৰক মঞ্জুৰী আনিছে সেই টকাৰ পৰিমাণ হ'ল ১৪শ লাখ। এই বিষয়টো আলোচনা কৰিবৰ কাৰণে সদনৰ মজিয়াত কাটমোচন অনা হৈছে। সেই টকাখিনি ভাল কাম আৰু পুলিচ বাহিনীটো কার্যক্ষম কৰিবৰ কাৰণে। আইন-শৃংখলাৰ যিটো পৰিস্থিতি উদ্ভৱ হৈছে নিয়ন্ত্রণ কৰিব লাগে। এইক্ষেত্রত আমি দুগুণহে কৰিবলৈ ক'লোহেঁতেন। কিন্তু আইন-শৃংখলা নিয়ন্ত্রণ কৰিবলৈ পুলিচ সম্পূর্ণ বিফল হৈছে। চৰকাৰে আজি সন্ত্রাসবাদ দমনৰ কাৰণে ইউনিফাইড কমাণ্ড ষ্ট্রাকচাৰৰ অধীনত কাম কৰিব লগা হৈছে। পুলিচে কাম কৰিব পৰা নাই। যান-বাহন আৰু অন্যান্য সামগ্রী কিনাৰ নামত টকাখিনি বিচাৰিছে। হয়, আমাৰ ভিতৰুৱা থানা, আউট পোষ্টবিলাকত গাড়ী নাই। সেই কাৰণে দুষ্কৃতিকাৰীসকলে পুলিচৰ আগতে দুষ্কার্য সুকলমে কৰি গৈছে। আজি সামান্য এজন দুষ্কৃতিকাৰীয়ে এই কামটো কৰিব পাৰে। তাক ধৰিবৰ কাৰণে পুলিচৰ গাড়ী নাই। আমি এছকোর্টৰ কাৰণে গাড়ী এখন বিচাৰিলে ও চিয়ে কয়, গাড়ী এখন ভাড়ালৈ লওক, মানুহ পঠাই দিম। এয়েই ভিতৰুৱা গাঁৱৰ দুখৰ ছবি। গাঁৱৰ কথা বাৰু বাদেই দিলো। গুৱাহাটী মহানগৰীত কি হৈ আছে আমি সকলোৱে জানো বাতৰি কাকততো ওলায়ে আছে গুৱাহাটীৰ মাজ-মজিয়াত কি ঘটিছে, পুলিচে কি কৰিছে। সৌসিদিনা ঊষা কোর্টত অঘটন ঘটাৰ পিছত তাৰ প্রতিশোধ ল'বৰ কাৰণে দুষ্কৃতিকাৰীয়ে লখৰাত হত্যা কৰিছে। গুৱাহাটীৰ মাজমজিয়াত ইমান ওচৰতে পুলিচ থকাৰ পিছতো বাধা দিব পৰা নাই। সোণাপুৰতো একেই ঘটনা ঘটিছে। পুলিচে একো কৰিব পৰা নাই। দুষ্কৃতিকাৰীৰ লগত লগ লাগি পুলিচে কিছু কাম সম্পাদন কৰা বুলি অনুমান হয়। যাৰ হাতত আমি আইন-শৃংখলাৰ

দায়িত্ব দিছো তেওঁলোকে তাক পালন কৰিব পৰা নাই। জুৰোডৰ দুর্ঘটনাৰ পিছত গুৱাহাটী মেডিকেল কলেজ হস্পিতেলত কি অৱস্থাৰ সৃষ্টি হৈছিল সেইটো সকলোৱে জানে। পুলিচ চি আৰ পি বাহিনীৰ সন্মুখতে কিছুমান যুৱকে হাতত উদ্যত মাৰণাস্ত্ৰ লৈ কি পৰিৱেশৰ সৃষ্টি কৰিছিল। সভাপতি মহোদয় সেই বিলাক কথা ক'বই লাগিব। কাগজত ওলাইছে দুজন ডকাইত পুলিচে মাৰিছে ভাল পাইছো। তেওঁলোকে ভাল কাম কৰিছে। পুলিচে কেতিয়াবা ভুৱা সংঘর্ষৰ সৃষ্টি কৰি মানুহ হত্যা কৰি সুস্থ মস্তিষ্কৰে। এইবিলাক পৰিকল্পিতভাৱে কৰা হয়। কোনো সংগঠনে ৰাষ্ট্ৰ বিৰোধ্য কৰিলে বুলি গুলীয়াই হত্যা কৰাটো মানি ল'ব নোৱাৰি। যিহেতু ৰাষ্ট্ৰ এখনত আইন আছে সেই আইন মতেহে বিচাৰ কৰি শাস্তি প্ৰদান কৰাটো মই কামনা কৰো।

সভাপতি মহোদয়, আজি এনেকুৱা কিছুমান ঘটনা ঘটিছে যিবিলাক কথা ক'বলৈ বা প্ৰকাশ কৰিব নোৱাৰি। আগতে আমাৰ ভিতৰুৱা ঠাইবিলাকত হাউচ গার্ড দিয়াৰ ব্যৱস্থা কৰা হৈছিল। ভি আই পি সকলক সুৰক্ষা দিয়াৰ কাৰণে কিন্তু এতিয়া সেইবিলাক উঠাই দিয়া হৈছে। ভিতৰুৱা ঠাইত মিটিং কৰিবলৈ যাওঁতে উগ্রপন্থীয়ে বন্দুক কাঢ়ি লৈ গৈছে, আৰু ভি আই পিসকলৰ পৰাও নিছে। এনেকুৱা অৱস্থাত সুৰক্ষা কটকটীয়াহে কৰিব লাগিছিল কিন্তু কৰা হোৱা নাই। বিনোদ গয়াৰীৰ দেহৰক্ষীৰ পৰাও বন্দুক কাঢ়ি লৈ গ'ল, লগে লগে হাউচ গার্ড উঠাই দিয়া হ'ল। আজি আমাৰ পুলিচ বাহিনীক সমালোচনা কৰিবই লাগিব। আৰু মই দুখেৰে ক'ব লগা হৈছে যে মই নিজেও পুলিচৰ জোঁৱায়েক। পুলিচক যি টকা সা-সৰঞ্জাম কিনাৰ বাবে দিয়া হয়, সেই টকা কামত খৰচ কৰেনে? গেৰেজবিলাকত তেওঁলোকৰ কমিচন থাকে। বিলত বেছি দেখুৱাই। এইদৰে টকাৰ মিছইউজ কৰিছে। চৰকাৰৰ টকা খৰচ হৈ আছে। এই ধৰণে দুর্নীতি কৰি আছে। আজি বাতৰি কাকতত পঢ়িবলৈ পাই ভাল পাইছো যে, পুলিচ মৰেলিটি উন্নত মানদণ্ড কৰাৰ কাৰণে ব্যৱস্থা হাতত ল'ব। তেওঁলোকৰ গুণগত মানদণ্ড উন্নত কৰিবৰ কাৰণে কিছুমান ট্রেইনিং দিয়াৰ ব্যৱস্থা কৰা হ'ব। কিমানদূৰ আগবাঢ়িছে নাজানো। আজি পুলিচ বা চিভিল মানুহৰ নৈতিকতা নাইকীয়া হৈ গৈ আছে। তেওঁলোকে ভুল কৰিব আৰু ক্ষমতা আছে বাবেই ক্ষমতাৰ অপপ্রয়োগ কৰি এই বিলাক কৰি থাকিব সেইটোত চৰকাৰৰ ফালৰ পৰা দৃষ্টি ৰখাৰ বাবে মই অনুৰোধ জনালো। নহ'লে আইন-শৃংখলাৰ পৰিস্থিতি আৰু বেয়া হ'ব। পুলিচে দোষীক বিচাৰি উলিয়াব নোৱাৰে। আর্মিয়ে দোষীক ধৰিব নোৱাৰে,

নিৰীহ মানুহৰ ওপৰত নিৰ্যাতন চলাইছে। এনেকুৱা ঘটনা ঘটিছে যিবিলাক ক'বলৈ লাজ পাইছো এই পবিত্ৰ বিধানসভাৰ মজিয়াত। গতিকে সেইবিলাক শব্দ উচ্চাৰণ নকৰো। পুলিচক অধিক শক্তিশালী কৰিব লাগে। পুলিচক অধিক সক্ৰিয় কৰিবৰৈ সা সৰঞ্জাম ক্ৰয় কৰিব লাগে, ট্ৰেইনিং দিব লাগে। তেতিয়াহে আইন-শৃংখলাৰ পৰিস্থিতি উন্নত হ'ব। সাধাৰণ নাগৰিকৰ ওপৰত কৰা ব্যৱহাৰ উন্নত হ'ব। থানাত গ'লে সাধাৰণ মানুহক দম দিয়ে, কথাও পাতিব নোখোজে আৰু যদিহে আই পি এছ অফিচাৰ হয় সেইটো আৰু কি কম? তেওঁ এজন ৰজাৰ নিচিনাকৈ থাকে। বাতৰি কাকতত এজন এছ পিৰ বিষয়ে পঢ়িবলৈ পাইছো যে, তেওঁ ৭০ হেজাৰ টকাৰ কাৰ্পেট কিনিছে। এইটো অপক্ৰয় নহয়নে? মেটেৰিয়েলছ কিনাৰ কাৰণে টকা দিছিল কিন্তু ব্যক্তিগত কামত ব্যৱহাৰ কৰিছে। আজি পুলিচে দোষীক ধৰিব পৰা নাই। ট্ৰাকৰ ড্ৰাইভাৰক লাইন কৰি ৰাখি ধুমধাম পিটিছে। ইয়াৰ কাৰণ নাজানো। তেওঁলোক মানুহ নহয়নেকি যে, জন্তুৰ দৰে পিটিব। মই নিজে দেখিছো। ওদালগুৰিত যি এজন এছ, দি, পি, অ' আছিল এতিয়া ইয়াতে এছ পি হৈ আছে, মই নাম নকওঁ। এইখিনি বিষয়ে আলোচনা কৰিবৰ কাৰণে এই কাট মোচনটো অনা হৈছে। যাতে আমাৰ পুলিচ বিভাগটো সক্ৰিয় আৰু কাৰ্যক্ষম হ'ব পাৰে। এইখিনিকে মোৰ বক্তব্য সামৰিলো।

Mr. Chairman : Now, Hno'ble Member Shri Bimalangshu Roy.

Shri Bimalangshu Roy : Hon'ble Chairman, Sir, the Law and Order situation in the State is definitely not good. It is true that the law and order situation has not deteriorated overnight. We expected that the present Government will improve the law and order situation but during the last three years it appears that the law and order situation has not improved rather it is deteriorating day by day. We know the law and order situation not only in Brahmaputra Valley but in Barak Valley which was previously called the land of peace. the island of peace but now it is also in turmoil. In respect of N.C. Hills, we know Sir, every Government Officers are required to pay 10% of their salary to the extremists and if any officer refuses to pay the same, he is eliminated and there are no death of such incident. In

N.C.Hills even we find that the Deputy Commissioner is also required to pay 10% from his salary. This is the position of the Law & Order in the State and in this situation definitely Government required some money for modernisation of their police forces, for their proper training, For increasing their efficiency, more money is required. We know that major part of our income is to be spent towards security related expenditure and that is why the economic condition of the State has deteriorated much. But unfortunately, Sir, in the course of last three years we have not been able to increase the efficiency of our police forces. Police, once a friend of the citizens are now termed as enemy. Nobody likes to go to the police Station for any help. All citizens avoid the police because they know if they go to the police station for any help they will never get it, and that is why people are reluctant to go to the police to ventilate their grievances. We see that the police force are now not interested in the matter of investigation of cases. They are more busy in realising/extorting money by establishing gates in different place. They are external money from the truck drivers. My friend. Dr. Ramchiares has already said that truck drivers are assaulted, if they do not pay according to the demand, We know that for security reasons, we require sometimes some gates but innumerable setting up of gates are not at all necessary. If we raise our voice against setting up of such indiscriminate gates to the IGP, DGP, they say that they have no knowledge of existence of such grates. Our Police officers, our Ministers our Secretary of the Home Department, all know about the existence of such grates in the state and these are utilised by the Police forces for extortion of money. This is a very serious matter. If this is allowed to be continued this will also malign the fame and name of the administration. So through this discussion, I appeal to the Hon'ble Chief

Minister to look into this serious problem which the ordinary citizens, ordinary truck drivers are facing. We have seen Sir. many officers are posted in a particular place for years together, sometimes we find that one officer joined in a particular police station are retiring from the same district. This is the plight of the present police force of the State. When a police officer remains in a particular place for years together he develops nexus with the criminals and use their good offices for earning of money through them. We do not find any policy of the Govt. in this regard. Govt. officer's posts are transferrable and naturally they are required to be transferred after completion of three years but we find that these are not followed in practice. It is desired that every police officers are to be transferred from one place to another place in every three years and that improves the efficiency of the police officers. Another thing we find that some good police officers, efficient police officers who officers who officers who do not have any link with ups are not given the good posting. The officers who have link with the high ups thought they are inefficient, thought they are worthless even then they are getting good postering. I know Sir, there are some officers in the high rank who has never written a case diary and who never---------- any case but he is occupying the post of Officer-in-charge of the police station. This is position of our police force in our State. Sir, my friend Dr. Deva kanta Ramchiary has said that there are lot of corruption in the police department. My humble submission in this regard is that to curtail corruption, some preventive measure are to be taken. The posts of Loka Ayukta and Upa Loko Ayukta are to be filled up. We know Loke Ayukta and Upa Loke Ayukta can administer justice and while administrating justice, they can also look into the allegations against the MLAs against the Ministers against the public servants but since March 1995

in Assam these posts of Loko Ayukta and Upa Loko Ayukta have not been filled up. I raised this question in the assembly and I got reply that steps are being taken to fill up these posts. This is about two years beck but till today no Loko Ayukta or Upa Loko Ayukta have been engaged, no appointment has been made of these posts. So I urge upon the Hon'ble Chief Minister who is in-charge of he Home Department through you to see that these posts are filled up quickly so that we can check corruption atleast to some extent and people also getafofum to ventilate their grievances. Sir, in Barak Valley insurgency his raised its ugly head more particularly in Lakhipur Subdivision which is the border area of Manipur and this has poised a serious problem NSCN are demanding money regularly by sending letters to the businessmen, to the ordinary people and if they do not meet up their requirements, the garden managers, garden proprietor businessman are very often kidnapped. This is a very serious matter which our Govt. must look into seriously. We have demanded for setting up of BOPs in the bordering areas but unfortunately till today no BOP has been set up. My earnest request would be to set up some BOPs in the bordering areas of Jirrghat so that the ordinary citizens can live peacefully, they can do their business peacefully. Sir, we know a few days back in Hozai there were serious incident which was highlighted in several local dailies a election was to be held in a school committee and some people who are very minority in the area, say only 12 families and as they did not caste their votes in favour of that particular community, they were harassed, their houses were set ablaze and a lady was burnt alive but from the newspaper I have seen that even after expiry of 15 days no arrest could be made because the accused person was very very influential so I would urge upon the Hon'ble Chief Minister to personally intervene and see that over this

small incident no communal disturbances can flare up and see that the people can live in peace and tranquillity. Sir, I brought this Cut Motion only to ventilate the grievances of the people, only to highlight the present law and order situation of the State with the hope that through our discussion in the Assembly, definitely Government would be benefited. We have given spoken have also given some constructive suggestion. We believe that our suggestion would be given due weightage and would be definitely accepted. We want our police force to be modernised, we hope that our police personals would be respected by the ordinary citizens and they would work efficiently and sincerely. With these few words Sir, I conclude. Thank you.

The people want to live peacefully with peace and amity. Sir, we have brought this Cut Motion to ventilate the grievances of the people, only to highlight the present law and order situation of the State with the hope that with our discussion in the Assembly definitely Govt. will be benefited. We are giving some constructive suggestions for improvement of the functioning of the police force. Our police force should be modernised and our police personal should be respectable and they should do their work efficiently and with dignity.

Mr. Chairman (Shri Pulakesh Barua) : Now Hon'ble Member Shri Dilip Kumar Saikia.

★ **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় সভাপতি ডাঙৰীয়া মাননীয় মুখ্যমন্ত্ৰী তথা গৃহ বিভাগৰ দায়িত্বত থকা গৃহমন্ত্ৰী মহোদয়ে গৃহ বিভাগৰ দাবী মঞ্জুৰী হিচাবে ১৪ শ লাখ টকা বিচাৰিছে, সেইটোত মই সমর্থন আগবঢ়াইছো। এই কাৰণে আগবঢ়াইছো যে এসময়ত ৰঙা পুলিচ আছিল, এতিয়াও আছে। এসময়ত ৰঙা টুপী বেতৰ লাঠী, হাফপেণ্ট পিন্ধা পুলিচ আছিল। ১৯৭২ চনত উত্তৰ লক্ষীমপুৰলৈ ভাৰত চার্কচ গৈছিল। ৰাতি চার্কাচৰ মানুহৰ ওপৰত উপদ্রপ হৈছিল। পিছদিনা সেই কাৰণে লক্ষীমপুৰত কাৰফিউ দিব লগা হ'ল। কার্ফু কি বস্তু মানুহে

★ *Speech not corrected*

নাজানিছিল, তাক চাবলৈ আহিছিল। এডাল লাঠিৰে ৰঙা টুপী পিন্ধা পুলিচে মানুহক কণ্ট্ৰ'ল কৰিছিল। এইটো ১৯৭২ চনৰ কথা। কিন্তু আজিৰ পৰিস্থিতি কি হৈছে- এ কে ৪৭ ৰাইফল, বুলেট প্ৰফু গাড়ী পুলিচক দিব লগা হৈছে। চায়েন্সৰ যুগত বিভিন্ন উগ্রপন্থীৰ কার্যকলাপৰ বাবে আইন-শৃংখলা গঢ়ি উঠিছে। ১৯৯৬ চনত নির্বাচনৰ সময়ত অসমৰ ৰাইজক সা-সম্পত্তি ৰক্ষণাৱেক্ষণ, মানুহৰ নিৰাপত্তা দিম বুলি প্রতিশ্রুতি দি আহিছিল আৰু মাননীয় মুখ্যমন্ত্রী মহোদয় আৰু চৰকাৰে সেইটো কৰিছে। একশ ভাগৰ এক শ ভাগ কৰিব নোৱাৰিলেও চেষ্টা কৰিছে। আজি পুলিচ বিভাগক সমালোচনা কৰা হৈছে, সেইটো ঠিক কথা, কিন্তু গঠনমূলক সমালোচনাহে কৰিব লাগে। পুলিচে বেয়া কাম কৰা কথা নহয়, ভাল কাম কৰা কথা কওঁক। ১৯৮৮ চনত বানপানীৰ সময়ত পুলিচে যি কাম কৰিছিল সেইটো শলাগী বলগিয়া কথা। মই যদি ভাৰতৰ ৰাষ্ট্রপতি হ'লোহেঁতেন তেন্তে মই তেওঁলোকক ৰাষ্ট্রপতি পুৰস্কাৰ দিলোহেঁতেন। এতিয়াও ধেমাজিৰ ও, চি,য়ে জি, এচ, মার্ক পাইছে। এই মার্ক পালে প্রমোচন হ'ব লাগে, তেখেতক সেইটো কৰক। ডি, আই, জি, য়ে ফাইলটো কেতিয়াবাই দিলে, চহী হোৱা নাই। তৎকালেই চহী কৰি দি প্রমোচন দিয়াটো ভাল। তেতিয়াহে তেওঁৰ মনোযোগ বঢ়িব। মই দেখিছো ৰাতি ১১ বজাত ওলাই যায় আৰু পুৱতি নিশা তিনি বজাত ঘৰ সোমায়। এইবিলাক খবৰ পাই থাকো। পুলিচৰ লগত যদি আমাৰ ভাল সম্পর্ক নাথাকে তেতিয়াহ'লে আমি ৰাইজৰ কি কাম কৰিম। তেওঁলোকক ৰাইজৰ কাম কৰাব লাগিব। আমি বিধায়ক হিচাবে নির্দেশ দিব নোৱাৰো যদিও কিছুমান কথা ক'ব পাৰো। পুলিচক ভাল কাম কৰিবলৈ ভাল গাড়ী লাগিব, কিন্তু কিছুমান থানাত গাড়ী নাই। বুলেট প্রুফ গাড়ী কিনাৰ কথা কৈছে। তেওঁলোকো মানুহ, তেওঁলোকৰ পৰিয়াল আছে। ধেমাজিৰ পুলিচ বিষয়াক ৰাস্তাত হত্যা কৰা হ'ল। আমাৰ প্রজাসকল শান্তিত আছে নে নাই ৰুলিং পার্টিৰ বিধায়কে নহয় বিৰোধী পার্টিৰ বিধায়কেও চোৱাৰ দায়িত্ব আছে। অকল ৰুলিং পার্টিৰ বিধায়কে নহয় বিৰোধী দলৰ বিধায়কেও অভাৱ-অভিযোগ বিলাক চৰকাৰৰ ওচৰত অৱগত কৰিব লাগে। মহাৰাষ্ট্রত নিযুক্তি পোৱাৰ সাত বছৰ পিছত এডিছনেল এছ, পি, চিনিঅ'ৰ অফিচাৰ হয়। মহাৰাষ্ট্র পুলিচ কমিছনে পুলিচ নিযুক্তি দিয়ে। কিন্তু আমাৰ অসমত ডি, এছ, পি, পোৱাতে ২১ বছৰ সময় লাগে।

মাননীয় সভাপতি মহোদয়, মই মুখ্যমন্ত্রী মহোদয়ক অনুৰোধ জনাইছো মহাৰাষ্ট্রৰ নিচিনা আমাৰ ইয়াতো পুলিচৰ প্রমোচন হ'ব লাগে। প্রমোচনৰ ক্ষেত্রত অলপ

চাই চিতি কৰাটো ভাল। প্ৰমোচন পালে তেওঁলোকে কাম-কাজ কৰিবলৈ সুবিধা পায়। গুৱাহাটীত পুলিচ কমিছ্নাৰ দিয়াৰ কথা আছে। দিল্লী, তামিলনাড়ু, বোম্বেত, তেনেকুৱা আছে, কলিকতাতো কৰাৰ কথা আছিল। এইটো কৰা হ'লে তেওঁলোকে নিশ্চই ভাল কাম কৰিব। মন্ত্ৰী মহোদয়ে দেখি-শুনিও যদি চকু মুদি দিয়ে তেতিয়াহ'লে উপায় নাই। পুলিচে লাঠিৰ মূৰ ফেবিকল এঠা লগাই পইচা লয় বুলি কয়। জালুকবাৰীত চিভিল দ্ৰেছত গৈ পইচা আদায় কৰে। মহাৰাষ্ট্ৰত গোপীনাথ মন্দে চিভিল দ্ৰেছত ধৰে, মই এবাৰ গৈ পৰিছিলো। বিভিন্ন ক্ৰিমিনেল একটিভিটিচ বেলেগ। কোনোবা হোটেলত বাৰ্থ দে পাতিলে পিছদিনাই দাবী আহে পইচা পইচা দিব লাগে। এইটো সত্য কথা। মাননীয় সভাপতি মহোদয়, মহাৰাষ্ট্ৰত শ্বো ৰুম এটা খুলিলেও টকা দিব লাগে। ২০ লাখ ৩০ লাখ টকা পৰ্যন্ত। যিসকলে চিনেমা কৰে তেওঁলোকলৈও টকাৰ দাবী আহে। মোৰ ভাল বন্ধু চাৰবন চিনেমা কৰে তেওঁৰ পৰাও টকা বিচাৰিছে। অসমত ক্ৰিমিনেল আছে বুলি কৈছে। ক্ৰিমিনেল গোটেই বিশ্বতে আছে। তাৰ তুলনাত অসমত বহুত ভাল। ইয়াত গুপ্তঘাতকৰ কথা কোৱা হৈছে।

★ **শ্ৰী ভৰত চন্দ্ৰ নৰহ** ঃ মাননীয় সভাপতি মহোদয়, আমি সন্দেহ কৰিছো এই ক্ষেত্ৰত চৰকাৰ জড়িত আছে। কাৰণ গুপ্তঘাতকে হত্যা কৰিছে কিন্তু কাকো ধৰিব পৰা নাই।

★ **শ্ৰী দিলীপ কুমাৰ শইকীয়া** ঃ মাননীয় সভাপতি মহোদয়, চৰকাৰ জড়িত নহয়। এইটো চিক্ৰেট কথা চৰকাৰে কাম কৰিছে। আপোনালোকে আজি পি, এছ, ও বিচাৰিছে চৰকাৰে দিছে। কাম কৰা নাই বুলি কিয় কৈছে। আপোনালোকৰ মণিকুমাৰ চুব্বাই পি, এছ, ও, ৰিং গাড়ী আদি লাগে বুলি কৈছে। বিচাৰিলে মুখ্যমন্ত্ৰীয়ে দিব লাগিব। আমাৰ মাজত থাকে ৪-৫ জন পি, এছ, ও এজনকৈ কিয় নাৰাখে।

★ **শ্ৰী ভৰত চন্দ্ৰ নৰহ** ঃ সভাপতি মহোদয়, এই ক্ষেত্ত পলিচি বনাব লাগে গৃহ মন্ত্ৰালয়ে। পি, এছ, ওৰে ৰক্ষা কৰিব নোৱাৰে।

★ **শ্ৰী দিলীপ কুমাৰ শইকীয়া** ঃ সভাপতি মহোদয়, মুঠ কথা ৰাইজক শান্তি লাগে। আমি শান্তি বিচাৰো। আমাৰ নতুন ডি, জি, পিয়ে এটা কথা কৈছে যে যিবিলাকৰ আন-অথৰাইজ লাইচেঞ্চ গান আছে লগে লগে চিজ কৰিম বুলি

কৈছে। আজিলৈ কৰা নাই। এ, জি, পিৰ মেনিফেষ্টেটো কৈছিলো যে ৩ মাহৰ ভিতৰত লাইচেঞ্চ বিহীন বন্দুক কাঢ়ি আনিম। আমি পুলিচ বিভাগটো সবল কৰি তুলি ল'ব লাগিব। পুলিচ আৰু ৰাইজৰ মাজত মিতিৰালি পাতিব লাগিব। ট্ৰেইনিঙৰ সময়তে এনেকুৱাকৈ শিকোৱা হয় যে ৰাইজৰ লগত বিচ্ছিন্ন কৰা হয়। সেই কাৰণে ট্ৰেইনিঙৰ সময়তে এনেকুৱা শিক্ষা দিব লাগে যাতে ৰাইজক শত্ৰু বুলি নাভাৱে। পুলিচ আৰু ৰাইজৰ মাজৰ সম্বন্ধ ভাল হ'লেহে ভাল কাম হ'ব। ১৯৪৭ চনৰ পৰা কৈ অহা হৈছে এইবিলাক কথা, কিবা পৰিৱৰ্তন হৈছে নেকি। আজি আমি পুলিচ বিভাগটো আধুনিকীকৰণ কৰাৰ কাৰণে টকা বিচাৰিছো। কাৰণ এখন জিপচি গাড়ী কিনিবলৈ ৪-৫ লাখ টকা লাগে। আমাৰ যি ৰাস্তা সি ভাল নহয় সেই কাৰণে ভাল গাড়ী লাগিব। ভৰত নৰহ ডাঙৰীয়াৰ সমষ্টিতে ভাল অফিচাৰৰ মৃত্যু হৈছে। তাৰ কাৰণে আমি দুখ প্ৰকাশ কৰিছো সভাপতি মহোদয়, আমি দেখিছো পুলিচ থানাত মানুহক বেয়া ব্যৱহাৰ কৰে। গতিকে পুলিচ থানাত এটা ভিজিটৰচ ৰুম বনাব লাগে। আমিওটো কেতিয়াবা যাব লাগিব। আজি বিধায়ক হৈ আছো। কালিলৈ প্ৰাক্তন বিধায়ক হ'ব পাৰো। তেতিয়াহ'লে আমাকো ক্ৰিমিনেলৰ লগতে বহিব দিব। সেই কাৰণ ভিজিটৰচ ৰুম লাগে। এখন থানা মই ডেৰ লাখ টকা দি বনাইছো। মাছখোৱাটো থানা বনাইছো। আপোনালোকে চাব পাৰে। ৰাইজৰ পৰা মোৰ ওপৰত কোনো আপত্তি নাই। কিবা অসুবিধা ৰাইজৰ থাকিলে মাননীয় মুখ্যমন্ত্ৰী কাণে কাণে কওঁ। মুখ্যমন্ত্ৰীয়ে চাই দিয়ে। আমি আশা ৰাখিছো পুলিচ বিভাগটোৱে ৰাইজৰ লগত বন্ধুত্বপূৰ্ণ সম্বন্ধ ৰক্ষা কৰিব। মুখ্যমন্ত্ৰীয়ে কাম কৰিছে। তেখেত অসমৰ ৰাইজৰ মুখ্যমন্ত্ৰী, গৃহমন্ত্ৰী। তেখেতে ৰাইজৰ, অসমৰ ৰাইজৰ কাৰণে চিন্তা কৰিব লাগিব। পূজাৰ কাৰণে চিন্তা কৰিব লাগিব। সেই কাৰণে টকা দিব লাগিব। পুলিচ বিভাগৰ বহুটো অভাৱ-অভিযোগ আছে। আউট পোষ্ট বিলাক থানালৈ ৰূপান্তৰিত কৰিব লাগে। সেই কাৰণে বিৰোধী পক্ষই যি বিৰোধিতা কৰিছে সেই বিৰোধিতা নকৰি সমৰ্থন জনাবলৈ অনুৰোধ জনাইছো আৰু কৰ্তন প্ৰস্তাৱ উঠাই ল'বলৈ অনুৰোধ কৰি বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Chairman : Now Hon'ble member Shri Mostafa Suahidul Islam to speak.

* **শ্ৰী মোস্তাফা চহিদুল ইছলাম ঃ** মাননীয় সভাপতি মহোদয়, পুলিচ

---

* Speech not Corrected.

বিভাগত যি ১৪ শ লাখ টকাৰ দাবী মঞ্জুৰী আনিছে তাৰ কর্তন প্রস্তাৱত সমর্থন কৰি কিছু কথা ক'বলৈ বিচাৰিছো। পুলিচ এটা গুৰুত্বপূর্ণ বিভাগ। পুলিচে আইন শৃংখলা ৰক্ষা কৰে বিপদত মানুহক ৰক্ষা কৰে। আমি দেখা পাইছো এই পুলিচ বিভাগটোত একেবাৰে তলত থাকে আউট পষ্ট, তাৰ পিছত থাকে থানা তাৰ পৰা মহকুমা পুলিচ বিষয়া তাৰ পিছত জিলা অধীক্ষক তাৰ পিছত থাকে ৰাজ্যৰ মুৰব্বী। মই এটা ঘটনাৰ কথা কম আমাৰ মৈৰাবাৰীত আলফাই গুলীয়াই এজন মানুহ মাৰিলে। গুলীৰ শব্দ শুনি মানুহৰ হোৱা-দুৱা লাগিল। মানুহৰ দৌৰা দৌৰি হ'ল। পুলিচে অপৰাধীক ধৰিবলৈ এৰি মানুহৰ আগে আগে দৌৰিলে। আমাৰ পুলিচ বিলাক উপযুক্ত হ'ব লাগে। ক্রিমিনেলক ধৰিব পাৰিব লাগে। আমাৰ শাসনযন্ত্র থিকে থাকিলে এইবিলাক ভাল কৰিব পাৰি। এইবিলাক সুন্দৰ কৰিব লাগে। পুলিচ বিভাগত ডিচিপ্লেন থাকিব লাগে। এইটো এটা নিয়ম। মাননীয় সভাপতি মহোদয়, নিযুক্তিৰ ক্ষেত্রত জনসংখ্যা গাঁথনিৰ ভিত্তিত হ'ব লাগে। অসমৰ বিভিন্ন ঠাইত বিভিন্ন ধৰণৰ জনগোষ্ঠী আৰু সংখ্যালঘুসকল বসবাস কৰে। নিযুক্তিৰ ক্ষেত্রত এইটো 'ৰিফেল্ট' হ'ব লাগে। আমি দেখিবলৈ পাইছো পুলিচ বিভাগত মডার্ণ ইকুইপমেণ্ট নাই। আগৰ পুৰণি ৰাইফল ব্যৱহাৰ কৰি আছে। তাৰ পৰা পুলিচৰ অসুবিধা হৈছে। পুলিচ বিভাগত আধুনিক যন্ত্রপাতিৰ ব্যৱস্থা কৰিব লাগে। আৰু এটা কথা আমাৰ যিবিলাক হোমগার্ড আছে সেইবিলাকৰ দৰমহা মাত্র ৮০০ টকা দিয়ে তাকো ৰেগুলাৰ নহয় ৩/৪ মাহৰ মূৰে মূৰে দিয়ে। তেওঁলোকে ১০/১২ বছৰ পর্যন্ত কাম কৰে কিন্তু তেওঁলোক ৰেগুলাৰ নহয়। এইসকলক ৰেগুলাৰ কৰাৰ ব্যৱস্থা কৰিব লাগে। তেওঁলোকৰ প্রমোচনৰ ব্যৱস্থা কৰিব লাগে। তেওঁলোকক ৮০০ টকাৰ ঠাইত অন্ততঃ ১৫০০ টকা দৰমহা দিয়াৰ ব্যৱস্থা কৰিব লাগে। মই আশা কৰিছো চৰকাৰে যাতে এই ব্যৱস্থাবিলাক হাতত লয়। আমি দেখা পাইছো টাউন চহৰৰ টেফিক আৰু পুলিচবিলাকৰ তেলৰ অভাৱ হয়। তেওঁলোকক তেলৰ ব্যৱস্থা কৰি দিব লাগে। গাড়ীৰ মেৰামতিৰ নামত লাখ লাখ টকা খৰচ কৰি থাকে। এনেধৰণৰ বেয়া গাড়ী থাকিলে পুলিচে কাম কৰিব নোৱাৰে। কোনোবা অপৰাধকাৰীক যদি ধৰিব লগা হয় তেতিয়া অসুবিধাত পৰে। মাননীয় সভাপতি মহোদয়, ইতিমধ্যে আমাৰ যিবিলাক যুৱক আলফা বা এন ডি এফ বি হৈছে তেওঁলোকক মূলসুঁতিলৈ ঘূৰাই অনাৰ ব্যৱস্থা কৰিব লাগে। যি যি এলেকাৰ পৰা এই ল'ৰাবিলাক গৈছে আৰু ট্রেইনিং লৈছে পুলিচে তাৰ খবৰ ৰাখিব লাগে। পুলিচ বিভাগত এটা

নিয়মানুবর্তিতা গঠন কৰিব লাগে। মানুহে বলীয়া হাতীকো বলাব পাৰে, পুলিচ বিভাগত এইবিলাক কিয় কৰিব নোৱাৰিব। আমাৰ ইয়াতো বহুত ভাল ভাল পুলিচ অফিচাৰ আছিল— লা বি কে দে, প্ৰদীপ দাস; বি, এচ বাবেৰ, নিচি চাংকাকতি, জ্ঞানানন্দ শৰ্মা পাঠক, মদন চৌধুৰী এইসকল ভাল অফিচাৰ আছিল। অসম পুলিচৰ বেছিভাগ আই পি এছ বিষয়া বাহিৰৰ মানুহে পাই। সেয়ে আমাৰ ইয়াত অসমৰ আই পি এছ বিষয়া নিয়োগ কৰিব লাগে। থলুৱা মানুহেহে অসমৰ মানুহৰ মনোভাৱ বুজি পাই। সেয়ে তাৰ কাৰণে মই অসমৰ মানুহক নিযুক্তি দিবলৈ অনুৰোধ কৰিলো। এই পুলিচ বিভাগটোক 'ৰি-অৰগেনাইজেচন' কৰিব লাগে। আমাৰ সংখ্যালঘুসকলৰ ডি এছ পি এজনো পোৱা নাই। এই ক্ষেত্ৰত মন্ত্ৰীয়ে যাতে মাহী আইৰ চকুৱে নাচায় আৰু আমাৰ মানুহকো যাতে পদোন্নতি দিয়ে। ভাল কাম কৰিলে পদোন্নতি দিব লাগে আৰু পুৰস্কৃত কৰিব লাগে তেতিয়াহে উৎসাহিত হ'ব। এখন ফুলনিত নানা বিধ ফুল থাকিলে যেনেকৈ ধুনীয়া দেখি ঠিক তেনেকৈ পুলিচ বিভাগতে বিভিন্ন সম্প্ৰদায়ৰ মানুহ থাকিলে আইন-শৃংখলা ৰক্ষা কৰাত সুবিধা হয়। কাৰণ তেতিয়া কোনো সম্প্ৰদায়ৰ ফালৰ পৰা আপত্তি থাকিব নোৱাৰে। গুপ্তচৰ বা চোৰাংচোৰা বিভাগটো সক্ৰিয় কৰি তুলিব লাগে। কাৰণ তেওঁলোকেহে আগতীয়াকৈ ক'ত কি হয় জনাব পাৰে। পুলিচ বিভাগটোৱে 'ডিচিপ্লেনত' থাকিলেহে আইন-শৃংখলা ৰক্ষা কৰিব পাৰিব, তেতিয়া কাৰ্যক্ষম হ'ব পাৰিব এইখিনি মুখ্যমন্ত্ৰী তথা গৃহমন্ত্ৰীৰ তৎপৰতাতহে হৈ উঠিব। এইখিনি মই মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো আৰু বিভাগটো কাৰ্যক্ষম হয় তাৰ কাৰণে কাটমোচনটো সমৰ্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

Mr. Chairman : Hon'ble Member Shri Hemen Das

★ **শ্ৰী হেমেন দাস ঃ** মাননীয় সভাপতি মহোদয়, আমাৰ ৰাজ্যখনত পুলিচ বাহিনীয়ে হৈছে চৰকাৰৰ চকু, কাণ আৰু নাক। ৰাজ্যখনৰ সকলো ঘটনাৰ খা-খবৰ পুলিচে চৰকাৰক যোগান ধৰি থাকিব আৰু তাৰ ভিত্তিত চৰকাৰে আইন-শৃংখলাকে আদি কৰি দুৰ্নীতিত লিপ্ত থকা মানুহৰ লগত মোকাবিলা কৰিবৰ কাৰণে আগবাঢ়িব পাৰিব। আমাৰ ৰাজ্যখনৰ পুলিচ বাহিনীয়ে সেইবোৰ সামগ্ৰিকভাৱে কৰিব পাৰিছে নে নাই? তাৰোপৰি নগৰে চহৰে থকা দুষ্কৃতিকাৰীসকলৰ তালিকাবিলাক সংগ্ৰহ কৰিব পাৰিছে নে নাই? তাৰ তালিকা চৰকাৰৰ ওচৰত দাখিল কৰিব পাৰিছে নে নাই? এই ক্ষেত্ৰত চৰকাৰে

★ *Speech not corrected*

বিশেষভাৱে নজৰ দিব লাগে। আজিকালি দেখা গৈছে পুলিচে বহুত খা-খবৰ চৰকাৰক দিব নোৱাৰে। খবৰ পাবৰ কাৰণে যিবিলাক নিয়ম কৰা হৈছে সেই নিয়মবিলাক সঠিকভাৱে পালন নকৰাৰ ফলত খবৰ যোগান ধৰিব নোৱাৰে। পুলিচ বাহিনীৰ বেছিভাগে থানাৰ লগত চুক্তি থাকিব লাগে। য'ত ডিষ্ট্রিক্ট একজিকিউটিভ ফোর্চ আছে। পুলিচ বিভাগৰ আৰু এটা বিশেষ শাখাৰ বিষয়ে কওঁ, সেই বিশেষ শাখাটোলৈ কোনো পুলিচ বিষয়া যাব নিবিচাৰে। যদি সেই বিশেষ শাখাটোলৈ কোনো পুলিচ বিষয়াক পঠিয়াই তেতিয়া তেওঁলোকে পুনৰ ডিষ্ট্রিক্ট একজিকিউটিভ ফোর্চলৈ ঘূৰি যাব বিচাৰে।

(শ্রী বিমলাংশু ৰয়ে সভাপতিৰ আসন গ্রহণ কৰে)।

মাননীয় সভাপতি মহোদয়, সেয়েহে মই ক'ব বিচাৰিছো যে পুলিচ বিভাগটোৱেই চকু, নাক আৰু কাণ সম্পর্কত থকা পুলিচ বাহিনীটোৱে দায়িত্ব পালন কৰিব পৰা নাই সেইটো ওলাই পৰিছে। সেয়েহে নতুনকৈ পুলিচ বিভাগটোক সংগঠন কৰিব লাগে।

স্পেচিয়েল ব্রাঞ্চত বিশেষভাৱে নিযুক্তি কৰিব লাগে। যিসকল স্পেচিয়েল ব্রাঞ্চত থাকে তেওঁলোকক তাতে প্রমোচন দি ৰাখিব লাগে। জিলাৰ পৰা যাতে স্পেচিয়েল ব্রাঞ্চলৈ যাবলগীয়া নহয়। চিয়াইডি ব্রাঞ্চত দিলে তেওঁলোক যাবলৈ নিবিচাৰে। যি কাম কৰিব লাগে সেইটো নকৰে। চৰকাৰৰ বহুতো ক্রাইম আছে। য'ত ইনভেষ্টিগেচন আছে। সেয়েহে সেই বিভাগটোত থকা লোকসকলক সমূহীয়াভাৱে প্রশিক্ষণ দিব লাগে। প্রশিক্ষণক যদি বিশেষ গুৰুত্ব আৰোপ কৰা নহয় তেতিয়াহ'লে পৰিস্থিতি চম্ভালা টান হ'ব। ক্রাইমৰ নেচাৰবিলাক চেঞ্জ হৈ আহিছে। সেয়েহে কিদৰে বিশেষ প্রশিক্ষণ দি বিশেষভাৱে নিযুক্তি দিব পৰা যায় তাৰ কাৰণে চৰকাৰে বিশেষভাৱে চিন্তা কৰি চোৱা দৰকাৰ। মই এষাৰ কথা কওঁ, কোনো এজনক যদি এছ, বি,ত দিয়ে তেওঁ মুখ্যমন্ত্রীক আহি খাটনি ধৰিব। যদি সোধে কি হ'ল? তেতিয়া তেওঁ ক'ব মোক এছ বিত দিছে। মোক ডিষ্ট্রিকত দিয়ক। মোৰ ওচৰলৈও আহিছে। অন্যান্য মন্ত্রীৰ ওচৰলৈও যায়। সেয়েহে এইবিলাক বিভাগীয় মন্ত্রী মহোদয়ে চাব লাগে।

চার্জচিট সম্পর্কত ক'ব খুজিছো। বছৰ বছৰ ধৰি চার্জচিট পৰি থাকে। চার্জচিটবিলাক সময়মতে নাযায়। মোৰ ঘৰৰ ওচৰত হেঙেৰাবাৰীত এটা ঘটনা

ঘটিছিল তাৰ চার্জশ্বিট দিয়া নাই। ৩ বছৰমান হ'ল। এনেকুৱা পুলিচ পাইছো মোৰ সাক্ষাৎ গ্ৰহণ নকৰে। তাৰ কাৰণে মই এছ পি লৈ লিখিবলগীয়া হ'ল। তেতিয়া দুই কি তিনি মাহৰ পিছত মোৰ তালৈ গৈছে কিন্তু মোৰ চহী লোৱা নাই। চার্জশ্বিট নিদিয়াৰ ফলত অপৰাধীসকল বছৰ বছৰ ধৰি খালাছ হৈ থাকে। চার্জশ্বিটবিলাক নিদিলে অপৰাধী নিয়ন্ত্ৰণ কৰা টান হ'ব। অপৰাধীয়ে কাকো খাটিৰ নকৰে। এই বিষয়টোৰ ওপৰত চৰকাৰে এটা নির্দেশ জাৰি কৰিব লাগে।

মাননীয় সভাপতি মহোদয়, পি, এছ, অ' ক্ষেত্ৰত মই ক'ব বিচাৰিছো, মই নির্বাচনত জয়ী হোৱাৰ পিছত এজন ডি এছ পি মোৰ ওচৰলৈ আহি ক'লে আপোনাক পি এছ অ' দিয়া হৈছে তেতিয়া মই ক'লো মোক নালাগে। কিন্তু মই যেতিয়া দিচপুৰ আহি পাইছো তেতিয়া দেখিছো মোৰ তাত পি এছ অ' হাজিৰ। মই পি এছ অ' নালাগে বুলি কোৱা সত্ত্বেও মোৰ তাত হাজিৰ। বহুতো বিধায়কক বিষয়াই পি এছ অ' লৈছে এনেকুৱা বহুতো পি এছ অ' আছে। চৰকাৰে এইবিলাক কথা তেওঁলোকক কৈ দিব লাগে। এনে কিছুমান পি এছ অ' আছে তেওঁলোকে একে ঠাইতে বছৰ বছৰ ধৰি থাকে। গতিকে এজন পি এছ অ' এঠাইত ৬ মাহতকৈ বেছি দিন ৰাখিব নালাগে। তেওঁএলাকক ৬ মাহৰ অন্তৰে অন্তৰে সলনি কৰিব লাগে। তেওঁলোকে পুলিচ বিভাগৰ পৰা দৰ্মহা পাব আৰু আমাৰ পিছে পিছে ঘূৰি থাকিব। ইয়াৰ দ্বাৰা গোটেই সংগঠনটো নষ্ট হৈ যাব ধৰিছে। কাৰ লগত কিমানজন পি এছ অ' আছে হিচাব আছে নে? কোনোবাই বোলে এন, জি অ' সম্পদ হৈছে।

মাননীয় চেয়াৰমেন মহোদয়, আপোনালোকে আচৰিত হ'ব বহু ঠাইত আমাৰ পি, এছ, অ'সকল ই, এন, জিৰ সম্পাদকো হৈ আছে। কথাটো যিসকলক প্ৰকৃততেই পি, এছ, অ'ৰ প্ৰয়োজন সেইসকলক পি, এছ, অ' দিয়ক তাত আপত্তি নাই, যিসকলক জীৱনৰ প্ৰতি মমতা আছে তেওঁলোকক পি, এছ, অ' দিয়ক। কিন্তু পি, এছ, অ'সকলক হাত-বজাৰ কৰি চিৰদিনৰ কাৰণে তেওঁলোকৰ লগতে ৰাখি থ'ব সেইটো কেনেকৈ হ'ব, গতিকে এই বিষয়টো গুৰুত্ব সহকাৰে বিবেচনা কৰিব লাগে। আমাৰ ৰাজ্যখনৰ ৰাজনৈতিক ব্যক্তিসকল পুলিচৰে বেষ্টিত হৈ থাকে, গতিকে পাৰিলে আমাৰ বিধায়ক বা ৰাজনৈতিক ব্যক্তিসকলে স্বেচ্ছাই পি, এছ, অ'ক ত্যাগ কৰিব লাগে। কিয় পি, এছ, অ' পৰিৱেষ্টিত লোকক মৰা নাই জানো? মোৰ তালৈকে এদিন ৰাতি এক বাহু পুলিচ আহিল আৰু ক'লে

আপোনাক পি, এছ, অ' নালাগে নেকি? মই তেতিয়া ক'লো কিয় মন্ত্রী নগেন নেওগৰ লগত পি, এছ, অ' নাছিল নেকি, যোৱা মোক পি, এছ, অ' নালাগে কিয়নো মোৰ কাৰণে তোমালোকৰ ঘৈণীয়েকসকল বিধৱা হ'ব নালাগে। ইয়াৰ বাহিৰেও ৰাজ্যখনৰ বিভিন্ন ঠাইত মন্ত্রী-বিধায়কসকলৰ লগত পি, এছ, অ'সকলে হাতে-বজাৰে বন্দুক লৈ ঘূৰি ফুৰিলে বৰ বেয়া দেখি, কিয় ৰাজীৱ গান্ধী, ইন্দিৰা গান্ধী নগেন নেওগ পি, এছ, অ' থকা 'সত্ত্বেও তেওঁলোকক হত্যা কৰা নহ'লনে? গতিকেই পি, এছ, অ' ৰখা এই প্ৰৱণতা ত্যাগ কৰিবলৈ মই মাননীয় বিধায়কসকলক অনুৰোধ জনাইছো। নিযুক্তিৰ ক্ষেত্ৰত মাননীয় সদস্য মোষ্টাফা চৈয়দুলাই ঠিকেই কৈছে। আজি প্ৰত্যেকটো জনগোষ্ঠীৰ নামতেই একোটা সন্ত্রাসবাদী গোষ্ঠী গঠিত হৈছে। গতিকে নিযুক্তি ক্ষেত্ৰত প্ৰত্যেকটো সম্প্ৰদায়ৰ পৰা যোগ্যতা চাই মানুহক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। এনেকুৱাও দেখিছো দুজন কনিষ্টবোলে হাঁহ চৰ কৰি নিছে, গতিকে নিযুক্তিৰ ক্ষেত্ৰত যোগ্যতাৰ প্ৰতি বিশেষ ধ্যান দিব লাগে। গতিকে নিযুক্তিৰ বেলিকা সকলো সম্প্ৰদায়ৰ পৰা যোগ্যতা লোক চাইহে নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে। আন এটা কথা হ'ল আমাৰ জীৱন যিসকলে ৰক্ষা কৰি থাকে আজি সেইসকলৰ ভ্ৰমণৰ বানচৰ নামত টি এ বিল আদায় দিয়া দেখা নাই কিন্তু আমি এম, এল, এ সকলে নিজৰ নামত টি, এ ডিঅ নিয়মীয়াকৈ পাই আছো। কিন্তু আমাৰ প্ৰাণ ৰক্ষা কৰি থকাসকলে বছৰ বছৰ ধৰি টি এ ডিএ পোৱা নাই। গতিকে আমাৰ যিসকল তলৰ চাকৰিয়াল আছে তেওঁলোকক প্ৰাপ্য টি, এ দিয়াৰ ব্যৱস্থা কৰিব লাগে। শেষত মাননীয় মুখ্যমন্ত্রী মহোদয়ে যিটো দাবী উত্থাপন কৰিছে সেইটো সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Chairman (Shri B. Roy) :- Now I call upon Hon'ble Member, Shri Munin Mahanta to speak.

★ **শ্ৰী মুনিন মহন্ত ঃ** মাননীয় চেয়াৰমেন মহোদয়, আজি এই সদনত আৰক্ষীৰ শিতানত যি ১৪ লাখ টকাৰ দাবী মঞ্জুৰীৰ বাবে দাবী উত্থাপিত হৈছে আৰু এই দাবীৰ বিপৰীতে যি কৰ্তন প্ৰস্তাৱ আহিছে তাক বিৰোধিতা কৰি অসমৰ আৰক্ষী বিভাগটো ভালধৰণে গঢ়ি তুলি ৰাজ্যখন পুলিচ বাহিনীটোৰ মনোবল অটুট ৰখাৰ কাৰণে যিখিনি সা-সুবিধা প্ৰদান কৰিব লাগে সেইখিনি উপযোগীকৈ দিবলৈ এই টকাখিনিৰ নিশ্চয় প্ৰয়োজন বুলি মই ভাবো। আমাৰ যিসকলে কৰ্তন

★ *Speech not corrected*

প্রস্তাৱ আনিছে তেওঁলোকে কেৱল পুলিচ বাহিনীৰ ব্যর্থতাৰ কথা কয় আৰু সমালোচনা কৰে সেইসকলে চিন্তা কৰি চোৱা উচিত আজি আমাৰ পুলিচ বাহিনীয়ে কেনে এটা অৱস্থাত বা পৰিৱেশত কাম কৰিবলগীয়া হৈছে। আজি আমাৰ এনেকুৱাও থানা আছে য'ত নেকি এখন গাড়ী নাই, ৰাতি-বিয়লি ক'ৰবাত ঘটনা সংঘটিত হ'লে তালৈ অর্থাৎ ঘটনাস্থলীলৈ যাবৰ কাৰণে কোনোধৰণৰ গাড়ী নাই, যদিওবা আছে ভঙা-ছিঙা গাডী আছে তালৈ ততাতৈয়াকৈ যাব নোৱাৰে। গাড়ীবিলাক মাহৰ পিছত মাহ ধৰি পৰি আছে, ৰিপেয়াৰ কৰিবলৈ পইচা নাই। গতিকে পুলিচৰ পৰা কাম আদায় কৰিবৰ কাৰণে তেওঁলোকক যিখিনি সা-সুবিধা প্রদান কৰিব লাগে সেইখিনি তেওঁলোকক আদায় দিয়াৰ ক্ষেত্রত বাধা আৰোপ কৰা হৈছে। এফালে পুলিচ বাহিনীটোক সষ্টম কৰা আৰু আধুনিকীকৰণ কৰাৰ কাৰণে তেওঁলোকে কয়, আনহাতেদি যদি এই পইচাখিনি পুলিচৰ শিতানত মঞ্জুৰ কৰাৰ ক্ষেত্রত কর্তন প্রস্তাৱ আনে তেতিয়াহ'লে এইটো দুমুখীয়া ব্যৱস্থা নহয় নে? গতিকে আজি এই যিখিনি পইচা বিচৰা হৈছে সেইখিনি পুলিচৰ গাড়ী ভাল কৰা আৰু ৰিপেয়াৰিং কৰাৰ কাৰণে বিচাৰিছে আৰু আমাৰ যিসকল পি এছ, অ' কর্মৰত অৱস্থাত আছে তেওঁলোকক টি, এ; ডি, এ ইত্যাদি নিয়মিতভাৱে আদায় দিয়াৰ কাৰণে এই টকা বিচৰা হৈছে। সেইকাৰণে কর্তন প্রস্তাৱটো বিৰোধিতা কৰিছো। মই অস্বীকাৰ নকৰো যে পুলিচ বাহিনীটোৱে আজি জনসাধাৰণৰ সা-সম্পত্তি জীৱন ৰক্ষা কৰাৰ ক্ষেত্রত যেনেভাৱে সপ্তম হ'ব লাগিছিল সেই ধৰণে তেওঁলোক 'সষ্টম হ'ব পৰা নাই, এইক্ষেত্রত কিছুমান অসুবিধাও হৈছে কিন্তু তেওঁলোকৰ মাজতো দোষ-ত্রুটি আছে। সেই দৃষ্টিভংগী প্রচাৰৰ কাৰণে আমি তেওঁলোকক শিক্ষা দিয়া দর্কাৰ। সেইধৰণে শিক্ষিত কৰি তুলিবৰ কাৰণে আজি কিছুমান বাস্তৱ প্রয়োজন হৈছে। আজি আমাৰ দেশ বা আমাৰ ৰাজ্যত চুৰ হোৱাৰ পিছতহে পুলিচক খবৰ দিব আৰু পুলিচে চুৰ বিচাৰি ঘূৰি ফুৰিব। অন্যান্য উন্নত দেশত চুৰ-ডকাইতি হ'লে পুলিচৰ ব্যর্থতা বুলি ধৰি ল'ব আৰু তেওঁলোকৰ ওপৰত শাস্তিমূলক ব্যৱস্থা গ্রহণ কৰিব। আমিও সেই ধৰণে পুলিচ বাহিনীটোক সজাই-পৰাই তুলিব লাগিব। কিন্তু আমি তেনেধৰণে সজাই পৰাই তুলিব পাৰিছোনে? সেয়েহে বিশ্বৰ উন্নত দেশৰ নিচিনাকৈ আমাৰ পুলিচ বাহিনীটোও উন্নত ধৰণে সজাই পৰাই তোলাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ ৰাজ্যত পুলিচৰ মনোবল কেনেকৈ ভাঙে সেই সম্পর্কত মই এটা কথা ক'ব বিচাৰিছো। এদিন মই এজন পুলিচৰ লোকক

লগ পোৱাত তেওঁ ক'লে যে আমাৰ মনোবল ভাঙি গৈছে কাৰণ বছৰ বছৰ ধৰি একেটা পদতেই থাকিবলগীয়া হৈছে। প্ৰমোচনৰ কোনো দিহা কৰা হোৱা নাই। সেয়েহে মই কৰ্তন প্ৰস্তাৱটোৰ বিৰোধিতা কৰিছো আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিটো চাপলিমেণ্টৰী ডিমাণ্ড আনিছে সেইটোৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাইছো। পুলিচ বিভাগটো আধুনিকভাৱে সজ্জিত কৰি তুলিবৰ কাৰণে আৰু তেওঁলোকৰ মনোবল অটুট ৰখাৰ কাৰণে যাতে চেষ্টা কৰে এই বিষয়ৰ গৃহ বিভাগৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Chairman (Shri Bimalangshu Roy) _ I now call upon Hon'ble Member Hemo Prava Saikia to deliver her speech. I would request her to confine within the limit of Rule 152 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly.

★ **ড° হেমপ্ৰভা শইকীয়া ঃ** মাননীয় সভাপতি মহোদয়, আজি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ১৪০০ লাখ টকাৰ যি চাপলিমেণ্টৰী ডিমাণ্ড বিচাৰিছে মই সেই প্ৰস্তাৱৰ বিৰোধিতা কৰিছো আৰু কেইটামান কথা ক'বলৈ বিচাৰিছো। মই এই কাৰণেই বিৰোধিতা কৰিছো যে পুলিচ বুলি ক'লে আইন-শৃংখলাৰ কথা আহি পৰে। পুলিচ বাহিনীৰ কাৰণে জড়িত কৰিবলগীয়া সেই কথা বিলাক আইন শৃংখলাৰ লগত জড়িত কৰিবলগীয়া কথা বুলিও বুজা যায়। পুলিচ বাহিনীয়ে আইন-শৃংখলা ৰক্ষা কৰিব পাৰিছে নেকি? হয়তো এইক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে পাৰ্লিয়ামেণ্টত হোম মিনিষ্টাৰে যিটো পৰিসংখ্যা দাঙি ধৰিছে সেই পৰিসংখ্যাৰ কথাটোৱেই উত্তৰত ক'ব। আগৰ বছৰ কেইটাতকৈ এতিয়া এইকেইটা বছৰত ক্ৰিমিনেল কেচৰ সংখ্যা কমিছে। কিন্তু সেইটোৱে পৰিস্থিতি উন্নত হোৱাটো নুবুজায়। যিমানেই পৰিসংখ্যা দাঙি নধৰক কিয় এতিয়াও সন্ত্ৰাসবাদ জীয়াই আছে। ৰাজ্যখনত কোনো নিৰাপত্তা নাই এনেকুৱা ভাব আমাৰ মনত আহে। সেই কাৰণেই আমি কৈছো আমাৰ মনত নিৰাপত্তাৰ ভাব আঁতৰা নাই। বঙ্গাইগাঁও জিলাৰ বইটামাৰিত ১০০ মানুহৰ ঘৰ জ্বলাই দিয়া হ'ল। কাৰ ঘৰ কোনে জ্বলাই দিছে? বঙ্গাইগাঁও জিলাখন এনে এখন জিলা যিখন জিলাত কিছুদিন আগতে সাম্প্ৰদায়িক সংঘৰ্ষ হৈছে আৰু সাম্প্ৰদায়িক সংঘৰ্ষৰ বলি হৈ কেম্পত আশ্ৰয় লৈ আছে। তেনেকুৱা এখন জিলাত কাৰ ঘৰ কোনে জ্বলাইছে?

★ *Speech not corrected*

এটা কমিউনিটিৰ মানুহে অইন এটা কমিউনিটিৰ ঘৰ জ্বলাইছে। কিন্তু ইও সাম্প্রদায়িক সংঘর্ষৰ পূর্বাভাস বুলি ক'ব খুজিছো। সেই সংঘর্ষত কেইবাগৰাকীয়ো মহিলা নিখোজ হৈছে আৰু কেইবাগৰাকীয়ো গর্ভৱতী মহিলাৰ ওপৰত উৎপীড়ন আৰু অত্যাচাৰ কৰে। গতিকে এই সংক্রান্তত যিসকল দোষী ব্যক্তি তেওঁলোকৰ বিচাৰ কৰি শাস্তিমূলক ব্যৱস্থা গ্রহণ কৰিব লাগে। হয়তো, শাসকীয় দলৰ মাননীয় মন্ত্রী আৰু সদস্যসকলে এই কথাবিলাক ক'লে বেয়া পাব। আমি বিৰোধী দলত থকাৰ কাৰণেহে এই কথাবিলাক ক'বলগীয়া হৈছে। এইখিনিতে মই আৰৱ দেশৰ এটা কথা ক'বলে বিচাৰিছো। কথাটো হৈছে আৰব দেশৰ এজন ৰজাই নিজে ছদ্মবেশ ধৰি প্রজাৰ অভাৱ-অভিযোগ বিচাৰি ঘূৰি ফুৰিছিল। এতিয়া আমি বিৰোধী দল হিচাবে শাসকীয় দলক কিছুমান কথা সহজ কৰি দিছো। আমি যিবিলাক অভাৱ-অভিযোগ দাঙি ধৰিছো সেইবিলাক যদি নিৰাময় কৰে তেতিয়াহ'লে চৰকাৰখনৰেই সুনাম হ'ব। যিবিলাক অভাৱ-অভিযোগৰ কথা আমাৰ কাণত পৰিছে। সেইবিলাক অভাৱ-অভিযোগৰ কথাহে আমি উত্থাপন কৰিব বিচাৰিছো। ৰাজ্যখনত দিনে দিনে হত্যা, ডকাইতি, অপহৰণ এইবিলাক ঘটনা সদায় চলি থকা দেখা গৈছে। তাৰোপৰি যান-বাহনৰ দ্বাৰা দুর্ঘটনাত সংঘটিত হৈও বহুতো মানুহ মৃত্যুবৰণ কৰিবলগীয়া হৈছে। এই যান-বাহনবিলাক আৰক্ষীয়ে নিয়ন্ত্রণ কৰিব লাগে। তেওঁলোকে এইটো ভালকৈ নিয়ন্ত্রণ কৰিব পৰা নাই যাৰ ফলত বহু মানুহৰ মৃত্যু হৈছে। আকৌ কিছুমান ক্ষেত্রত দেখা যায় যে য'ত আৰক্ষী নিয়োগ কৰিব লাগে তাত নকৰে অথচ যি কামত নিয়োগ কৰিব নালাগে সেই কামতহে নিয়োগ কৰে। তাৰে এটা কথা মই ক'ব বিচাৰিছো যে মাত্র কিছুদিন আগতে আমি লগ পাই আহিছো যে বিশেষ এটা সম্প্রদায়ৰ বা গোষ্ঠীৰ দুখীয়া ৰিক্সাৱালা বিলাকক হঠাৎ পুলিচ বাহিনীয়ে প্রশ্ন কৰিবলৈ ধৰিলে। তেতিয়া ভয়তে সকলোবিলাক ৰিক্সাৱালা গুচি গ'ল। ৰিক্সা পাবলৈ নোহোৱা হ'ল। চৰকাৰে যদি বিদেশী চিনাক্তকৰণ কৰিব খোজে তেতিয়াহ'লে পুলিচ বাহিনীৰ দ্বাৰা বিদেশী চিনাক্তকৰণ কৰিব নালাগে। বিদেশী চিনাক্তকৰণ কৰাৰ কাৰণে বেলেগ নিয়ম বা পদ্ধতি আছে। ইয়াৰোপৰি পুলিচে কৰিবলগীয়া কিছুমান কামত অর্দ্ধ-সামৰিক বাহিনীৰ লোক নিয়োগ কৰা হয়। যাৰ কাৰণে কেন্দ্রীয় গৃহ সচিব বি, পি, সিং ডাঙৰীয়াই বিৰূপ মন্তব্য কৰি কৈছে। আমি বাতৰি কাকতত কিছুদিনৰ আগতে চিলং গেটত আর্মিয়ে অবৈধভাৱে অনা কাঠ জব্দ কৰিছে বুলি পঢ়িবলৈ পাইছো। এইটো কাম আচলতে পুলিচ বাহিনীয়ে

কৰিব লাগিছিল কিন্তু কৰিলে আৰ্মিয়ে। গতিকে দেখা গৈছে পুলিচ বাহিনীয়ে যিটো কৰিব লাগে সেইটো নকৰে। আমাৰ মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই নিৰাপত্তা ৰক্ষী সম্পৰ্কত কৈছে। কিন্তু কিছুমান বিধায়ক, বিধায়িকাৰ কাৰণে নিৰাপত্তা ৰক্ষীৰ প্ৰয়োজন আছে যিসকলে বহুতো সংঘাতৰ মাজত সোমাই যাবলগীয়া হয়। আমাৰ কংগ্ৰেছ দলৰ বিধায়কসকলৰ কাৰণে বা বিধায়িকাসকলৰ কাৰণে নিৰাপত্তাৰক্ষীৰ প্ৰয়োজন আছে। আলফাৰ লগত যেতিয়া আমাৰ চৰকাৰে মোকাবিলা কৰিবলগীয়া হৈছিল তেতিয়াও আমি সন্ত্ৰাসবাদৰ বিৰোধিতা কৰি আহিছো। গতিকে আমি সন্ত্ৰাসবাদীৰ টাৰগেট হ'বলগীয়া হয়। মোৰ পৰিয়ালৰেই এতিয়ালৈকে ৫ জন লোকে সন্ত্ৰাসবীৰ হাতত মৃত্যুবৰণ কৰিবলগীয়া হৈছে। আমাৰ নিচিনা তেনেকুৱা বহুতো বিধায়ক-বিধায়িকাৰ নিৰাপত্তাৰক্ষীৰ প্ৰয়োজন আছে। বহু ক্ষেত্ৰত দেখা যায় যিসকল বিধায়কক ইয়াৰ প্ৰয়োজন আছে তেওঁএলাকৰ পৰা পি, এছ, অ' কাটিবলৈ লৈছে। আনহাতে, মন্ত্ৰীসকলৰ বাস ভৱনত পুলিচ, মিলিটাৰী, অৰ্ধসামৰিক সকলোকে নিয়োগ কৰিছে। তেওঁলোকৰ সম্পত্তি ৰক্ষণাবেক্ষণ দিয়ক তাত আমাৰ কৰিবলগীয়া নাই কিন্তু লগতে যিসকলক পি, এছ, অ' বা ৰক্ষণাৱেক্ষণৰ কাৰণে বাহিনীৰ প্ৰয়োজন তেওঁলোককো দিয়ে যেন। আজি কুৰি শতিকাৰ শেষৰ ভাগত আমাৰ মহিলাসকলে অধিকাৰ সাব্যস্ত কৰিবলৈ আগৰাঢ়ি আহিছে। সেই ক্ষেত্ৰত বহুতো সংঘাত চম্ভালিব লগা হৈছে। গতিকে এই ক্ষেত্ৰত মহিলা পুলিচ যিমানখিনি নিয়োগৰ প্ৰয়োজন আছিল সিমানখিনি নিয়োগ হোৱা নাই। মহিলা পুলিচৰ নিয়োগ বৃদ্ধি কৰিবলৈ মই মন্ত্ৰী মহোদয়ক দৃষ্টি আকৰ্ষণ কৰিলো। ইয়াৰ উপৰিও দেখা যায় যে বৰ্তমান গুণ্ডাকৰ বুলি এটা কৰ দেখা গৈছে। ১৯৮৫ চনৰ পাছৰ পৰা এই কৰ টো লিগেলাইডজ হোৱা দি হৈছে। এইক্ষেত্ৰত চৰকাৰে ব্যৱস্থা হাতত ল'ব লাগে। বিধায়ক দীলিপ শইকীয়া দেৱে এই বিষয়ে কিছু আভাষ দিছে। এই ক্ষেত্ৰত আমাৰ কৰিবলগীয়া আছে। আজিকালি বহুত মানুহ দিল্লীলৈ নিশ্চয় গৈছে। তাত গাড়ীবিলাক ৰাখোতে একোখনকৈ পাচ দিয়ে আৰু ঘূৰি যাওঁতে পাচখন ঘূৰাই দিব লাগে। গাড়ীৰ ৰক্ষণাৱেক্ষণৰ ক্ষেত্ৰত এনট্ৰি কৰিব লাগে। চৰকাৰে যদি ব্যৱসায়ীৰ ক্ষেত্ৰতো এনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰে তেন্তে গুণ্ডা কৰৰ কাৰণে যিটো বস্তুৰ দাম বাঢ়িছে সেইটো নিয়ন্ত্ৰণ হ'ব বুলি আশা কৰিব পাৰি। ইয়াৰ বাহিৰেও পুলিচ বাহিনীয়ে বানপানী, দুৰ্ভিক্ষ তাৰোপৰি যিকোনো দুৰ্যোগতেই নিয়ন্ত্ৰণৰ বাবে ব্যৱস্থাৰ কৰা হয়। তাৰ বাবে

মই পুলিচ বাহিনীক দোষাৰূপ নকৰো। মুখ্যমন্ত্রী মহোদয়ে তেওঁলোকৰ যিটো ইনফৰমেচন বুৰো আছে তাৰ জৰিয়তে সত্য-অসত্য সকলো গম পাব। পুলিচ বাহিনীৰ ভাৰমূৰ্তি বহুত তললৈ নমাই আনিছে। বহুতে কয় জৈন, গোৱেংকা এনেধণৰ মানুহৰ লগত সম্পর্ক ৰখা বুলিও কয়। মন্ত্রী মহোদয়ে যদি ভেশচন কৰি ঘূৰি চালেহেঁতেন তেন্তে এই কথাবিলাক লক্ষ্য কৰিব পাৰিলেহেঁতেন। তাৰ ওপৰি পুলিচ বাহিনীটোৱে চৰকাৰৰ এজেণ্ট হিচাবে কাম কৰে। তাৰে উদাহৰণস্বৰূপে মই ক'ব বিচাৰিছো যে, গেলেকী হাইস্কুলৰ সন্মুখত যিখন ফিল্ড আছে তাত কেৰেতি কম্পিটিচন পতা হৈছিল। তাত হাইস্কুলৰ এজন শিক্ষক হৰি বৰুৱা আৰু এজন এ, জি, পিৰ লিডাৰ আছিল। তাত দুয়োৰো মাজত কথা বিনিময়ৰ সময়ত উত্তেজিত হয় শিক্ষকজনে লিডাৰজনক এক ঘোচা আৰু লিডাৰজনেও এক ঘোচা দুয়োকো দুয়ো দিয়ে। তাৰ পাছত দুয়োৰো মাজত আন মানুহ সুমাই কম্প্রমাইজ কৰি দিয়ে আৰু দুয়ো হাত মিলাই হাঁহি হাঁহি তাৰ পৰা ওলাই আহে। সমস্যাটোৰ তাতেই ওৰ পৰিল। কিন্তু শিক্ষকজন ঘৰলৈ ঘূৰি অহাৰ পাছত পুলিচে তেওঁক লৈ গৈ থানাত আটক কৰি ৰাখে আৰু চাচপেন হ'ল চাকৰিৰ পৰা। তাৰ পাছত তেওঁক চাকৰিৰ পৰা নিলম্বিত কৰা হ'ল। সেয়ে মই ক'ব খোজো যে বহুত পুলিচেই চৰকাৰৰ দলৰ এজেণ্ট হিচাবে কাম কৰে। যিখিনি টকা চৰকাৰে বিভাগটোৰ বাবে বিচাৰিছে তাৰ অনুমতি প্রদানৰ বিৰুদ্ধে মই এই কথাখিনি ক'লো।

(Mr. Chairman Shri Bimolangshu Roy Vacated the Chair and Shri Pulakesh Barua occupied the Chair at 6.54 P.M.)

Mr. Chairman : I now call upon Smti. Pramila Rani Brahma to speak.

★ **শ্রী মতী প্রমিলা ৰাণী ব্রহ্ম ঃ** মাননীয় চেয়াৰমেন মহোদয়, পুলিচ বিভাগটোৰ বাবে যি টকা বিচৰা হৈছে আৰু তাৰ ওপৰত যিটো কর্তন প্রস্তাৱ অনা হৈছে তাৰ ওপৰত মই কিছু কথা ক'ব বিচাৰিছো। চেয়াৰমেন মহোদয়, মই এই বিভাগটোৰ সমস্যাৰ কথা ক'ব বিচাৰিছো। আমাৰ কোকৰাঝাৰ সমষ্টিৰ বুনিকাথা বুলি ঠাই এডোখৰ আছে। সেই ঠাইডোখৰ বৰ চেনচেটিভ এৰিয়া। বড়ো আৰু আদিবাসীসকলৰ মাজত গোষ্ঠীগত সংঘর্ষ বেছিকৈ লাগি থাকে।

★ *Speech not corrected*

তাত যিটো পুলিচ থানা আছে সেইটো ফুলফ্লেজেড নহয়। এইটো চিডলী থানাৰ অন্তর্গত। চিডলী থানাখন আকৌ বঙাইগাঁৱৰ অন্তর্গত। গতিকে বুনিকাথাত যদি আইন-শৃংখলাৰ কাৰণে অর্ডাৰ কৰিবলগীয়া হয় তেওঁলোকে একো কাম কৰিব নোৱাৰে। যেতিয়ালৈকে চিডলী থানাৰ পৰা একো অর্ডাৰ নাপায় বা ডাই�ৰেকচন নাপায়। তেওঁলোকে আকৌ কোকৰাঝাৰৰ লগত যোগাযোগ কৰিব লাগে। তেওঁলোকে আকৌ বঙাইগাঁওৰ এছ, পি অফিচৰ লগত যোগাযোগ কৰিব লাগে। গতিকে আদিবাসীসকলে বড়োসকলক বা বড়োসকলে আদিবাসীসকলক আক্রমণ কৰিলেও এক্সট্রিমিষ্টসকলৰ বিপক্ষে বুনিকাথা থানাই ডাইৰেক্ট কোনো কাম কৰিব নোৱাৰে। ওপৰৰ পৰা ডাইৰেকচন নোহোৱালৈকে বহি থাকিব লাগে। এইক্ষেত্রত মই কংগ্রেছ চৰকাৰৰো দৃষ্টি আকর্ষণ কৰিছিলো আৰু মুখ্যমন্ত্রীৰ পৰা আশ্বাস পাইছিলো, কিন্তু দুখেৰে ক'ব লগা হৈছে যে কোকৰাঝাৰখন ফুলফ্লেজড থানা বনোৱা নহ'ল এই ক্ষেত্রত মই আজি মুখ্যমন্ত্রীৰ দৃষ্টি আকর্ষণ কৰিলো। গতিকে মই আগৰ কংগ্রেছ চৰকাৰ থাকোতেও এই কথাটো দৃষ্টিগোচৰ কৰিছিলো আৰু তেতিয়াৰ দিনতো মুখ্যমন্ত্রী ডাঙৰীয়ৰ পৰা আশ্বাস পাইছিলো যে ইয়াৰ ওপৰত ব্যৱস্থা লোৱা হ'ব। কিন্তু দুখৰ কথা আজিলৈকে ৰুণীখাটা থানাখন কোকৰাঝাৰ জিলাৰ ভিতৰত ফুল ফ্লেজেদ থানা হিচাপে নির্মাণ কৰা নহ'ল। গতিকে মই আজি মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াৰ দৃষ্টিগোচৰ কৰিছো যাতে ৰুণীখাটা থানাখন পূর্ণ পর্যায়ৰ থানা হিচাপে নির্মাণ কৰা হয়। আৰু তাত এজন আই, পি এছ অফিচাৰক দায়িত্ব দিয়াৰ ব্যৱস্থা কৰিব লাগে।

পুলিচ প্রশাসনক শক্তিশালী কৰিবৰ কাৰণে ১৪ শ লাখ টকাৰ যি দাবী কৰিছে কথাটো বেয়া নহয়। ময়ো বেয়া পোৱা নাই। কিন্তু পুলিচ প্রশাসন শক্তিশালী কৰিবৰ কাৰণে কিছুমান শুধৰণী আনিব লাগে। আমি কোনো অঞ্চললৈ যদি যাবলগীয়া হয় অকলে যাব নোৱাৰো। তেওঁএলাকৰ সহায় লাগে। আমি যেতিয়া এছকোর্ট বিচাৰি এছ, পিক অনুৰোধ কৰোঁ তেওঁলোকৰ পৰা তেনেধৰণৰ সহায় সহজে নাপাওঁ। কাৰণ তেওঁলোকৰ হাতত যথেষ্ট গাড়ী নাই। সেই কাৰণে তেওঁলোকে আমাক বহু সময়ত সহায় কৰিব নোৱাৰে। আৰু যদি গাড়ী পঠাই দিছেও পেট্রল দি সহায় কৰিব নোৱাৰে। আমি নিজে তেল ভৰায় পুলিচ লৈ যাব লাগে। তাৰোপৰি গাড়ী পঠালেও গাড়ীখন চলাব পৰা অৱস্থাত নাথাকে। প্রত্যেক জিলাৰে থানাবিলাকত এনেধৰণৰ অৱস্থাৰ সৃষ্টি হৈছে। তেনেক্ষেত্রত পুলিচ প্রশাসনক শক্তিশালী কৰাত আপত্তি নাই। কিন্তু সভাপতি মহোদয়, এটা

মন কৰিবলগীয়া কথা হ'ল পুলিচ বুলিলে আমাৰ মনলৈ এটা চিন্তা আছে। বিপদে-আপদে পুলিচৰ সহায় লাগে। তেওঁলোক বিপদৰ বন্ধু। কিন্তু আমি দেখিছো কিছুমান চেনচিটিভ অঞ্চললৈ যাওঁতে তেওঁলোকক নিৰাপত্তাৰ কাৰণে লৈ যোৱা হয়। কিন্তু তেওঁলোকে তাত দূৰে দূৰে থাকে। তেওঁলোকে দায়িত্ব পালনৰ কাৰণে যোৱা নাই। তেওঁলোকে নিজে তেনেকৈ বাচি আহিব পাৰে তাৰ কাৰণে চিন্তা কৰে বেছি। সেই কাৰণে মই ক'ব বিচাৰিছো আজি পুলিচ বিষয়াসকলৰ, কনিষ্টবলসকলৰ তেনেকুৱা সাহস নাই। যি সাহসী তেওঁলোকেহে আমাক নিৰাপত্তা দিব পাৰিব. গতিকে মই অনুৰোধ কৰিব বিচাৰিছো নিয়োগ কৰাৰ সময়ত ভালকৈ ছোৱা-চিতা কৰি চিলেকচন কৰাৰ পিছতহে নিয়োগ কৰিব লাগে। নিয়োগৰ পিছত উপযুক্ত ট্ৰেইনিং দিয়াৰ লগতে চৰিত্ৰ গঠন আৰু নৈতিক শিক্ষা দিয়াৰ ব্যৱস্থাও থাকিব লাগে। আজি আমি কি পাইছো। পুলিচ বিষয়াসকলে আমাৰ নিচিনা মানুহক একো কৰিব নোৱাৰে। ধনী মানুহক ধৰিলেও এৰি দিয়ে। দুষ্কৃতিকাৰী সকলকো তেওঁলোকে এৰি দিয়ে কিন্তু দুখীয়া লোকসকলক ধৰে। কোনো এটা ঘটনা ঘটি যোৱাৰ পিছতহে তেওঁলোকে তাত অপাৰেচন কৰিবলৈ যায়। তাত তেওঁলোকে দুখীয়া জনসাধাৰণৰ ওপৰত যি দম্ভালি দেখুৱায় দেখিলে আচৰিত লাগে। সেই কাৰণে তেওঁলোকক নীতি শিক্ষাৰ প্ৰয়োজন। পুলিচ বিষয়াসকল পলাইট নহয়। তেওঁলোক পলাইত হ'ব লাগে। পুলিচ বিষয়াসকলক আমাৰ ৰাইজে বিভীষিকা দেখা নিচিনা দেখিছে কাৰণ ৰাইজে তেওঁলোকক ভয় কৰে। পলায় থাকে। উগ্ৰপন্থী ধৰিবলৈ গৈ ৰাইজৰ ওপৰত বেছি হাৰাশাস্তি কৰা দেখা যায়। উগ্ৰপন্থীৰ নামত অপাৰেচনলৈ গৈ শিক্ষকসকলক ধৰি আনে এইটো সকলোৱে জানে। ধৰি অনাৰ পিছত তেওঁলোকক হত্যা কৰে। বাতৰি কাকতত যিমানবিলাক কথা লিখে সেইবিলাক মিছা নহয়। সত্য কথাকে লিখা হৈছে। এওঁলোকে কিন্তু উগ্ৰপন্থী ধৰিব পৰা নাই। সেই কাৰণে তেওঁলোকক বাহ বাহ দিব লাগিব। নিযুক্তিৰ সময়ত চাইকোলজি স্ক্ৰিনিং কৰিব লাগে। পুলিচ বিষয়াসকলক শিক্ষিত সমাজৰ পৰা শিক্ষিত নিবনুৱাসকলক আনি নিযুক্তি দিব লাগে। তেতিয়াহ'লে পুলিচ প্ৰশাসন সকলোৰে কাৰণে গ্ৰহণযোগ্য হ'ব। আমি কংগ্ৰেছ চৰকাৰৰ দিনতো দেখিলো এ, জি, পিৰ এম, এল, এ সকলে কংগ্ৰেছ চৰকাৰক নিন্দা কৰিছিল। আজি কংগ্ৰেছেও নানাধৰণে নিন্দা কৰিছে। আন এটা কথা উল্লেখ কৰিব বিচাৰিছো সেইটো হৈছে ট্ৰাকৰ পৰা হাইওৱেত পইচা সংগ্ৰহ কৰা। এইটো এতিয়ালৈ বন্ধ হোৱা নাই। এ. জি, পি, অহাৰ পিছত বন্ধ হ'ব

★ *Speech not corrected*

বুলি ভাবিছিলো। কিন্তু বন্ধ হওক চাৰি বেছিহে হৈছে। প্ৰত্যেক জিলাতে হাইওৱেৰ কাৰণে থানাবিলাক আছে। পুলিচ তাত থিয় হৈ থাকে। আমি যেতিয়া হাইওৱেৰে গৈ থাকো দেখা পাওঁ- লাইনে লাইনে ট্ৰাক থিয় হৈ আছে। আমাৰ গাড়ী যাবলৈ ৰাস্তা নাই। আমাৰ গাড়ী যাবলৈ ৰাস্তা ক্লিয়াৰ কৰিহে দিয়ে। ট্ৰাক বিলাকক কিন্তু যাবলৈ নিদিয়ে। আমি যেতিয়া পাৰ হৈ যাম তেতিয়া তেওঁলোকে হাত মেলি ট্ৰাকৰ ফালে আগবাঢ়ি যোৱা আমি গম পাইছো। দিনত ৫ টকা দহ্ টকা দিলে হয় কিন্তু ৰাতি বেছিকৈ দিব লাগে। এই টকাবিলাক কালেকচন কৰিবৰ কাৰণে লাইনত ট্ৰাকবিলাক ৰখাইছে।

মাননীয় সভাপতি মহোদয়, আমি যেতিয়া ৰাতি হাইওৱেত গৈ থাকো ট্ৰাকবিলাক লাইন লাইন হৈ থিয় দি থাকে সৰু গাড়ীবিলাক যাবলৈ দিয়ে। তাৰ পিছত তেওঁলোকে ট্ৰাকৰ ওচৰলৈ হাত পাতি যায়। এইধৰণে টকা সংগ্ৰহ কৰিবলৈ লাইচেঞ্চ পালে কেনেকৈ? চৰকাৰ এখন বৰ্তি থকাৰ পিছতো যদি পুলিচে ট্ৰাকৰ পৰা ট্ৰাক ড্ৰাইভাৰৰ পৰা পইচা সংগ্ৰহ কৰে তেতিয়া আমি ক'ব লাগিব যে, চৰকাৰে তেওঁলোকক নিৰ্দেশ দিছে। তেওঁলোকে পইচা সংগ্ৰহৰ কাৰণে মাজৰাতি উজাগৰে থাকে। পুলিচৰ বাবে যিখিনি টকাৰ প্ৰয়োজন সেইখিনি দিব লাগে আৰু চৰকাৰেও দায়িত্ব ল'ব লাগে। আৰু এটা ইনফৰমেচন মই দিব বিচাৰিছো যে, বড়ো ছাত্ৰ সন্থাই গুৱাহাটীৰ সোণাৰাম হাইস্কুল ফিল্ডত এখন ৰেলি পাতিছিল, তাৰ হেজাৰ হেজাৰ মানুহ আহিছিল। বহুত মানুহ বাছত উঠি মিটিঙলৈ আহিল। এই ৰেলিৰ বাবে জালুকবাৰী থানাৰ পাৰমিচন লোৱা হৈছিল। কামৰূপৰ ডি, চি; এছ, পিয়েও পাৰমিচন দিছিল। আমি ডেমক্ৰেটিক প্ৰচেছত বড়োলেণ্ড ৰাজ্য দাবী কৰিছো। অগণতান্ত্ৰিক প্ৰচেছত হোৱা নাই। গণতান্ত্ৰিক প্ৰচেছত কৰিছো। কিন্তু দেখা গ'ল বকো আৰু ছয় গাঁও থানাৰ ওচৰত চি, আৰ, পি আৰু আৰ্মিয়ে গোৱালপাৰাৰ পৰা অহা ১৮ খন বাছ আহিবলৈ দিয়া নাই আৰু ঘূৰি যাবলৈ কৈছে। চি, আৰ, পিয়ে তেওঁলোকৰ ওপৰত লাঠি চাৰ্জ কৰিছে। ইয়াৰ পৰা যদি এনেকুৱা ডাইৰেকচন যোৱা নাই, ছয়গাঁও থানাৰ ওচৰত চি, আৰ, পি আৰু আৰ্মিয়ে লাঠিচাৰ্জ কিয় কৰিব। জালুকবাৰী থানাইও ৬০ খনমান বাছ দিটেইন কৰি ৰাখিলে। বিশ্ববিদ্যালয়ৰ কেমপাছত লাইন লাইন হৈ বাছবিলাক থিয় হৈ আছিল। এম, পি চানচুমা থুংগুৰ বিছমুতিয়াৰী ডাঙৰীয়াই অলপ ধমকি দিয়াৰ দৰে কোৱাত জালুকবাৰী থানাই যাবলৈ নিৰ্দেশ দিলে। গাড়ীবিলাক বেলতলা হৈ ঘূৰি খানাপাৰাইদি গোটেই গুৱাহাটী টাউনৰ মাজেদি

সোণাৰাম ফিল্ডলৈ গ'ল। তেতিয়া আমাৰ মিটিং প্ৰায় শেষ হৈছে। পুলিচৰ এই দম্ভালিক মই কনদেম কৰিছো। কি কাৰণে দিটেইন কৰা হ'ল? আমাৰ দাবী চেৰটেজ কৰাৰ কাৰণে অসম চৰকাৰে নিৰ্দেশ দিয়া নাই। পুলিচ বিষয়াই পাৰমিচন দি নিজে অপ'জ কৰি প্ৰতিবাদ কৰিছে। এনেধৰণৰ গণতান্ত্ৰিক প্ৰচেছক আঘাত নকৰিবলৈ মই চেয়াৰমেন মহোদয়ৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। ভৱিষ্যতে যাতে এনেধৰণৰ কাম নহয় আৰু মানুহবিলাকেও যাতে হিংসাৰ পথ গ্ৰহণ নকৰে তাৰ প্ৰতি দৃষ্টি ৰাখিব লাগে। ইয়াকে কৈ মোৰ বক্তব্য সামৰিলো।

Mr. Chairman : Now Hon'ble Member Dr. Ardhendu Kumar Dey.

★ **ডাঃ অৰ্ধেন্দু কুমাৰ দে ঃ** মাননীয় সভাপতি মহোদয়, ১৪ শ লাখ টকা কণ্টিজেন্সি ফাণ্ডৰ পৰা তোলা হৈছে। পুলিচ বিভাগত এটা বিশেষ প্ৰয়োজন আছিল বাবে। ১৪ শ লাখ টকা একেবাৰে কম টকা নহয়। ১/২/৫ লাখ টকা নহয় বাবে আমি ধৰি লৈছো যে, এইটোৰ প্ৰয়োজন আছিল। আমি ডিমাণ্ড প্লেচ কৰিছো পাচ কৰিছো, কিন্তু ইমান টকাৰ প্ৰয়োজন নাথাকে বুলি ধাৰণা থাকিব লাগে। অন্ততঃ আৰু টকাৰ প্ৰয়োজন নাথাকে বুলি ধাৰণা থাকিব লাগে। অন্ততঃ আৰু টকা লাগিব পাৰে বুলি ধাৰণা থাকিব লাগে। এই ধৰণে ডিমাণ্ড তৈয়াৰ কৰিব লাগে। পুলিচ বিভাগৰ বাবে ১৪ শ লাখ টকা কণ্টিজেন্সিৰ পৰা তুলিছো। ইতিমধ্যে বিভিন্ন বক্তাই পুলিচ বিভাগক সমালোচনা কৰিছে আৰু ট্ৰেজাৰী বেঞ্চৰ পৰা প্ৰশংসাও কৰিছে। আৰু কৈছে যে, ট্ৰাকৰ পৰা টকা লওঁতে পুলিচে ষ্টিক ডালত ফেবিক'ল লগাই দিয়ে টকা আহি যায়। এইখিনিতে মোৰ এটা কথা মনত পৰিছে যে, এটা গল্পৰ কথা। মাননীয় সদস্য আব্দুল মুহিব মজুমদাৰ তেতিয়া আমাৰ ফালে আছিল যদিও এতিয়া সিফালে গ'ল। তেখেতে এটা গল্প গৈছিল। গল্পতো হ'ল ইউ, পিত এটা ডকাইতৰ ঘটনা ঘটিছিল। কেইজনমান ডকাইট পুলিচৰ ড্ৰেছ পিন্ধি ৰেলত উঠিল। সেই কম্পাৰ্টমেণ্টত পহৰা দিয়াৰ কাৰণে পুলিচ আছিল। ডকাইত উঠা দেখি পুলিচ বাথৰুমত সোমাল। ডকাইতে যেতিয়া বস্তু লৈ গুচি গ'ল তেতিয়া পুলিচ বাথৰুমৰ পৰা ওলাল। পেচেঞ্জাৰে পুলিচক পিটিবলৈ ধৰিলে। এনেধৰণৰ ঘটনা ঘটি আছে। আমাৰ অসমতো এনে ঘটনা হৈছে। আমাৰ এগৰাকী মন্ত্ৰী কোঁৱৰ ডাঙৰীয়া

★ *Speech not corrected*

সমষ্টিৰ পৰা আহি থাকোতে পুৰণি গুদামৰ ওচৰত সন্ত্রাসবাদীয়ে আক্রমণ কৰিলে। তেওঁৰ লগত এছকৰ্ট, ৰিং আদি সকলো আছিল। এছকৰ্ট প্রাণৰ ভয়ত পলাই গ'ল। তাৰোপৰি আমাক যিবিলাক পি, এছ, অ' দিছে তেওঁলোকে আমাক কেনেকৈ ৰক্ষা কৰিব? অসমৰ যিটো পৰিস্থিতি সেই পৰিস্থিতিত পি, এছ, অ'ই বচাব নোৱাৰে। অমাক ওপৰঅলাইহে বচাব— We are at the mercy of extremists এক্সট্রিমিষ্টে যদি মাৰিম বুলি ভাবে মাৰিব। আমাৰ পি, এচ, অ'সকলৰ হাতত যি ষ্টেনগান বা বন্দুক আছে সেইবিলাকৰ গুলিও নুফুটে। অথচ বিভাগটো আধুনিকিকৰণ কৰাৰ বাবে টকা বিচাৰিছে।

তেওঁলোকক যিবোৰ বন্দুক দিয়া হৈছে সেইবোৰত গুলি নুফুটে। এইবাৰ আকৌ বুলেট প্রুফ জীপ অনা হৈছে। সেই বুলেট প্রুফ গাড়ীত ঘূৰি অহা কেইজনমানে আমাক ক'লে যে এই গাড়ীত ঘূৰিলে আমাৰ অতি সোনকালে টি বি হ'ব। কাৰণ, তাত কোনো ভেণ্টিলেচনৰ ব্যৱস্থা নাই কিম্বা তাত এ, চি, ও নাই। গতিকে এই কথাবোৰ ভালদৰে চোৱা-চিতা কৰিহে এনেধৰণৰ গাড়ীবোৰ কিনিব লাগিছিল। এই চৰকাৰে সন্ত্রাসবাদৰ বিৰুদ্ধে কিছুমান ব্যৱস্থা লোৱা বুলি কৈছে। এই ব্যৱস্থাৰ দ্বাৰা তেওঁলোকে সন্ত্রাসবাদীসকলক যিসকলে টকা পইচা দি সহায় কৰিছে তেওঁলোকক শাস্তি দিয়াৰ ব্যৱস্থা কৰিছে। কিন্তু এই শাস্তি দিছে কাক সেইটো দিখেলেহে আচৰিত হ'ব লাগে। অলপতে নগাঁৱত কেইজনমান কেৰেণী আৰু মাষ্টাৰ ৰোলত কাম কৰা মানুহক ধৰি আনি শাস্তি দিয়া হৈছে। কিন্তু তেওঁলোকে এন, চি হিলচত কাম কৰা প্রত্যেকজন চাকৰিয়ালেই যে উগ্রপন্থীক টকা দি আছে সেই ক্ষেত্রত চৰকাৰে কোনো ব্যৱস্থা লোৱা নাই। তাত ডি, চি; এছ পি,য়েও উগ্রপন্থীক টকা দি আছে। কিন্তু এই ক্ষেত্রত চৰকাৰ নিমাত। আজি দুজন মাননীয় সদস্যই পি, এছ অ', উইদ্র কৰা কথা কৈছে। বহুতো ঠাইত কংগ্রেছ কর্মীৰ পৰা পি এছ অ', উঠাই নি এ, জি, পি,ৰ তেল বেপাৰী, আলু বেপাৰীক পি, এছ, অ', দিছে। এইটো কি কাৰণত কৰা হৈছে? মুখ্যমন্ত্রীয়ে সিদিনা কৈছে যে কংগ্রেছৰ আলফাৰ লগত যোগাযোগ আছে। এই বিষয়ত তেখেতে আমাক তথ্যপাতিসহ দেখুওৱাক। সেই মনোবৃত্তিৰ ওপৰত ভিত্তি কৰিয়েই কংগ্রেছ কর্মীসকলৰ পৰা পি, এছ, অ',সকলক উঠাই নিয়া হৈছে নেকি সেইদৰে আমি আকৌ শাসনলৈ আহিলে এ, জি, পি,ৰ কর্মীসকলৰ পৰা পি, এছ, অ' উঠাই আনিম নেকি? সেই কাৰণে মই ক'ব খুজিছো যে এই বিভাগৰ কাৰণে যিবোৰ টকা খৰচ কৰি আছে সেই টকাবোৰ উপযুক্তভাৱে খৰচ কৰিব

লাগে। আজি পুলিচৰ বিষয়ে মানুহে বহুতো কথা কয়। এই ক্ষেত্ৰত মই এটা উদাহৰণ দিব খুজিছো। অলপতে লংকা চহৰত এটা বিশেষ ৰাজনৈতিক দলৰ কর্মীৰ ল'ৰাই এজনী সৰু ছোৱালীক ৰেপ কৰিলে। এই ঘটনাটো গম পায় ছোৱালীজনীৰ মাক দৌৰী গৈ সেই ল'ৰাজনক চিনাক্ত কৰিলে। লগে লগে ছোৱালীজনীৰ ককাক আহি পায় ছোৱালীজনীক হস্পিতেললৈ লৈ গ'ল। হস্পিতেলত ডাক্তৰে ছোৱালীজনীক ৰেপ কৰা বুলি সন্দেহ কৰি এই বিষয়টো থানাত ৰিপোৰ্ট কৰিবলৈ ক'লে। তাৰ পিছত তেওঁলোকে পোনে পোনে থানালৈ নগৈ অন্য এজন স্পেচিয়েলিষ্টৰ ওচৰলৈ গ'ল। সেই স্পেচিয়েলিষ্টজনেও তেওঁলোকক থানালৈ যোৱাৰ কথা ক'লে। কিন্তু তেওঁলোকে বিষয়টো যেতিয়া থানাত ৰিপোৰ্ট কৰিবলৈ গ'ল তেতিয়া এফ, আই, আৰ দিব যোৱা মানুহজনকগোটেই ৰাতিটো থানাত কন্‌ফাইন কৰি ৰখা হ'ল। তাৰ পিছত পুলিচ আৰু ৰেপ কৰা মানুহজনে গৈ ছোৱালীজনীৰ মাকক ভিতি প্ৰদৰ্শন কৰি ক'লে যে তেওঁলোকে এই ঘটনাটো ছোৱালীজনীয়ে বাথৰুমত পৰি জখম হোৱা বুলি ক'বলৈ হেঁচা প্ৰয়োগ কৰিলে, নহ'লে অন্য ব্যৱস্থা লোৱা হ'ব বুলি ভয় দেখুৱালে। এই বিষয়টোত পুলিচে কোনো একচনেই নল'লে। They Will be eliminated North Cachar Hills, Suspected to be a rape case and that is to be confirmed by forensic laboratory। এই ছোৱালীজনীৰ কানিকাপোৰ এফ এললৈ পঠায় পৰীক্ষা কৰোৱাব লাগিছিল। গতিকে এইটোৱেই হৈছে আজিৰ পুলিচৰ অৱস্থা। মই আৰু বেছি নকওঁ, বেছিকৈ ক'লে মোৰ সমষ্টিৰ আমাৰ কর্মীসকলক আকৌ পুলিছে ধৰি নি জেললৈ পঠাব।

সভাপতি মহোদয়, আজি আমাৰ কথা কোৱা মৌলিক অধিকাৰকনো নাইকিয়া হৈছে। আজি যিবিলাকেই চৰকাৰৰ বিৰুদ্ধে কিবা কথা কৈছে তেওঁলোককে গুপ্তঘাতকৰ হতুৱাই হত্যা কৰা হৈছে। কেৱল হত্যাই নহয় নানা ধৰণৰ মিছা কথাৰ ফাণ্ড পাতি মানুহক ইয়াৰ নিচিনা অধঃপতন কেতিয়াও হোৱা নাছিল। আজি ৰাজ্যখনৰ আইন-শৃংখলা পৰিস্থিতি এনে এটা অৱস্থালৈ লৈ গৈছে তাৰ বাবে কোন দায়ী হ'ব? আজি যদি কিছুমান পুলিচ অফিচাৰক গোপনীয়ভাৱে সোধা হয় বা তেওঁলোকৰ পৰা গোপনীয় প্ৰতিবেদন বিচৰা হয় তেনেহ'লে তেওঁলোকে নিশ্চয় ক'ব যে তেওঁলোকক পলিটিকেলি ইনফ্লুৱেঞ্চ কৰা হৈছে। আজি পুলিচৰ মৰেলিটি অৱনমিত হৈছে। ইয়াৰ কাৰণে চৰকাৰে ১৪০০ লাখ টকাৰ পৰিপূৰক দাবী মঞ্জুৰী বিচাৰিছে। কিন্তু এই দাবী মঞ্জুৰী বিচৰাৰ আগতে

সকলো দিশ চোৱা-চিতা কৰি লোৱা ভাল। এইখিনিকে কৈ মোৰ ভাষণৰ সামৰণি মাৰিলো।

Mr. Chairman : I now ask Chief Minister to reply.

★ **শ্রী প্রফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্রী)** ঃ মাননীয় সভাপতি ডাঙৰীয়া, ১৪ শ লাখ টকাৰ গ্রেণ্টৰ সংক্রান্তত ইতিমধ্যে মাননীয় সদস্য শ্রীভৰত নৰহ, ডাঃ অর্ধেন্দু কুমাৰ দে ডাঙৰীয়াকে ধৰি বিভিন্ন বক্তাই বিভিন্ন বক্তব্য ৰাখিছে। প্রথমতে মই মাননীয় সদস্য শ্রীভৰত নৰহ ডাঙৰীয়াৰ বক্তব্যৰ বিষয়ে আৰম্ভ কৰো। তেখেতৰ নিশ্চই মনত আছে হোজাই পৰা আৰম্ভ কৰি এন, চি, হিলচলৈকে উগ্রপন্থীৰ বিচৰণ ভূমি হৈ আছে। এন, চি, হিলচৰ ডি, চি, আৰ এছ, পি,য়ে উগ্রপন্থীক ধন আদায় দিয়া বুলি যি অভিযোগ আনিছে, তাৰ কোনো প্রমাণ নাই। যদি আপোনালোকে অভিযোগ প্রমাণ কৰিব পাৰে তেতিয়াহ'লে চৰকাৰে তাৰ একচন ল'ব। আমি পুলিচক পোলিটিকেলি ব্যৱহাৰ কৰা নাই। ৰাজ্যসভাৰ সাংসদ শ্রীপৰাগধৰ চলিহা ডাঙৰীয়াই যেতিয়া হোজাইত মিটিং কৰিবলৈ গৈছিল তেতিয়া তেখেতক পুলিচে গ্রেপ্তাৰ কৰিছিল। হোজাই জনসাধাৰণে বুজি পাইছিল। আগতে ৰাতি আঠ ন বজাত মানুহে ঘৃৰি ফুৰিব পৰা নাছিল, এতিয়া ৰাতি দহ এঘাৰটালৈ ঘৃৰি ফুৰিব পাৰে। আপোনালোকৰ মানুহেহে গন্দগোল কৰে। ভাল মানুহক চিকিউৰিটি নেলাগে। কর্মচাৰীক পুলিচে এৰেষ্ট কৰিছে, হয়, অকল কর্মচাৰীকেই নহয়, আমি কৈছো কোনোবাই যদি উগ্রপন্থীক পইচা দিছে এৰেষ্ট কৰিব লাগে। শ্রীৰামপুৰ গেটৰ কথা কৈছে যদিও আগতে যেনেকৈ টকা আদায় দিছিল, এতিয়া দিয়া নাই। কোনোবা কর্মচাৰীয়ে আদায় দিয়া প্রমাণ পালে তেওঁক চাচপেন্সন কৰা হৈছে। তেনেকৈ এগ্রিকালচাৰ বিভাগৰ যুটীয়া সঞ্চালক শ্রী অনিমেশ গোস্বামীকো চাচপেন কৰা হৈছে। টাটা টি,ৰ দৰে মানুহক গ্রেপ্তাৰ কৰা হৈছে। টাটা টিৰ বিৰুদ্ধে কেচ চলি আছে। অকল টাটা টিয়ে নহয় ডাঙৰ অৰগেনাইজেশ্বনৰ বিৰুদ্ধেও কেচ চলি আছে। শ্রীৰামপুৰ গেটত কিমান টকা কংগ্রেছৰ দিনত এক্সটোৰশ্বন হৈছে সেই হিচাব মই দিব লাগিব নেকি? পুলিচক গালি পৰাটো সহজ। আমি পি, এছ, অ',সকলৰ ট্রেইনিঙৰ ব্যৱস্থা কৰিছিলো। কিছুমান এনেকুৱা পি, এছ, অ' আছে যে সঠিক জাগাত গুলি মাৰিব নাজানে। যেতিয়া অসমৰ বাহিৰত ট্রেইনিঙৰ ব্যৱস্থা কৰা হয়, তেতিয়া তেওঁলোকৰ অসুখ হয়, বিভিন্ন অসুবিধা হয়। কিছুমানে পি. এছ.

★ *Speech not corrected*

অ'ক বজাৰ কৰিবলৈ পিয়নৰ নিচিনা ব্যৱহাৰ কৰিছে। সেই কাৰণে ট্ৰেইনিঙৰ ব্যৱস্থা কৰিছিলো। শেষত গৈ যেতিয়া এগৰাকী ষ্ট্ৰিক্ট মহিলা পুলিচ বিষয়াই ট্ৰেইনিঙলৈ যাবলৈ বাধ্য কৰাইছিল, তেতিয়া তেখেতৰ বিৰুদ্ধে কমপ্লেইন দিছিল। পুলিচ বিভাগক আধুনিকীকৰণ, কার্যক্ষম কৰিবৰ কাৰণে চেষ্টা কৰিছো। তাৰ কাৰণে সকলোৰে সহায়-সহযোগ লাগিব। গাড়ী পার্টচ, তেল মোবিল আদিৰ খৰচৰ কথা আহি পৰে। কিছুমানে কৈছে ট্ৰাকৰ পৰা পইচা লৈছে। পইচা লোৱাৰ কাৰণে বাধ্য কৰাইছে কোনে— ৰাইজে। বিহু আহিলে, ঈদ আহিলে পুলিচে পইচা উঠাই দিব লাগে। তেওঁলোকক কমিটীৰ পৃষ্ঠপোষক, সভাপতি বনাই দিয়ে।

